www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আমি জীৱনটো ভাল পাওঁ এই কাৰণেই কাৰণ আমি প্ৰত্যেকেই প্ৰেমত অভ্যস্ত। সকলো ধৰণৰ প্ৰেমতেই উন্মাদনা আছে আৰু আছে যুক্তি। - নীৎসে

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

ষষ্ঠ বছৰ | সংখ্যা - ২৭১ | বুধবাৰ | ৩১ ডিচেম্বৰ, ২০২৫ চন | ১৫ পুহ, ১৯৪৭ শক | VOL - 6 | NO.- 271 | Wednesday | 31st December, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

■ 'অপাৰেচন প্ৰঘাত'ত বিপুল সফলতা; বিশেষ অভিযানত গ্ৰেপ্তাৰ ৰৰটাকৈ জেহাদী ■

# বাংলাদেশী জেহাদীৰ ঘাটিলৈ পৰিণত অসম

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনী (STF) আৰু কেন্দ্ৰীয় গোয়েন্দা সংস্থাৰ যৌথ অভিযানত বাংলাদেশ-ভিত্তিক নিষিদ্ধ সন্ত্ৰাসবাদী সংগঠন জামাত-উল-মুজাহিদিন বাংলাদেশ (JMB)ৰ এটা অফশুট 'ইমাম মাহমুদেৰ কাফিলা' (IMK)ৰ সৈতে জড়িত ১১জন মৌলবাদীক গ্ৰেপ্তাৰ কৰা হৈছে। এই অভিযান 'অপাৰেচন প্ৰঘাত'ৰ অধীনত সোমবাৰে নিশা অসমৰ বৰপেটা, চিৰাং, বাক্সা আৰু দৰং জিলাৰ লগতে ত্ৰিপুৰাৰ পশ্চিম ত্ৰিপুৰাত একেলগে চলোৱা হৈছিল। অসম আৰক্ষীৰ এছটিএফ প্ৰধান তথা গুৱাহাটী আৰক্ষী আয়ুক্ত পাৰ্থসাৰথি মহন্তই মঙ্গলবাৰে সংবাদমেলত জানিবলৈ দিয়ে যে, গ্ৰেপ্তাৰকৃতসকলৰ ভিতৰত ১০জন অসমৰ আৰু এজন ত্ৰিপুৰাৰ। এই মডিউলটোৱে 'ঘজৱাতুল হিন্দ'ৰ চৰমপন্থী মতাদৰ্শ প্ৰচাৰ ►► ৬ পৃষ্ঠাত






## চিবিএছইৰ দশম-দ্বাদশ শ্ৰেণীৰ এমআইএল বিষয়ৰ পৰীক্ষাৰ নতুন তাৰিখ ঘোষণা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ (চি বি এছ ই)ৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ বৰ্ড ►► ৬ পৃষ্ঠাত

❑ বিশেষ পুনৰীক্ষণ অনুসৰি ইতিমধ্যে প্ৰকাশ খচৰা ভোটাৰ তালিকা ❑



## ১০ ফেব্ৰুৱাৰীত প্ৰকাশ পাব চূড়ান্ত ভোটাৰ তালিকা

সংবাদমেলযোগে ঘোষণা ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়াৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ বাবে ভোটাৰ তালিকাৰ বিশেষ সংশোধনী (এছ আৰ-২০২৬) প্ৰক্ৰিয়া তীব্ৰতৰ হৈছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে মঙলবাৰে দিছপুৰৰ জনতা ভৱনত আয়োজিত এক সংবাদমেলত জনায় যে, খচৰা ভোটাৰ তালিকা ইতিমধ্যে ২৭ ডিচেম্বৰত ►► ৬ পৃষ্ঠাত

আলোচনাত অংশগ্ৰহণ KLOৰ আলোচনাপন্থী গোটৰ নেতা জীৱন সিংহ কোঁচৰ

## কেএলঅ'ৰ আলোচনাপন্থী গোটৰ সৈতে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ শান্তি আলোচনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ ডিচেম্বৰ ঃ** কমতাপুৰ লিবাৰেচন অৰ্গেনাইজেচন (কে এল অ')ৰ আলোচনাপন্থী গোটৰ নেতা জীৱন সিংহ কোঁচৰ নেতৃত্বত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ সৈতে শান্তি আলোচনাৰ এটা গুৰুত্বপূৰ্ণ পৰ্যায় সম্প্ৰতি সম্পন্ন হৈছে। মধ্যস্থতাকাৰী এ কে মিশ্ৰৰ উপস্থিতিত চলা এই কেইবাটাও আলোচনাত কে এল অ'ৰ ফালে পৃথক কমতাপুৰ ৰাজ্য গঠনৰ দীৰ্ঘদিনীয়া দাবী পুনৰ জোৰদাৰকৈ উত্থাপন ►► ৬ পৃষ্ঠাত



## ৰীমা দাসৰ 'ভিলেজ ৰকষ্টাৰ্ছ'লৈ NYWIFTৰ আন্তঃৰাষ্ট্ৰীয় সন্মান

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** অসমীয়া চলচ্চিত্ৰ জগতৰ অন্যতম চৰ্চিত পৰিচালক ৰীমা দাসে পুনৰবাৰ ৰাজ্যখনৰ বাবে গৌৰৱৰ মুহূৰ্ত কঢ়িয়াই আনিছে। তেওঁৰ ►► ৬ পৃষ্ঠাত

প্ৰতিৰক্ষা খণ্ডত বৃহৎ পদক্ষেপ

## ৪,৬৬৬ কোটি টকাৰ যুদ্ধ সামগ্ৰী ক্ৰয়ৰ চুক্তি স্বাক্ষৰ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৩০ ডিচেম্বৰ ঃ** ভাৰতীয় সশস্ত্ৰ বাহিনীৰ আধুনিকীকৰণৰ দিশত এক গুৰুত্বপূৰ্ণ ►► ৬ পৃষ্ঠাত

চাৰ্জশ্বীট সন্দৰ্ভত মুখ খুলিছে গৰিমা শইকীয়া গাৰ্গে

## জুবিন গাৰ্গক সংগীত জগতৰ পৰা অৱসৰৰ কু-অভিসন্ধি ৰচিছিল সিদ্ধাৰ্থই

অসুস্থ জুবিন গাৰ্গক অৱহেলা কৰাৰ কথা স্পষ্ট কৰিলে গৰিমাই



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** অসমৰ প্ৰিয় সংগীতশিল্পী জুবিন গাৰ্গৰ অকাল বিয়োগৰ তিনিমাহ পূৰ্ণ হৈছে আজি। ছিংগাপুৰত অনুষ্ঠিত এখন উৎসৱৰ সময়ত ঘটা দুৰ্ভাগ্যজনক ঘটনাত জুবিনে প্ৰাণ হেৰুৱাইছিল, যাৰ পিছত ►► ৬ পৃষ্ঠাত

## জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰসংগত বিতৰ্কিত মন্তব্য

## হিন্দু পৰিয়ালক অধিক সন্তান জন্ম দিয়াৰ আহ্বান মুখ্যমন্ত্ৰীৰ



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৩০ ডিচেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মঙলবাৰে বৰপেটা জিলাৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিৰ অন্তৰ্গত এখন অনুষ্ঠানত অংশগ্ৰহণ কৰি জনসংখ্যা বৃদ্ধিৰ হাৰক লৈ বিতৰ্কিত মন্তব্য কৰিছে। তেওঁ কয় যে, সংখ্যালঘু সম্প্ৰদায়ৰ সন্তান জন্মৰ হাৰ অধিক হোৱাৰ বিপৰীতে হিন্দু সম্প্ৰদায়ত এই হাৰ হ্ৰাস পাইছে। সেয়ে ►► ৬ পৃষ্ঠাত

## শীতৰ প্ৰকোপৰ বাবে কামৰূপ মেট্ৰ'ৰ বিদ্যালয় বন্ধ ঘোষণা

### কাইলৈৰ পৰা ৬ জানুৱাৰীলৈ বন্ধ থাকিব চৰকাৰী বিদ্যালয়সমূহ



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** অসমত বিগত কেইদিনমানৰ পৰা শীতৰ প্ৰকোপ যথেষ্ট বৃদ্ধি পাইছে। ঘন কুঁৱলীৰ আচ্ছাদনৰ লগতে উষ্ণতাৰ হ্ৰাসৰ ফলত ৰাজ্যৰ ►► ৬ পৃষ্ঠাত




বড়ো সাহিত্য সভাৰ ৬৫সংখ্যক কেন্দ্ৰীয় অধিৱেশন

## বিজনীত হ'ব তিনিদিনীয়া কাৰ্যসূচী, নতুন সমিতি গঠনৰ সম্ভাৱনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৩০ ডিচেম্বৰ ঃ** বড়ো ভাষা-সাহিত্যৰ উন্নয়ন আৰু প্ৰসাৰৰ অন্যতম শিখৰ সংগঠন বড়ো সাহিত্য সভাৰ ৬৫সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশন আগন্তুক নতুন ►► ৬ পৃষ্ঠাত

❑ ফেব্ৰুৱাৰী মাহৰ প্ৰথম বা দ্বিতীয় সপ্তাহত ঘোষণা হ'ব বিজেপিৰ প্ৰাৰ্থী তালিকা ❑

## ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি সম্পূৰ্ণৰূপে সাজু ঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা




**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** অসমত অন্তৰ্বৰ্তীকালীন সময়ত ৰাজনৈতিক চৰ্চা তীব্ৰতৰ হৈ উঠিছে। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক লক্ষ্য কৰি ভাৰতীয় জনতা পাৰ্টি ►► ৬ পৃষ্ঠাত

১০ বছৰত বিজেপিয়ে কিমান বিদেশী বহিষ্কাৰ কৰিলে তাৰ তথ্য ৰাজহুৱা কৰক ঃ অখিল গগৈ

## বিদেশীমুক্ত অসমৰ বাবে বিজেপিক লাগিব ২২,৫৭৫ বছৰ !



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৩০ ডিচেম্বৰ ঃ** ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ সময়ত কৰা বক্তব্যক লৈ তীব্ৰ সমালোচনা কৰিছে। কাজিৰঙাত অনুষ্ঠিত সংবাদ- ►► ৬ পৃষ্ঠাত



নিৰ্বাচনৰ পূৰ্বে জনজাতিকৰণ নহ'লে উচিত প্ৰত্যুত্তৰ দিব বিজেপিক ঃ ললিত হেমব্ৰম

# জেহেৰ ছেগুন বাইছিৰ হুংকাৰ; মুখ্যমন্ত্ৰীৰ বক্তব্যক ভিত্তিহীন আৰু তুলুঙা মন্তব্য আখ্যা

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ৩০ ডিচেম্বৰ ঃ** আগন্তুক ২০২৬ চনত অনুষ্ঠিতব্য অসম বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে অসমৰ কোনো জনগোষ্ঠীয়ে জনজাতিকৰণ বিচৰা নাছিল বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰা ভাষ্য ভিত্তিহীন আৰু বিভ্ৰান্তিকৰ মন্তব্য। অসমত বসবাস কৰা চাওঁতাল সহ আদিবাসীৰ উপৰি আন পাঁচ জনগোষ্ঠীৰ স্বভিমানক উপলুঙা কৰি বিজেপি চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ নামত সস্তীয়া ভোটৰ ৰাজনীতিহে কৰিলে। অসমৰ আদিম তথা সহজ-সৰল চাওঁতাল জনগোষ্ঠীৰ লগতে খিলঞ্জীয়া, ভূমিপুত্ৰ জনগোষ্ঠী কেইটাৰ ভোটৰ স্বাৰ্থত আভুৱাভাৰি থকা বিজেপি চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ কোনো প্ৰস্তাৱ নাই বুলি প্ৰকাশ কৰা বিবৃতিৰ উপৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ছয় জনগোষ্ঠীৰ লোকে নিৰ্বাচনত আগত জনজাতিকৰণ বিচৰা নাছিল বুলি সংবাদ মাধ্যমৰ আগত দিয়া বক্তব্যৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সংগঠনৰ সাধাৰণ সম্পাদক ললিত হেমব্ৰমে। সংবাদ মাধ্যমৰ আগত সাধাৰণ সম্পাদক গৰাকীয়ে ছয় জনগোষ্ঠীৰ জনজাতিকৰণত মন্ত্ৰী গোটৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ সন্দৰ্ভত সন্দেহ আৰু শংকা ব্যক্ত কৰি অসমৰ ছয় জনগোষ্ঠীক আভুৱা ভাৰি থকা বিজেপি নেতৃত্বাধীন মিছলীয়া ৰাজ্য চৰকাৰে যোৱা ২৯ নৱেম্বৰ তাৰিখে সমাপন হোৱা অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ অন্তিম মুহূৰ্তত মন্ত্ৰীগোটে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰতিবেদন সদনত দাখিল কৰিয়েই দায়িত্ব সামৰিলে। এনেকি এই প্ৰতিবেদন সদনত দাখিলৰ পিছতে জনজাতি সমন্বয় সমিতি অসম নামৰ সংগঠনৰ ওচৰত আঁঠুকাঢ়ি এই সংগঠনৰ কথামতে সময় অতিবাহিত কৰিছে বুলিও মন্তব্য কৰিছে ললিত হেমব্ৰমে। সংগঠনৰ সাধাৰণ সম্পাদক গৰাকীয়ে বিজেপি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি কয়, একেই সংবিধানৰ দ্বাৰা পৰিচালিত ভাৰতৰ অন্যান্য ৰাজ্য সমূহত বসবাস কৰা আদিবাসী, চাওঁতাল সকলে জনজাতিৰ মৰ্য্যদা লাভ কৰি চৰকাৰী চাকৰিকে ধৰি ভাষা, কৃষ্টি-সংস্কৃতিৰ লগতে বিভিন্ন দিশত উন্নয়ন সম্ভৱ কৰি তুলিছে। কিন্তু অসমত বসবাস কৰা ভূমিপুত্ৰ চাওঁতাল আদিবাসী জনগোষ্ঠীয়ে নিজৰ জনজাতিকৰণ সহ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাহিত্য-সংস্কৃতি আৰু ভেটি-মাটি সুৰক্ষাৰ বাবে বিগত ১৯৬৭ চনৰ পৰাই আন্দোলন কৰিব লগীয়া হৈ আছে যদিও অসমৰ আদিবাসী চাওঁতাল জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া আন্দোলনক কোনো এটা চৰকাৰে গুৰুত্ব প্ৰদান কৰা নাই। ইয়াৰ বিপৰীতে অসমত বসবাস কৰা চাওঁতাল সকলক সংৰক্ষিত জনগোষ্ঠীৰ মৰ্যাদা দিয়া হৈছে যদিও এয়া নামতহে চলি আছে। বাস্তৱিকতে বিভিন্ন স্থানত আদিবাসী চাওঁতাল সকলৰ ভেটি-মাটিৰ পৰা উচ্ছেদ আৰু বেদখল কৰাহে হৈ আছে। এইয়া অসম চৰকাৰৰ আদিবাসী চাওঁতাল প্ৰীতিৰ নমুনা বুলিও কটাক্ষ কৰি সাধাৰণ সম্পাদক হেমব্ৰমে অসমত বসবাস কৰা ৫.৫ লাখ চাওঁতাল সহ প্ৰায় এক কোটি আদিবাসী জনগোষ্ঠীক নিঃশেষ কৰিবলৈ ৰাজ্য চৰকাৰে গভীৰ যড়যন্ত্ৰ চলাই থকা বুলিও বিস্ফোৰক অভিযোগ তুলিছে। তদুপৰি বিভিন্ন সময়ত তুলুঙা আৰু বিভ্ৰান্তিকৰ মন্তব্যৰে আদিবাসী চাওঁতাল জনগোষ্ঠীক লৈ উপলুঙা কৰা কাৰ্য্য সহ্য কৰা নহব বুলিও মন্তব্য কৰে। এনেকি সাম্প্ৰতিক সময়ত বিজেপি দলত থকা সমূহ আদিবাসী চাওঁতাল সকলক প্ৰয়োজনৰ সময়ত বিজেপি ত্যাগ কৰিবলৈ আহ্বান জনায়। জনজাতিকৰণ চাওঁতাল আদিবাসী সকলৰ জন্মস্বত্ব অধিকাৰ বুলি দাবী কৰি সাধাৰণ সম্পাদক গৰাকীয়ে আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে চাওঁতাল আদিবাসী সকলক জনজাতিকৰণ নকৰিলে অসমৰ সমূহ আদিবাসী সকলে বিজেপিৰ বিপক্ষে থিয় দিবলৈ বাধ্য হ'ব। ঠিক সদ্য সমাপ্ত বিটিচি নিৰ্বাচনত সমগ্ৰ বিটিচিত বিজেপিক উৎখাত কৰাৰ দৰেই আদিবাসী সকল বিজেপি দলৰ পৰা পৃষ্ঠভংগ দিলে ভয়ংকৰ বিপদৰ সন্মুখীন হ'ব লাগিব বুলিও সকীয়নি প্ৰদান কৰিছে। আনহাতে যোৱা ২৯ নৱেম্বৰ তাৰিখে সমাপন হোৱা অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ অন্তিম মুহূৰ্তত মন্ত্ৰীগোটে দাখিল কৰা ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰতিবেদন অতি সোনকালে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিবলৈ সজোৰে দাবী উত্থাপন কৰিছে জেহেৰ ছেগুন বাইছিৰ সাধাৰণ সম্পাদক ললিত হেমব্ৰমে। অসমৰ ছয় জনগোষ্ঠীৰ আবেগ অনুভূতিক লৈ হেতালি খেলা, নিৰ্বাচনৰ পূৰ্বে ভূমিপুত্ৰ চাওঁতাল (আদিবাসী) সকলক জনজাতিকৰণ নকৰিলে বিটিচি নিৰ্বাচনৰ দৰেই অসমত বিজেপিৰ ভেটি-মাটি উচ্ছেদ হ'ব বুলি হুংকাৰ দিছে জাহেৰ ছেগুন বাইছিৰ সাধাৰণ সম্পাদক ললিত হেমব্ৰমে।

## দেৰগাঁও সমজিলাত অন্তৰ্ভুক্ত নোহোৱাক লৈ তিনি পঞ্চায়তবাসীৰ ক্ষোভ

# খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ বিৰুদ্ধে গৰজি উঠিছে মিছামৰাবাসী

**অসম বাৰ্তা, দেৰগাঁও, ৩০ ডিচেম্বৰ ঃ** খুমটাইৰ বিধায়ক মৃনাল শইকীয়াৰ বিৰুদ্ধে গৰজি উঠিল মিছামৰাবাসী ৰাইজ। দিনক দিনে বিধায়ক গৰাকীৰ জনপ্ৰিয়তা হ্ৰাস পাইছে খোদ নিজ সমষ্টিতেই। উল্লেখযোগ্য যে দেৰগাঁও সম-জিলা কাৰ্যালয়ৰ গাতে লাগি থকা স্বত্বেও দেৰগাঁও ৰাজহ চক্ৰৰ অন্যতম প্ৰধান অঞ্চল মিছামৰাৰ তিনিখনকৈ পঞ্চায়ত নৱগঠিত দেৰগাঁও সম-জিলাত অন্তৰ্ভুক্ত নোহোৱা বিষয়টোক লৈ মিছামৰাৰ এই তিনি পঞ্চায়ত এলেকাৰ ৰাইজ ক্ষুব্ধ হৈ উঠিছে। খুমটাইৰ বিধায়ক মৃণাল শইকীয়া আৰু বিজেপিৰ একাংশ নেতা পালিনেতাৰ ৰাজনৈতিক চক্ৰান্তত খুমটাই সমষ্টিৰ এই অঞ্চলসমূহ দেৰগাঁও সমজিলাৰ পৰা কৰ্তন কৰি বলপূৰ্বক খুমটাই সমজিলাত অন্তৰ্ভুক্ত কৰা হ'ল বুলি অভিযোগ তুলি ৰাইজ ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ মুখৰ হৈ উঠিছে। বিশেষকৈ খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ প্ৰতি বিতুষ্ট হৈ পৰিছে মিছামৰা বাসী ৰাইজ। সমষ্টি নৱগঠিত হোৱাৰ পিছতে চল চাতুৰিৰে দেৰগাঁও সমজিলাৰ গাতে লাগি থকা মিছামৰা মৌজাৰ তিনিখনকৈ পঞ্চায়তৰ প্ৰশাসনিক, ৰাজহ কাম-কাজ দেৰগাঁও সমজিলাৰ পৰা আঁতৰাই খুমটাইৰ সমষ্টিৰ দুৰ দুৰণিৰ ঠাইৰ সৈতে সংযুক্ত কৰাৰ ফলত আগন্তুক দিনত ৰাইজে ভোগ কৰিব লগা সমস্যাৰ কথা ভাবি চৰম চিন্তাত পৰিছে ৰাইজ। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত মিছামৰা মৌজাক অৱহেলা কৰাৰো অভিযোগ বিধায়কজনৰ বিৰুদ্ধে। মিছামৰা বাসীৰ বিভিন্ন সমস্যাৰ সময়ত অঞ্চলবাসীক পিঠি দিয়াৰ গুৰুত্বৰ অভিযোগ তুলিছে স্থানীয় ৰাইজে। অচিৰেই সমজিলাৰ এই সিদ্ধান্ত বাতিল নকৰিলে ভোগালী বিহুৰ পিছত বৃহৎ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ দি মিছামৰা বাসীয়ে দাবী জনাইছে- হয় সিদ্ধান্ত বাতিল কৰক, নহয় উক্ত এলেকাক দেৰগাঁও সমষ্টিত অন্তভুক্ত কৰক। উল্লেখযোগ্য যে এই দাবীত পূৰ্বেও ৰাজপথ অৱৰোধ কৰিছিল মিছামৰাবাসীয়ে। ক্ষমতাৰ লোভত বিধায়ক মৃনাল শইকীয়াই জনতাৰ আৱেগক লৈ নেখেলিবৰ সকিয়াই দিছে অঞ্চলবাসীয়ে।

## কচুৱাৰ চিমলাই পথাৰত বাঁহ কটাক কেন্দ্ৰ কৰি সংঘাত

**আহত তিনি মহিলাৰ সংবাদমেল; মুখ্যমন্ত্ৰীক ন্যায় বিচাৰি প্ৰাৰ্থনা**

**অসম বাৰ্তা, কামপুৰ, ৩০ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ কামপুৰ থানাৰ অন্তৰ্গত চিমলাই পথাৰ গাঁৱত বাঁহ কটাক কেন্দ্ৰ কৰি এটা উদণ্ড পৰিয়ালে এটা নিৰীহ পৰিয়ালৰ লোকক মাৰপিট কৰাত তিনিগৰাকী মহিলা আহত হ'ব লগা হৈছে। দুয়োটা ফৈদৰ সংঘাতত আহত হোৱা নিৰীহ পৰিয়ালৰ ইমৰানা বেগম, ফিৰুজা বেগম আৰু ফইজুন নেছাই কামপুৰ থানাত গোচৰ তৰি কোনো ন্যায় নোপোৱাত এখন সংবাদমেল যোগে ক্ষোভ প্ৰকাশ কৰে। আহত মহিলাসকলে ন্যায় পোৱাৰ পৰিবৰ্তে বিপৰীত পক্ষৰ ভুৱা গোচৰত কেৱল হাৰাশাস্তি হোৱাৰ অভিযোগ ব্যক্ত কৰে মহিলাসকলে। আহত মহিলা সকলে মুখ্যমন্ত্ৰীক হাতযোৰ কৰি ন্যায়ৰ বাবে কাতৰ প্ৰাৰ্থনা জনায়। অভিযুক্ত আলী আকবৰ, আলী আশ্বাদ, কমৰুজ জামান আৰু ৰায়েছা খাতুনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ আৰক্ষী প্ৰশাসনক স্থানীয় ৰাইজে দাবী জনাইছে।

# যোৰহাট পুৰণিমাটি সহায়কাৰী স্বাস্থ্য কেন্দ্ৰৰ জন আৰোগ্য সমিতি গঠন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৩০ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ নীতি-নিৰ্দেশনাৰ ভিত্তিত ৰাজ্যখনৰে চিকিৎসালয়, উপ-স্বাস্থ্য কেন্দ্ৰবোৰত জন আৰোগ্য সমিতি গঠন কৰি থকা হৈছে। সেই নিৰ্দেশনাৰভিত্তিতে যোৰহাট পশ্চিম অঞ্চলৰ পুৰণিমাটি সহায়কাৰী স্বাস্থ্য কেন্দ্ৰৰ 'জন আৰোগ্য সমিতি'খন ৩০ ডিচেম্বৰত গঠন কৰা হয়। স্বাস্থ্য কেন্দ্ৰটোৰ সহকাৰী প্ৰবন্ধক ৰাজীৱ শইকীয়াই আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা, বিগত কাৰ্যকালৰজন আৰোগ্য সমিতিৰ সভাপতি ৰমেশ বণিয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাত যোৰহাট জিলা পৰিষদৰ সৰুচৰাইৰ সদস্য ললিতা পেগুক সভাপতি, স্থানীয় ৪৭ নং দক্ষিণ পৰ্বতীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী শিৱানী হাজৰিকাক কাৰ্যকৰী সভাপতি, শ'লমৰা খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ চিকিৎসা বিষয়া ডাক্তৰ ৰঞ্জুমণি পাঠকক সদস্য-সচিব, পুৰণিমাটি সহায়কাৰী স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাক্তৰ প্ৰাগজ্যোতিষ নাথ, সহঃ প্ৰবন্ধক ৰাজীৱ শইকীয়া, সাংবাদিক ৰমেন শইকীয়া, পুলিবৰ থানাৰ অ' চি, লোক নিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এজনকৈ বিষয়া, সমাজ কল্যাণ বিভাগৰ স্থানীয় মুখ্যসেৱিকা মিনাক্ষী গগৈ, পুৰণিমাটি হাইস্কুলৰ প্ৰধান শিক্ষক মৃদুল ফুকন, চাৰিঙীয়া পঞ্চায়তৰ আঞ্চলিক সদস্য ৰঞ্জু পূজাৰী দত্ত, পূৰ্বৰ সমিতিৰ সভাপতি ৰমেশ বণিয়া, স্থানীয় পঞ্চায়তৰ সদস্য ৰিজুমণি দাস বণিয়া, স্থানীয় ব্যক্তি তগৰ হাজৰিকা, গোলাপ দাসক সদস্যৰূপে লৈ যোৰহাট পুৰণিমাটি সহায়কাৰী স্বাস্থ্য কেন্দ্ৰৰজন আৰোগ্য সমিতিখন গঠন কৰা হয়। উল্লেখ্য, ১৯৮৬ চনৰ ১৮ ফেব্ৰুৱাৰীত দ্বাৰ মুকলি কৰা স্বাস্থ্য কেন্দ্ৰটোত বৰ্তমান এবছৰৰ বাবে এজন চিকিৎসকে চিকিৎসা প্ৰদান কৰি থকাৰ লগতে এ এন এম ৩ গৰাকী, লেবৰেটৰী টেকিচিয়ান এগৰাকী, আশাকৰ্মী ২৮ গৰাকী, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী এগৰাকী, ফিমেল এটেণ্ডেণ্ট এগৰাকীয়ে কাম কৰি থকাৰ উপৰি চিকিৎসা কেন্দ্ৰটোৰ অধীনত পৰ্বতীয়া আয়ুষ্মান মন্দিৰত এজন চিকিৎসক, দুগৰাকী এ এন এম, এগৰাকী এম পি ডব্লিউ, চাৰিঙীয়া আয়ুষ্মান মন্দিৰত চি এইছ অ' এগৰাকী, এম পি ডব্লিউ এগৰাকী আৰু এ এন এম এগৰাকীয়ে কাম কৰি আছে। ২০২৬ চনৰ ১ জানুৱাৰীৰপৰা চৰকাৰৰ স্বাস্থ্য বিভাগে বাহাল ৰখাৰ দিনটোলৈকে পুৰণিমাটি সহায়কাৰী স্বাস্থ্য কেন্দ্ৰৰজন আৰোগ্য সমিতিখনে পৰিচালনা কৰি থকাৰ লগতে সমস্যাসমূহ সমাধান কৰাৰ উপৰি প্ৰতিগৰাকী ৰোগীয়েই যাতে পৰ্যাপ্ত সুবিধা লাভ কৰে সেই সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰিব। বিগত সময়চোৱাত স্বাস্থ্য কেন্দ্ৰটোৰ জৰিয়তে জনসাধাৰণৰ উপকাৰৰ বাবে কৰা কাম-কাজ আৰু উন্নয়ন সম্পৰ্কীয় খতিয়ান আৰু সমস্যাসমূহৰ বিষয়ে উল্লেখ কৰে ৰাজীৱ শইকীয়াই। জনপ্ৰতিনিধিকেইগৰাকীয়ে সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধানৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে সভাখনত উপস্থিত থকা ভালেকেইগৰাকীয়ে পৰামৰ্শমূলক বক্তব্য আগবঢ়ায়। সভাখনত ভালেকেইটা প্ৰস্তাৱ আৰু সিদ্ধান্ত গ্ৰহণ কৰে।




# বৰপেটা জিলা কাৰাগাৰ পৰিদৰ্শন বিভাগীয় মন্ত্ৰী ৰূপেশ গোৱালাৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ৩০ ডিচেম্বৰ ঃ** বৰপেটা চহৰত অৱস্থিত জিলা কাৰাগাৰত আজি ৰাজ্যৰ কাৰাগাৰ, শ্ৰম আৰু চাহ জনজাতি উন্নয়ন মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত হৈ জিলা কাৰাগাৰ পৰিদৰ্শন কৰে। কাৰাগাৰ মন্ত্ৰী গৰাকীয়ে বৰপেটা জিলা কাৰাগাৰৰ ভিতৰৰ কোঠালী, স্বাস্থ্যসেৱাৰ ব্যৱস্থা আৰু কাৰাবন্দীসকলৰ বৰ্তমানৰ অৱস্থা সম্পৰ্কে বুজ লয়। মন্ত্ৰী গৰাকীয়ে কাৰাগাৰ পৰিদৰ্শন কালত কাৰাগাৰখনৰ খাদ্যৰ মানদণ্ড, কেণ্টিন, কাৰাবন্দীসকলৰ কক্ষসমূহ আৰু কাৰাবন্দী সকলৰ মানসিক সংশোধনৰ বাবে কৰা কৃষি কাৰ্য আৰু অন্যান্য. কাৰু শিল্প আদি পৰ্যৱেক্ষণ কৰে। পিছত মন্ত্ৰী গৰাকীয়ে কাৰাগাৰৰ বিষয়া কৰ্মচাৰী আৰু কাৰাপ্ৰহৰী সকলৰ সৈতেও আলোচনা কৰে। কাৰাগাৰ মন্ত্ৰী ৰূপেশ গোৱালাই বৰপেটা জিলা কাৰাগাৰৰ বিভিন্ন সমস্য সন্দৰ্ভতো বিষয়া সকলৰ সৈতে মত বিনিময় কৰে। আজি কাৰাগাৰ পৰিদৰ্শন কালত সহকাৰী কাৰাগাৰ মহাপৰিদৰ্শক ৰঞ্জিৎ বুঢ়াগোঁহাঞি, বৰপেটা পৌৰসভাৰ পাৰিষদ ৰূপক বায়ন, জেইলাৰ প্ৰাঞ্জল শৰ্মা, বৰপেটাৰ শ্ৰম পৰিদৰ্শ প্ৰমুখ্যে অন্যান্য বিষয়াবৰ্গ উপস্থিত আছিল। বৰপেটা জিলা কাৰাগাৰত আজি মুঠ ৩৬১ গৰাকী কয়েদী আৰু জেল হাজোতী আছে।

**NAME CORRECTION**

My actual and correct name is Abdur Razzak and father's actual and correct name is Abdul Kader Sarkar which is correctly recorded in all other relevant documents.

But my name has been recorded as Abdul Rezzak instead of Abdur Rezzak and my father's name has been recorded as A. Kader instead of Abdul Kader Sarkar in the Land record Vide Dag no. 860 and Patta No. 621.

Unfortunately my name has been recorded as A. Rezzak instead of Abdur Rezzak and also my father's name has been recorded as A. Kader instead of Abdul Kader Sarkar in the land record vide Dag No. 861 and Patta No. 622.

I have been corrected my actual name as Abdur Rezzak and father's name as Abdul Kader Sarkar through Notary Public Barpeta dated 26.12.25

Name: Abdur Rezzak
Vill: Mahammadpur,
Dist. Barpeta, Assam

AB-175/2025

## ❑ লাওখোৱাত শৈক্ষিক সংযোগ অনুষ্ঠান ❑

# ১১০০ ছাত্ৰ-ছাত্ৰী ঘূৰি আহিল মূলসুঁতিলৈ



**অসম বাৰ্তা, ৰূপহীহাট, ৩০ ডিচেম্বৰ ঃ** অসম সমগ্ৰ শিক্ষা অভিযান নগাঁৰৰ উদ্যোগত আৰু লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ ব্যৱস্থাপনাত আজি দিন যোৱা কাৰ্যসূচীৰে লৰিৰমুখ প্ৰেক্ষাগৃহত 'শৈক্ষিক সংযোগ' ২০২৫-২৬ অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ বিষয়া পাৰ্থজোতি ভূঞাই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ পাতনি মেলে। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰী সকলক লৈ এক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাৰ অন্তত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পন কৰি 'মায়াবিনী' গীত পৰিৱেশন কৰি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। ৰাজ্যৰ আধাতে শিশুসকল বিদ্যালয় এৰি যোৱা শিশু সকলক মূল সুতিলৈ ঘূৰাই অনাই হৈছে শৈক্ষিক সংযোগৰ মূল উদ্দেশ্য। লাওখোৱা প্ৰাথমিক শিক্ষা খণ্ডত ১১০০ শিশু মূলসুঁতিলৈ ঘূৰি আহিছে। মূল সুতিলৈ ঘূৰি অহা ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ দিয়াৰ কাৰণে সকলোকে একোখনকৈ মান পত্ৰ আৰু উপহাৰ প্ৰদান কৰে। উক্ত অনুষ্ঠানত আজি 'জ্ঞানতৃষ্ণা' নামেৰে এটি ৱেবছাইট মুকলি কৰে। জ্ঞানতৃষ্ণাৰ মূল উদ্দেশ্য হৈছে শিশুসকল যাতে আকৌ বিদ্যালয় এৰি নেয়ায়। তেওঁলোকে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত যাতে কোনো অসুবিধা নহয় তাৰ বাবে ১৮ বছৰ বয়সলৈকে এই ৱেবছাইটৰ যোগেদি অনুসৰণ কৰা হব। এই শিশুসকল জ্ঞান অংকুৰ নামেৰে নামকৰণ কৰা হৈছে। শিশুসকলক সহায় কৰা শিক্ষাগুৰু সকলক জ্ঞান বন্ধু আৰু যিয়ে এই শিশুসকল সহায়ৰ হাত আগবঢ়াব তাক জ্ঞান গুৰু নামেৰে নামকৰণ কৰা হৈছে। এই শিশুসকল সহায়ৰ কাৰণে এখন হেল্প লাইন নম্বৰো মুকলি কৰে। এই সকলোখিনি 'জ্ঞানতৃষ্ণা' ৱেবছাইটত উপলব্ধ হব। এই শিশুসকলে ১৮ বছৰ বয়সলৈকে লিখা পঢ়া কৰি সমাজত যাতে নিজকে প্ৰতিষ্ঠা কৰিব পাৰে সেয়া হৈছে 'জ্ঞানতৃষ্ণা'ৰ মূল উদ্দেশ্য বুলি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰিছে জিলা মান ৰক্ষক বিষয়া পল্লৱী শইকীয়াই। সভাত ৰূপহীহাটৰ জ্যেষ্ঠ সাংবাদিক তথা ৰূপহী সংবাদ ক্লাবৰ সভাপতি খৰ্গেশ্বৰ বৰুৱা, আমবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধীৰাজ ৰয়, বিজেপি নেতা তথা সমাজকৰ্মী আৰিফুল কালামৰ লগতে বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

## ওদালগুৰি জিলা চিত্ৰ-ভাস্কৰ্য শিল্পী সন্থাৰ উদ্যোগ

# বেংবাৰী হাইস্কুলত জুবিন গাৰ্গৰ ১০০ প্ৰতিকৃতি অংকন আৰু ভাস্কৰ্য নিৰ্মাণ অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৩০ ডিচেম্বৰ ঃ** ওদালগুৰি জিলা চিত্ৰ-ভাস্কৰ্য শিল্পী সন্থাৰ উদ্যোগত প্ৰাণৰ শিল্পী অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰা আৰু ন্যায়ৰ দাবীত অহা ৪ জানুৱাৰীত বেংবাৰী হাইস্কুলত অনুষ্ঠিত হ'ব জুবিন গাৰ্গৰ ১০০ প্ৰতিকৃতি অংকন আৰু ভাস্কৰ্য নিৰ্মাণ অনুষ্ঠান। কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৯ বজাত অনুষ্ঠিত হব জুবিন গাৰ্গৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ অনুষ্ঠান, ৯.৩০ বজাত ঃ শোকগীত পৰিৱেশন কৰিব অঁনাতাৰ শিল্পী পুৰন্দৰ ৰাভাই, ১০ বজাৰ পৰা সমূহীয়া অংকন আৰু ভাস্কৰ্য নিৰ্মাণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব ক্ৰমে কল্যাণ ৰাভা (ভেৰগাঁও), কৈলাস বড়ো (ভকতপাৰা), ৰোহিত নাগ (খৈৰাবাৰী), হৰখাৱ বড়ো (ভেৰগাঁও), প্ৰিয়ংকা বসুমতাৰী (ভকতপাৰা), পুৰবী শৰণীয়া - (ঝাৰগাঁও), অভিলাষী নাথ (দলংঘাট), ডম্বৰুধৰ ৰাজবংশী (ডিমাকুছি), শশাংক শইকীয়া (কলাইগাঁও), অৰূপ বড়ো (টংলা), নিতু শৰ্মা (টংলা), মৃনাল ৰাভা (ভেৰগাঁও) মুকুল ৰাভা (ডলা), খগেশ্বৰ বড়ো, (কবিৰালী), চণ্ডি চৰন বড়ো (কবিৰালী), ৰণজুল কুমাৰ সূত্ৰধৰ(টংলা), পৱন বড়ো (ঝাৰগাঁও), অজয় কুমাৰ ৰাভা (টংলা), নমল ৰাভা(খৈৰাবাৰী) লগতে ঝাৰগাঁও, দলংঘাট, লক্ষ্মীমপুৰ, ডিমাকুচি, কলাইগাঁও, খৈৰাবাৰী আদিৰ চিত্ৰকলা বিদ্যালয়ৰ শিক্ষাৰ্থী সকলে অংশগ্ৰহণ কৰিব বুলি মুখ্য ব্যৱস্থাপক সুৰেন্দ্ৰ মোহন ৰাভাই জানিবলৈ দিয়ে। আনহাতে দিনৰ ২ বজাৰ পৰা অনুষ্ঠিত হব লগা জুবিন গাৰ্গৰ গীত পৰিবেশন অনুষ্ঠান পৰিচালনা কৰিব যুৱ সাহিত্যিক জয়ন্ত ৰাজবংশীয়ে। আবেলি বিয়লি ৩ বজাত অনুষ্ঠিত হ'ব মায়াবিনি শীৰ্ষক গীতেৰে অনুষ্ঠান সামৰণি। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী ৰবিৰাম ব্ৰহ্মৰ লগতে বিশিষ্ঠ অতিথি হিছাপে অংশগ্ৰহণ কৰিব বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী ভাৰত ভূষণ নাথ, মানস ৰাভা, নিকুঞ্জ হাজৰীকা, নিশাৰানী দাসে। উল্লেখ যে শিক্ষাৰ্থী আৰু চিত্ৰ-ভাস্কৰ্য শিল্পী সকলক প্ৰয়োজনীয় আহিলা লগত লৈ আহিবলৈ উদ্যোগতাই আহবন জনায়।

# দাৰুল ইফতাহ বগুৰিগুৰী বাৰ্ষিক অধিৱেশন সম্পন্ন; দৰিদ্ৰ লোকলৈ কম্বল বিতৰণ

**অসম বাৰ্তা, সোণতলী, ৩০ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ বগুৰিগুৰীত দাৰুল ইফতাহ বগুৰিগুৰী আঞ্চলিক লাইব্ৰেৰীৰ ৪ৰ্থ বাৰ্ষিক অধিৱেশন আৰু বিশাল ইছলামিক ধৰ্ম সভাৰ সামৰণী পৰে। দিনজোৰা কাৰ্যসূচীৰে বগুৰিগুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰত সোমবাৰে বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি মুফাচ্ছিৰে কোৰ-আন তথা মুফতি মফিদুৰ ৰহমানৰ পৌৰহিত্যত অনুষ্ঠিত কৰে ইছলামিক বিশাল ধৰ্মসভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দাৰুল ইফতাহৰ সম্পাদক মৌলনা আনোৱাৰ হুছেইনে। ইয়াৰ পিছত অনুষ্ঠিত মুকলি সভাত স্থানীয় উলামাৰ লগতে বৰপেটাৰ মুফাচ্ছিৰে কোৰ-আন, হাফিজ-মৌলনা আব্দুছ ছোবাহানে মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। স্মৰ্তব্য, বিগত সময়ছোৱাত এই দাৰুল ইফতাহ বগুৰিগুৰী আঞ্চলিক লাইব্ৰেৰী নামৰ অনুষ্ঠানটোৱে সমাজৰ কু-সংস্কাৰ দূৰীকৰণৰ লগতে দৰিদ্ৰ-আৰ্তজনক সহায় কৰি আহিছে। সেই একেদৰেই অনুষ্ঠিত সভাত অনুষ্ঠানটোৱে ৫২ গৰাকীকৈ দৰিদ্ৰৰ মাজত জাৰত সকাহ পাব পৰাৰ অৰ্থে কম্বল বিতৰণ কৰে। সভাৰ অন্তত মুখ্য অতিথিয়ে বিশ্ব শান্তিৰ উদ্দেশ্যে পৰম কৰুণাময়ৰ ওচৰত মোনাজাত কৰে।

## টংলাত অটল স্মৃতি সন্মিলন সম্পন্ন

**অসম বাৰ্তা, টংলা, ৩০ ডিচেম্বৰ ঃ** ভৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সমিতিৰ নিৰ্দেশ মৰ্মে টংলা বিধান সভা সমষ্টিৰ অটল স্মৃতি সন্মিলনখন আজি টংলা স্থিত শ্বহীদ সুজিত নাৰ্জাৰী সোঁৱৰণি প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ওদালগুৰি জিলা বিজেপিৰ কৃষক মৰ্চাৰ সভাপতি নয়নমল্ল বুজৰবৰুৱাই সঞ্চালন কৰা সন্মিলনত সমল ব্যক্তি হিচাপে উপস্থিত থাকি ৰাজ্যিক কাৰ্য্যনিৰ্বাহক সদস্য নিৰঞ্জন সিং আৰু ওদালগুৰি জিলা বিজেপিৰ উপ সভাপতি বিকন চন্দ্ৰ ডেকাই ভাষণ দিয়ে। উক্ত সন্মিলনত ৰাজ্যিক বিজেপিৰ সদস্য শ্যামল সৰকাৰ, জিলা বিজেপিৰ উপসভাপতি জয়কান্ত শৰ্মা, উপ- সভানেত্ৰী ৰেখাৰাণী বৰা, চাহ জনগোষ্ঠী মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি খগেন তাঁতি, ভেৰগাঁও সমষ্টিৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ সমন্বয়ক নন্দৰাম বড়ো উপস্থিত থাকে।

# দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমিৰ সফলতা

**অসম বাৰ্তা, দেৰগাঁও, ৩০ ডিচেম্বৰ ঃ** দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমিৰ, ইংৰাজী-৮/৯/১০ আৰু ২৭/২৮ ডিচেম্বৰ তাৰিখত গুৱাহাটীৰ খানাপাৰাস্থিত গণেশ মন্দিৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈ যোৱা ZONAL & ASSAM STATE KARATE CHAMPIONSHIP_2025 (Sub.Junior, Junior, Senior আৰু Veteran Masters (Official Game)ত একাডেমিৰ মুখ্য প্ৰশিক্ষক-ৰঞ্জিত ৰিঙ্কু বৰাৰ তত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা ২৬ গৰাকী প্ৰশিক্ষাৰ্থী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি Zonal Championshipত সোণ-৭ টা, ৰূপ-৮ টা, ব্ৰঞ্জ-৯টা, মুঠ ২৪টা পদক লাভ কৰে। পদক প্ৰাপ্তি সকল হ'ল-ভাৰ্গৱ ৰিঙ্কু বৰাই, কাটা/কুমিটে সোণ, আইচেংফা গগৈয়ে, কুমিটে-সোণ, ভৈৰবী ৰ'জী বৰাই, কুমিটে-সোণ, প্ৰিয়াংক্ষী দত্তই, কাটাত-ব্ৰঞ্জ, কুমিটেত-সোণ, আংফিউ গগৈয়ে, কাটাত-সোণ, কুমিটেত-ব্ৰঞ্জ কুনাল নাথে, কাটাত-ৰূপ নৱাৰুণা পাঠকে, কাটাত-ৰূপ, কুমিটেত-ৰূপ, জাগ্ৰীত প্ৰতিম বৰাই, কুমিটেত-ৰূপ বৰ্ণীল দাসে, কুমিটেত-ব্ৰঞ্জ, শুভাষীনি দাসে, কাটাত-ব্ৰঞ্জ, কুমিটেত-ৰূপ, অভিজিৎ দত্তই, কুমিটেত-ব্ৰঞ্জ, কাব্যশ্ৰী হাজৰিকাই, কুমিটেত-ব্ৰঞ্জ, কৰবী ৰায়ে, কুমিটেত-ব্ৰঞ্জ, আয়ুস জ্যোতি হাজৰিকাই-কাটাত ব্ৰঞ্জ পদক লাভ কৰে। ভৈৰৱ ৰিঙ্কু বৰাই, কুমিটেত-সোণ, কাটাত-ৰূপ ডিয়া বড়োৱে, কুমিটেত-ৰূপ মেনকা দলে, কুমিটেত-ৰূপ, অপৰ্ণা বড়াই, কুমিটেত-ব্ৰঞ্জ পদক লাভ কৰে আৰু Assam State Championshipত ভেটাৰ্ণ মাষ্টাৰ্ছ, ৪৫-৫৫ কিলো, পুৰুষ শাখাৰ, কুমিটেত- ৰঞ্জিত ৰিঙ্কু বৰাই-সোণৰ পদক, জুনিয়ৰ ১৬-১৭ বছৰ, ল'ৰা শাখাৰ, কাটাত-ভৈৰৱ ৰিঙ্কু বৰাই-ৰূপৰ পদক, ১১বছৰ ল'ৰা শাখাৰ, -৩০কেজি কুমিটেত, ভাৰ্গৱ ৰিঙ্কু বৰাই-ৰূপৰ পদক, ৯বছৰ ছোৱালী শাখাৰ, -৩৫কেজি কুমিটে বিভাগত, নৱাৰুণা পাঠকে-ব্ৰঞ্জ পদক, ৭ বছৰ অনুৰ্ধৰ ছোৱালী শাখাৰ কুমিটে বিভাগত, প্ৰিয়াংক্ষী দত্তই-ব্ৰঞ্জ পদক, চিনিয়ৰ ১৮ বছৰ উৰ্ধৰ, ছোৱালী শাখাৰ কুমিটেত, মেনকা দলে-ব্ৰঞ্জ পদক প্ৰাপ্তিৰে একাডেমিৰ অৱধাৰিত গৌৰৱ অক্ষুণ্ণ ৰাখি সফলতা প্ৰাপ্তিৰে সন্মান কঢ়িয়াবলৈ সক্ষম হয়।


## সম্পাদকীয়

# ২০২৫ৰ বিদায় ঃ স্মৃতি, সংঘাত আৰু অপ্ৰাপ্তিৰ এটা বছৰ

২০২৫ চনটোৱে আজি ইতিহাসৰ পাতত ঠাই পাবলৈ সাজু। বিদায়ৰ এই মুহূৰ্তত এই বছৰটোৱে আমাক কেইবাটাও গভীৰ ৰেখাপাত কৰা ঘটনাৰে চিনাকি কৰাই গৈছে- কেইবাটাও আনন্দ-বিষাদ, উন্নতি-অধঃপতন আৰু ৰাষ্ট্ৰীয়-ৰাজ্যিক পৰিচয়ৰ সংকটৰ এটা বছৰ। অসমৰ পৰিসৰত এই বছৰটো এক গভীৰ সাংস্কৃতিক ক্ষতিৰে আৰম্ভ হৈছিল। জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ আকস্মিক মৃত্যুৱে ৰাজ্যখনক স্তম্ভিত কৰি পেলাইছিল। তেওঁ কেৱল এগৰাকী গায়ক নাছিল, অসমীয়া সাংস্কৃতিক চেতনাৰ এক জীৱন্ত প্ৰতীক আছিল। তেওঁৰ অবৰ্তমানতাই এটা শূন্যতা সৃষ্টি কৰিছে, যিয়ে যুগজুৰি থাকি যাব। অন্যহাতেদি, ৰাজ্যই কনচাৰ্ট পৰ্যটনৰ জৰিয়তে বিশ্বৰ মঞ্চলৈ আগবাঢ়িছিল। পোষ্ট মেলনৰ দৰে বিশ্বস্তৰীয় শিল্পীৰ আগমন আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ 'কনচাৰ্ট ইকনমি'ৰ ধাৰণাই অসমক সাংস্কৃতিক পৰ্যটনৰ এখন কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ সম্ভাৱনা দেখুৱাইছে। ইয়াৰ বিপৰীতে, তেজপুৰ বিশ্ববিদ্যালয়ৰ দীৰ্ঘদিনীয়া প্ৰতিবাদে উচ্চশিক্ষাৰ ক্ষেত্ৰত এক গভীৰ প্ৰশাসনিক সংকটক প্ৰকাশ কৰি তুলিছিল। উপাচাৰ্যৰ বিৰুদ্ধে উত্থাপিত অভিযোগ আৰু ছাত্ৰ-শিক্ষকৰ দীৰ্ঘম্যাদী আন্দোলনে শিক্ষানুষ্ঠানবোৰৰ সুস্থ প্ৰশাসনিক ব্যৱস্থাৰ প্ৰতি ৰাইজৰ আস্থা হ্ৰাস কৰা চিন্তাৰ বিষয় হৈ পৰিছে। ৰাষ্ট্ৰীয় পৰ্যায়ত, ২০২৫ চনটো সন্ত্ৰাসবাদ আৰু প্ৰতিহতৰ এক কঠোৰ বাস্তৱতাৰ সন্মুখীন হৈছিল। পহলগামৰ নিৰীহ পৰ্যটকৰ ওপৰত হোৱা নিৰ্মম সন্ত্ৰাসবাদী আক্ৰমণে কাশ্মীৰৰ 'স্বাভাৱিক অৱস্থা'ৰ ধাৰণাকেই প্ৰশ্নাংকিত কৰিছিল। এই আক্ৰমণৰ প্ৰতিশোধত ভাৰতে অপাৰেশ্যন সেন্দূৰৰ দৰে স্পষ্ট আৰু সক্ৰিয় কৌশল অৱলম্বন কৰিছিল। সীমান্ত পাৰ হৈ সন্ত্ৰাসবাদী ঘাঁটিসমূহ ধ্বংস কৰাৰ এই অভিযানে ভাৰতৰ নিৰাপত্তা নীতিৰ এক নতুন দৃঢ়তাৰ ইংগিত দাঙি ধৰিছে। কিন্তু, এই সামৰিক কাৰ্য্যৱলীয়ে দীৰ্ঘম্যাদী শান্তি প্ৰতিষ্ঠা কৰিব পাৰিব নে, সেয়াই এটা ডাঙৰ প্ৰশ্ন।

ৰাজনৈতিক প্ৰেক্ষাপটত 'ভোট চুৰি'ৰ অভিযোগেৰে বছৰটোৰ আৰম্ভণি হৈছিল আৰু বিহাৰ নিৰ্বাচনত বিজেপিৰ জয়ে ইয়াক আৰু তীব্ৰ কৰি তুলিছিল। এই বিতৰ্কে আমাৰ নিৰ্বাচনী প্ৰক্ৰিয়া আৰু প্ৰতিষ্ঠানসমূহৰ ওপৰত থকা আস্থাৰ বিষয়টোৱেই পুনৰ উত্থাপন কৰিলে। ২০২৫ চনটো অসম আৰু ভাৰতৰ বাবে এক মিশ্ৰিত পৰিণতি লৈ আহিছে। একেফালে সাংস্কৃতিক বিস্তাৰ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তাৰ দৃঢ়তাক লক্ষ্য কৰা হৈছে, আনফালে শিক্ষাৰ সংকট, ৰাজনৈতিক বিভাজন আৰু নিৰীহ লোকৰ হত্যাৰ দৰে মৰ্মান্তিক ঘটনাই আমাৰ সামূহিক মনক আঘাত কৰিছে। এই বছৰটোৱে আমাক শিকাইছে যে উন্নয়ন আৰু প্ৰগতিৰ যাত্ৰাত সামাজিক ন্যায়, প্ৰতিষ্ঠানিক স্বচ্ছতা আৰু মানৱীয় মূল্যবোধৰ প্ৰতি থকা দায়বদ্ধতা অপৰিহাৰ্য। ২০২৬ চনলৈকে আমাৰ এই শিক্ষাকে লৈ আগবাঢ়িবলৈ হ'ব, যাতে সংঘাত আৰু হতাশাৰ মাজৰ পৰাই সম্প্ৰীতি আৰু উন্নতিৰ এক নতুন প্ৰভাত উন্মোচন কৰিব পাৰি।

> আমাৰ পৃথিৱীত বাস কৰা সচৰাচৰ জনগোষ্ঠীয় সকল সমাজ প্ৰিয়। আমাৰ সমাজ ব্যৱস্থাটো হ'ল অবিৰতভাৱে অনুপম পৰিক্ৰমাৰ বান্ধোন। আমাৰ সমাজত দুখীয়া, মধ্যবিত্ত আৰু অভিজাত শ্ৰেণীৰ মানুহ আছে। ইয়াৰ আঁৰত ৰুচি অভীৰুচি অনুসৰি অভিজ্ঞতাৰে এটা পৰ্যায়ত মানুহৰ মাজত পৃথক পৃথককৈ বিলাসীতা, আনন্দ বিনোদনৰ মাজেদিয়েই দিনবোৰ অতিবাহিত কৰা হয়। অথচ মানুহে মানুহক মূল্যবোধ প্ৰদান কৰি জীয়াই থকাৰ এক সুকীয়া মৰ্যাদা প্ৰদান কৰা উচিত। তেনে স্থলত সমাজ অতন্ত্ৰ, বিচাৰক, আৰু সু-শৃংখলাবদ্ধভাৱে পৰিচালনা কৰি জাগ্ৰত মানুহৰ অভাৱ অপূৰ্ণতা দূৰ কৰি পূৰ্ণতা লাভ কৰিবলৈ সক্ষম হ'ব পাৰি।



# স্বাগতম ২০২৬

# নতুন আশা, নতুন প্ৰত্যাশা

### অনুজ য়েইন

ইংৰাজী নৱ-বৰ্ষক আদৰি জনোৱাৰ শুভক্ষণত কিছু পৰিৱেশ প্ৰাসংগিকতাৰ বিষয়ে লিখিবলৈ খোৰাক যোগালে। সাম্প্ৰতিক কালত বিভিন্ন ধৰণৰ কাৰ্য সূচীৰে কাঠফুলাৰ দৰে গঢ় লৈ উঠা স্থায়ী অস্থায়ীভাৱে অনুষ্ঠিত অনুষ্ঠানত নানা পৰিৱেশত সম্পন্ন কৰা দৃষ্টি গোচৰ হয়। বিশেষকৈ আমাৰ অসমৰ খিলঞ্জীয়া অসমীয়া ৰাইজৰ বাবে আজিৰ তাৰিখত আবতৰিয়া তথা বিজতৰীয়া প্ৰাচ্যাত্যৰ প্ৰভাৱত সকলো জনগোষ্ঠীয় জাতিৰ সৰ্বস্ব ম্লান কৰাৰ উপশম ঘটিব ধৰিছে।

অতীতৰ পৰম্পৰাগত ৰীতি-নীতি সমূহ ধূলিসাৎ মাৰি প্ৰাচ্যাত্যৰ আদৰ্শত অনুপ্ৰাণিত হৈ কিমান যুক্তিসংগত মতামতৰ বাবে আমি দায়ী। এয়াই হৈছে সচেতন মহলৰ চিন্তাবিদ সকলে এবাৰ হ'লেও পৰম্পৰাগত চহকী অসমীয়া কৃষ্টি সংস্কৃতিৰ অস্তিত্ব অক্ষুণ্ণ ৰক্ষাৰ্থে আমাৰ সামাজিক দায়বদ্ধতাৰ কৰ্তব্য বুলি বিবেচিত কৰাটোৱেই নিন্তাই প্ৰয়োজন সমাগত। ২০২৫ নৱ-বৰ্ষক আদৰি জনোৱাৰ চেগতে নতুনত্বৰ সন্ধানত ন-পুৰণি লেখক সকলৰ লেখাৰে বিভিন্ন দৈনিক কাকত, প্ৰকাশিত আলোচনীৰ পাতত প্ৰকাশিত হয়। কিন্তু কোনে কাৰ লেখা কিমান পঢ়ি অনুশোচনা কৰা হৈছে। নতুবা লেখা সমূহ পঢ়াৰ পাচত কোনোবাই কাৰ্য কৰী প্ৰদৰ্শন কৰা হৈছেনে নাই জ্ঞাত নহয়। গত ২০২৫ বৰ্ষক বিদায়ী ক্ষণত ১২ মাহৰ সময়ছোৱাত অৰ্থাৎ এবাৰ যদি গত বৰ্ষলৈ উভতি চালেই ধাৰাবাহিক ভাৱে বিভিন্ন পৰিৱেশ পৰিস্থিতিৰ অনুপাতে নানা দুৰ্ঘটনাগ্ৰস্ত সংঘটিত, প্ৰাকৃতিক দুৰ্যোগ আনকি অসম তথা ভাৰতবৰ্ষত ভিন্ন ৰাইজত বিভিন্ন কাৰণত গোষ্ঠী সংঘৰ্ষ, সন্ত্ৰাসবাদী, বোমা বিস্ফোৰণ, হত্যা লুণ্ঠন, কটা কটি ঘৰুৱা কন্দল, পাৰিবাৰিক অশান্তিৰ বাল্য বিবাহ প্ৰভাৱ, অন্ধ বিশ্বাসৰ আঁৰত থাকি লগতে আত্মহত্যা ইত্যাদি আজিৰ তাৰিখত বহুলোকে দোষী আৰু নিৰ্দোষী জনতাই মৃত্যুক আকোঁৱালি ল'ব লগীয়া হৈছিল। মোৰ বোধেৰে হয়তো আপোনালোকে জীৱনৰ বাটত এদিন নিশ্চিত দৃষ্টি গোচৰ হৈছে। সঁচা অৰ্থত অপ্ৰীয় হ'লেও যেনেকৈ কিছুমান আকস্মিক ঘটনাৰাজীবোৰ সঁচাকৈয়ে মচিব নোৱাৰা এক হৃদয় বিদাৰক ছবি সাঁচ বহুৱাই গ'ল। এনেধৰণৰ অপৰাধ মূলক মানৱ দুৰ্যোগ আৰু প্ৰাকৃতিক দুৰ্যোগৰ ছবিসমূহ মনত পৰিলে নৱবৰ্ষৰ শুভক্ষণত অতীতক সোঁৱৰি কেকুৰীত উচুপনী- উঠে হাজাৰ জনতাৰ অন্তৰ।

সাম্প্ৰতিক কালছোৱাত আধুনিক মানুহৰ জীৱন যাত্ৰাৰ পদ্ধতি সমূহ ব্যক্তিক্ৰম কিছু দেখা যায়। আধুনিক যুগত বিজ্ঞান সন্মত প্ৰণালীৰে বৰ্তমানৰ আদৰ্শখিনি গ্ৰহণ কৰা ফলস্বৰূপে উন্নত মানদণ্ডৰ প্ৰয়োগ কৰিছে যদিও জীৱন সংগ্ৰামত এখোজ বাঢ়ি গলেও বিজ্ঞানৰ অবদানে অভিশাপ হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। অতীতৰ সঁচা ৰীতি-নীতি সম্পৰ্কীয় মানৱতাৰ গুণ অনুসৰণ কৰিহে ইজনে সিজনক আত্মীয়তাৰ ভাৱ বিনিময়, মৰম-স্নেহ আৰু শ্ৰদ্ধা ভক্তি, মানৱ জীৱনৰ শ্ৰেষ্ঠতম মূল্যবোধ প্ৰদান কৰি জীৱনৰ এছোৱা কাল আগবাঢ়ি যায়। এনে এটা স্বৰ্গ ভূমিত যদিহে সন্ত্ৰাসবাদী, গোষ্ঠী সংঘৰ্ষ, নিকৃষ্টমানৰ হত্যালীলা, আকস্মিকভাৱে পথ দুৰ্ঘটনা পতিত হোৱা, পানীত সলীল সমাধি আৰু প্ৰাকৃতিক দুৰ্যোগত বহু নিৰপৰাধী জনসাধাৰণে মৃত্যুৰ শীতল কোলাত অকালতে অকাৰণে শুই পৰিল, বহু সাধাৰণ জনতা। হয়তো কাৰোবাৰ একমাত্ৰ ল'ৰা এজন, ছোৱালী এজনীক লৈ ঘৰ সংসাৰ সপোন ৰচিবলৈ আৰম্ভণি কৰা হৈছিল। অকালতে পুত্ৰ, কন্যাক হেৰুৱাইছে, আনকি ইফালে হয়তো কাৰোবাৰ পিতৃ মাতৃক হেৰুৱাইছে। নিজা আপোনজনক হেৰোৱাই কিমান দুখৰ বোজাখিনি বব লগা হৈছিল। তেওঁ কিমান ভুক্ত ভুগী হৈ আছে। তেৰেঁই উপলব্ধ কৰিছে। এযাৰ কথা আছে, পাই এৰোৱা বেদনা নাপাই হতাশাত ভোগা মানুৱ জীৱনৰ স্পৃহা পৃথিৱীত অলেখ লেখ আছে। যিজনে ভুক্ত ভুগী তেৰেঁই জানে জীৱনটোৰ মানসিকতাৰ ভাৰসাম্যতাৰ জুখমাখ। প্ৰকৃততে তেওঁলোকৰ অন্তৰত দুখৰ বোজাখিনি কিমান গধূৰ। দুখৰ সাগৰত ডুবি যোৱা জনেহে উপলব্ধি কৰিব পাৰি। আচলতে দুখৰ ৰাতি তেওঁলোকৰ বাবে সোনকালেই ৰাতি নু-পুৱাই, ঠিক আন্ধাৰ গহ্বৰত ৰুদ্ৰ স্বাস নিঃসীম শূন্যতা।

সাধাৰণতে কবলৈ গ'লে যিসকলে অপৰাধ মূলক কাৰ্যত জড়িত থকা দুস্কৃতি ব্যক্তিক চিনাক্ত কৰি বিহিত ব্যৱস্থাৰে শাস্তি প্ৰদান কৰা যাহক। আমাৰ সচেতন মহলৰ জনতাই মাৰ বান্ধি থিয় দি ধ্বংসৰ গৰাসত পৰিণত কৰিব লাগে। এনেধৰণৰ নিকৃষ্ট কাৰু কাৰ্য আমাৰ মাজৰ পৰা নিপাত যাহঁক পুনৰাবৃত্তি যেন নহয় তাৰ বাবে নিয়তিৰ ওচৰত সদায় প্ৰাৰ্থনা কৰিছোঁ। আমি আশাকৰোঁ যে দুখীয়া দৰিদ্ৰতাৰ সীমা ৰেখাত বাস কৰা এচাম দূৰ্ভগ্যীয়া জনতাই জীৱন নিৰ্বাহ ক্ষেত্ৰত শান্তিৰে এসাঁজ খাই ৰাতি সুৰক্ষিত হওক। কোনো দুস্কৃতিকাৰীয়ে যেন ব্যাঘাত নজন্মাই। ইয়াৰ আঁৰত বাস কৰা এচাম যুক্তিবাদী আৰু গণমুখী চিন্তা চৰ্চা কৰা ব্যক্তিসকলৰ মাজত কিছুমান স্বাভাৱিকতে সমস্যা সমাধান কেতিয়াও নহয়। প্ৰায় বয়সত ৭০ ৰ পৰা ৯৫ বছৰৰ বৃদ্ধ, বৃদ্ধা, অবিবাহিত, বিধবা আই মাতৃ ক'কা আইতাকৰ, খুড়া খুড়ী আদি বহু জনৰ পাবলগীয়া প্ৰাপ্যখিনি বিশেষকৈ প্ৰঞ্চনৰ কথাখিনি সময়ত নোপোৱাকৈ কিছুমান ব্যক্তি মৃত্যুক আকোঁৱালি লোৱা দেখা যায়। সেয়ে বৰ্তমানৰ চৰকাৰ ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত বিভিন্ন ধৰণৰ আঁচনি ৰূপায়ণত কাৰ্যকৰী হ'ব লাগে। নিৰাশাজনক তথা শিক্ষিত নিবনুৱা সমস্যাখিনি দূৰীকৰণৰ ব্যৱস্থা কৰা যাহক। ইয়াৰ উপৰিও আকস্মিক ভাৱে সংকটজনক আহত পংগু সকলৰ বাবে কিবা কৰি খাব পৰা সুবিধা প্ৰদান কৰা হওক। আনহাতে চৰকাৰৰ পৰা আত্ম সহায়ক মহিলা গোট তথা পুৰুষ সকলৰ বাবে আমাৰ চহা গএঁা ৰাইজৰ বিভিন্ন ক্ষেত্ৰত ঋণ লৈ সময়ত পৰিশোধ কৰিব নোৱাৰি বহু সমস্যা সন্মুখীন হয়। পৰৱৰ্তীকালত, শেহতীয়াকৈ বহুকেইজন উদীয়মান যুৱক যুৱতীৰ বাবে ও কিষাণ, অৰুণোদয় ইত্যাদি আঁচনী সমূহ প্ৰদান কৰি যৎকিঞ্চিৎ সন্তুষ্টিৰে এখোজ আগুৱাই নিয়াৰ ক্ষেত্ৰত সাহস যোগোৱা দৃষ্টি গোচৰ হয়। তেওঁলোকৰ এশ এবুৰি সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ যেন নৱ বৰ্ষৰ শুভক্ষণত শান্তিৰ বাৰ্তাৰ সংস্পৰ্শত টেনচনবোৰ নিমিষতে ধুই পেলাওঁক। নতুন বছৰটি যেন নতুনত্বৰ ৰঙীন আভাৰে আলোকিত কৰক। এয়াই কামনা কৰি হাজাৰ জনতাৰ মাজত এসাঁজ প্ৰীতি ভোজ খুওৱাৰ আপাহতে উদ্বিগ্ন হৈ নৱবৰ্ষটি অনুষ্টুপিয়াকৈ আদৰি জনোৱা হয়।

আনহাতে, আশা আছিল জীৱিত কালতে সকলোৱে সৰু বৰ সপোনৰ কথা পুহি ৰাখে। হয়তো পিতৃ মাতৃয়ে ল'ৰা ছোৱালীহঁতক পঢ়োৱাই, তেওঁলোকক পঢ়াৰ কেঢ়িয়াৰ গঢ় দিয়াৰ পিছত কিবা এটা নিজকে সৌভাগ্য ক্ৰমে নিজৰ ভৰিত নিজে থিয় দি কিবা সংস্থাপন লাভ কৰিবলৈ সক্ষম হ'বলৈ সকলোৱে অভিভাৱক হিচাপে হাত উজান দিবলৈ আগৰণুৱা হয়। কিন্তু অকালতে পুত্ৰ কন্যাক হেৰুৱাই ভৱিষ্যতৰ সৰু বৰ সপোনখিনি আধাৰুৱা হৈ কলিতে মৰহি যায়। আমি যদিহে পাঁচ মিনিটৰ বাবে চকু মুদি গত বছৰৰ দিনবোৰলৈ উভতি চাওঁ প্ৰায় ৯০শতাংশ নিকৃষ্ট মানৰ আক্ৰমণৰ কাৰুকাৰ্য সংঘটিত হোৱা পৰিলক্ষিত হৈছে। এনেবোৰ কাৰ্য সমূহৰ সমাধান সূত্ৰ বিচাৰি বুদ্ধি জীৱি এচাম জনতাক প্ৰশ্ন বানৰ আক্ষেপ ব্যক্ত কৰিছে। সেয়ে সাম্প্ৰতিক কালত প্ৰচলিত সমাজৰ জনসাধাৰণৰ মাজত বিপ্লৱৰ বীজ ৰূপণ কৰিবলৈ খোৰাক যোগাইছে। এহাতে আধুনিক যুগৰ মৰণাস্ত্ৰ সঁজুলিবোৰ সন্ত্ৰাসবাদৰ ব্যৱহাৰ কৰা বন্দুক, বাৰুদ, গ্ৰেণেট, বোমা বিস্ফোৰণত হত্যা লীলা আদি ব্যৱহাৰ কৰা সজুঁলি বোৰ বিজ্ঞানৰ অবদানে আশীৰ্বাদৰ বিপৰীতে মানৱ জীৱনৰ বাবে এক নিষ্ঠুৰ ভয়ানক সংকট জনক আৰু অভিশাপস্বৰূপ হিচাপে চিহ্নিত হৈছে।

আমাৰ পৃথিৱীত বাস কৰা সচৰাচৰ জনগোষ্ঠীয় সকল সমাজ প্ৰিয়। আমাৰ সমাজ ব্যৱস্থাটো হ'ল অবিৰতভাৱে অনুপম পৰিক্ৰমাৰ বান্ধোন। আমাৰ সমাজত দুখীয়া, মধ্যবিত্ত আৰু অভিজাত শ্ৰেণীৰ মানুহ আছে। ইয়াৰ আঁৰত ৰুচি অভীৰুচি অনুসৰি অভিজ্ঞতাৰে এটা পৰ্যায়ত মানুহৰ মাজত পৃথক পৃথককৈ বিলাসীতা, আনন্দ বিনোদনৰ মাজেদিয়েই দিনবোৰ অতিবাহিত কৰা হয়। অথচ মানুহে মানুহক মূল্যবোধ প্ৰদান কৰি জীয়াই থকাৰ এক সুকীয়া মৰ্যাদা প্ৰদান কৰা উচিত। তেনে স্থলত সমাজ অতন্ত্ৰ, বিচাৰক, আৰু সু শৃংখলাবদ্ধ ভাৱে পৰিচালনা কৰি জাগ্ৰত মানুহৰ অভাৱ অপূৰ্ণতা দূৰ কৰি পূৰ্ণতা লাভ কৰিবলৈ সক্ষম হ'ব পাৰি। যিহেতু মানুহক মনুষ্যত্বৰূপে উপলব্ধি কৰিব দিয়ক, মানুহক সাহসেৰে শক্তিশালী হ'বলৈ দিয়ক, ইজনে সিজনক সহানুভূতিৰে জীপাল কৰক, অভাৱ অভিযোগখিনি বুজি পায় সংঘবদ্ধ হৈ সমাধান কৰা যাহক। মানুহৰ মাজত সুখৰ সংভেদ প্ৰদান কৰা, নিৰাপত্তা সংগ্ৰাম আৰু ৰক্ষাণা বেক্ষণৰ মাজত সুমধুৰ জীৱন গঢ়াৰ কৌশল নিশ্চিত কৰক। মুঠতে মানুহ সকলো জীৱৰ ভিতৰত পৰিচালীকা শক্তিৰ শ্ৰেষ্ঠ জীৱ। মানুহ নামৰ প্ৰাণীয়ে নিজক আৰু আনক নিয়ন্ত্ৰণ কৰিব পাৰি। এয়াই মানৱ জীৱনৰ সংজ্ঞা।

এইখিনিতে, এক স্মৰণীয় দিন অনাগত দিনবোৰত আমাৰ জীৱনৰ বাটত সদায় দেখিবলৈ পোৱা যায়। এটা বছৰ অতীত হোৱা মানে নৱবৰ্ষৰ শুভক্ষণত জানুৱাৰী মাহৰ পৰা ধৰি ফেব্ৰুৱাৰী মাহলৈকে উখল মাখলৰ পৰিৱেশত পাশ্চাত্যৰ আৰ্হিৰে অনুপ্ৰাণিত হৈ ইংৰাজী নৱবৰ্ষক আদৰি জনোৱা হয়। অনুষ্টুপিয়াকৈ হ'লেও বিভিন্ন পৰ্যটকৰ ঠাই বিলাকত প্ৰীতিভোজ, নতুনক আদৰা, এসাঁজ তৃপ্তিৰে মদ, মাংসৰে জুতি লগাই খোৱা, বিলাতী মদত মুখ গুজি, চিগাৰেট সেৱন কৰা আনকি চিকৰ, চিকেনেচাৰ ইত্যাদি নিচাযুক্ত পানীয় দ্ৰব্য সেৱনৰ ফলত নৱ প্ৰজন্মৰ বিশৃংখলতাৰ প্ৰভাৱ সকলোৱে দৃষ্টিগোচৰ হৈছে। আনকি বৰ দিন অৰ্থাৎ খ্ৰীষ্টমাছ ডিচেম্বৰ মাহৰ শেষত ২৫তাৰিখে শুভাৰম্ভ কৰা হয়। আগৰ দিনত চিঠি, গ্ৰীটিংছ কাৰ্ড প্ৰীতি ভৰা মৰম আসলুৱা উপহাৰৰ সৰবৰাহ প্ৰচলিত আছিল। আজিৰ তাৰিখত প্ৰতিগৰাকীৰ হাতত ম'বাইল হেন্দছেক থাকে। মন গ'লে এছমেছ প্ৰেৰণ কৰা হয়। ক'ত কেতিয়া কেনেকৈ লগ ভাগ হ'ম ইত্যাদি কথা ম'বাইল যোগেদিয়েই আদান প্ৰদান কৰিবলৈ উপলব্ধ হ'ল। এনেকৈয়ে আমূল পৰিৱৰ্তনকামী যুৱক যুৱতীৰ সৈতে মন স্পৰ্শকাতৰ ওচৰ চপাত কিছু একাংশ শুভাকাংক্ষী অভিভাৱক সকলে অনুমতি তথা উৎসাহিত কৰা পৰিলক্ষিত হৈছে। অধিক আধুনিকতাৰ পৰিৱেশত এনেধৰণৰ প্ৰাচ্যাত্যৰ কৰ্মৰাজীয়ে এক আনন্দ বিনোদন জীৱনৰ বিপৰীতে বেলেগ দিশলৈ গতি কৰিব পাৰি। তথাপি নতুন বছৰটি যেন জীৱনৰ পৰিক্ৰমাৰ মাদকতা, অফুৰন্ত শক্তি সঞ্চাৰ, মন পছন্দৰ সৈতে সংগী নিৰ্বাচিত কৰা ইত্যাদি বিষয়ে বিশ্লেষণ কৰাৰ সময় উপযোগীকৈ মুকলি আহ্বান সমাগত। শেষত প্ৰত্যাহ্বান জনাই আহ্বান জনোইছো যে জাগি শুবা বাচি খাবা। আমি আমাৰ আপোন জনক গত বৰ্ষত অকালতে বহুলোকক এৰোৱাব লগা হল। আপোন জনক হেৰুৱাই মৰ্মান্তিক হৃদয়খন শুদা হ'ল বহু হাজাৰ জনতাৰ আহত হৈ পংগু হ'ল। আমাৰ মাজৰ পৰা অকালতে বৈকুণ্ঠ ধামলৈ গতি কৰিলে তেখেত সকলৰ আত্মাৰ সদগতিৰ কামনা কৰিলোঁ। তেখেত সকলৰ সমূহ পৰিয়ালবৰ্গলৈ গভীৰ ভাৱে সমবেদনা জ্ঞাপন কৰিলোঁ। নতুন বছৰটি যেন জীৱন পৰিক্ৰমাৰ এক উত্তৰণৰ পথত অবিৰতভাৱে সুদূৰ ভৱিষ্যতৰ অভিযান অধ্যায় সূচনা কৰক।

# বিকাশৰ গতি আৰু সাংস্কৃতিক শূন্যতা

## ২০২৫ চনৰ অসম

### সত্যব্ৰত বৰা

২০২৫ চনটো অসমৰ বিকাশৰ যাত্ৰাৰ এক গুৰুত্বপূৰ্ণ বৰ্ষ হিচাপে চিহ্নিত হৈ ৰ'ব। এই বৰ্ষটোত ৰাজ্যখনে সংযোগ ব্যৱস্থাৰ উন্নয়ন, অৰ্থনৈতিক বৃদ্ধি, পৰ্যটনৰ প্ৰসাৰ আৰু সাংস্কৃতিক কাৰ্যকলাপৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। যদিও বৰ্ষটোৰ শেষৰ ফালে কেইগৰাকীমান প্ৰিয় ব্যক্তিৰ মৃত্যুৱে গভীৰ শোকৰ ছাঁ পেলাইছে, তথাপি অসমে স্থিৰ গতিৰে আগবাঢ়ি গৈছে আৰু নতুন আত্মবিশ্বাসেৰে ভৱিষ্যতৰ দিশে চাইছে। ২০২৫ চনটোৱে অসমক উত্তৰ-পূবৰ দুৱাৰমুখ হিচাপে অধিক শক্তিশালী কৰি তুলিছে আৰু ভাৰতৰ বিকশিত ৰাষ্ট্ৰৰ সপোনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সাজু কৰিছে।

বৰ্ষটোৰ আৰম্ভণিতে ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত 'এডভাণ্টেজ অসম ২.০' বিনিয়োগ আৰু সংযোগ শৃংখলা সন্মিলনে ৰাজ্যখনৰ অৰ্থনীতিক নতুন গতি প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰা এই সন্মিলনত প্ৰায় ৪.৯১ লাখ কোটি টকাৰ বিনিয়োগ প্ৰস্তাৱ স্বাক্ষৰিত হৈছে। চাহ, পৰ্যটন আৰু বাণিজ্যৰ লগতে সংযোগ ব্যৱস্থা, উদ্যোগ আৰু বিনিয়োগৰ ওপৰত গুৰুত্ব দি এই সন্মিলনে অসমক দক্ষিণ-পূব এছিয়াৰ সৈতে সংযোগ কৰাৰ নতুন পথ মুকলি কৰিছে। টাটা, আদানী আৰু অন্যান্য ডাঙৰ কোম্পানীৰ প্ৰতিশ্ৰুতিয়ে অসমৰ উদ্যোগীকৰণক ত্বৰান্বিত কৰিছে। এই বিনিয়োগে নতুন কৰ্মসংস্থানৰ সৃষ্টি কৰি যুৱশক্তিক নতুন সম্ভাৱনা প্ৰদান কৰিব আৰু ৰাজ্যৰ অৰ্থনীতিক দ্বিগুণ কৰাৰ লক্ষ্যত অৱদান আগবঢ়াব।

সংযোগ ব্যৱস্থাৰ উন্নয়ন ২০২৫ চনৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ আছিল। ডিচেম্বৰ মাহত প্ৰধানমন্ত্ৰীয়ে উদ্বোধন কৰা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱনটোৱে অসমৰ সংযোগক নতুন মাত্ৰা দিছে। বাঁহ আৰু কপৌ ফুলৰ পৰা প্ৰেৰণা লৈ নিৰ্মিত এই আধুনিক টাৰ্মিনেলে বছৰি ১.৩ কোটি যাত্ৰীক সেৱা আগবঢ়াব পৰা ক্ষমতাৰে অসমক আন্তৰ্জাতিক পৰ্যায়ত স্থাপিত কৰিব। উক্ত টাৰ্মিনেলে কেৱল যাতায়াত সহজ কৰাই নহয়, পৰ্যটন আৰু বাণিজ্যকো উৎসাহিত কৰিছে। লগতে, ব্ৰহ্মপুত্ৰ নদীত নতুন ঘাট আৰু টাৰ্মিনেলৰ উন্নয়নে নদীপথৰ সম্ভাৱনাক জাগ্ৰত কৰিছে। হাজাৰ হাজাৰ কিলোমিটাৰ নতুন ৰাস্তা আৰু দলং নিৰ্মাণে গ্ৰাম্য অঞ্চলক নগৰৰ সৈতে সংযোগ কৰিছে। ফলত সামগ্ৰীৰ পৰিবহণ সহজ হ'ব আৰু অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি পাব।



পৰ্যটন খণ্ডই ২০২৫ চনত অভূতপূৰ্ব বৃদ্ধি লাভ কৰিছে। নিউয়ৰ্ক টাইমছৰ শ্ৰেষ্ঠ গন্তব্যস্থানৰ তালিকাত অসমে উল্লেখযোগ্য স্থান লাভ কৰিছে। কাজিৰঙা, মানস আৰু মাজুলীৰ দৰে স্থানত পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে ইক'-ৰিজৰ্ট আৰু লাক্সাৰী হোটেলৰ উন্নয়নে অসমক বিশ্ব পৰ্যটন মানচিত্ৰত স্থান দিছে। চাহ পৰ্যটন আৰু সাংস্কৃতিক উৎসৱৰ প্ৰচাৰে স্থানীয় অৰ্থনীতিক শক্তিশালী কৰিছে। পৰ্যটন বৃদ্ধিয়ে কেৱল ৰাজহ বৃদ্ধি কৰাই নহয়, অসমৰ ঐতিহ্য আৰু প্ৰকৃতিৰ সৌন্দৰ্যক বিশ্বৰ আগত প্ৰকাশ কৰিছে।

সাংস্কৃতিক ক্ষেত্ৰতো ২০২৫ চনত এক গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আৰম্ভণি হৈছে। সেয়া হৈছে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাঁও জিলাৰ বৰদোৱাত এই বিশাল প্ৰকল্পৰ কাম আৰম্ভ হৈছে। প্ৰায় ৫০০ কোটি টকাৰ এই প্ৰকল্পত এক আধুনিক সংগ্ৰহালয়, থিয়েটাৰ, গ্ৰন্থাগাৰ, অতিথিশালা আৰু সাংস্কৃতিক প্ৰদৰ্শনী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব। বটদ্ৰৱা থানক বিশ্বমানৰ তীৰ্থস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই প্ৰকল্পই অসমৰ বৈষ্ণৱ সংস্কৃতি আৰু শংকৰদেৱৰ দৰ্শনক বিশ্বৰ আগত প্ৰচাৰ কৰিব। উক্ত প্ৰকল্পই পৰ্যটনকো উৎসাহিত কৰিব আৰু স্থানীয় লোকৰ বাবে নতুন কৰ্মসংস্থানৰ সৃষ্টি কৰিব। শংকৰদেৱৰ নামঘৰ, সত্ৰ পৰম্পৰা আৰু অংকীয়া ভাওনাৰ ঐতিহ্যক সংৰক্ষণ কৰি এই কেন্দ্ৰই অসমৰ সাংস্কৃতিক পৰিচয়ক নতুন প্ৰজন্মৰ আগত জীৱন্ত কৰি ৰাখিব।

শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰতো ধাৰাবাহিক অগ্ৰগতি হৈছে। নতুন চিকিৎসা মহাবিদ্যালয় আৰু জিলা চিকিৎসালয়ৰ সম্প্ৰসাৰণে গ্ৰাম্য অঞ্চলত স্বাস্থ্যসেৱা উন্নত কৰিছে। ডিজিটেল শাসন আৰু দক্ষতা বিকাশৰ কাৰ্যসূচীয়ে যুৱশক্তিক সবল কৰিছে। পৰিৱেশ সংৰক্ষণৰ দিশতো সচেতন পদক্ষেপ লোৱা হৈছে, যেনে সেউজ শক্তিৰ প্ৰকল্প আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ হ্ৰাসৰ কাৰ্যক্ৰম।

কিন্তু এই উন্নয়নৰ মাজতো ২০২৫ চনটো অসমৰ বাবে গভীৰ শোকৰ বৰ্ষ হৈ পৰিছে। সাংস্কৃতিক জগতৰ কেইগৰাকীমান মহান ব্যক্তিৰ মৃত্যুৱে ৰাজ্যখনক শোকসাগৰত ডুবাইছে। ছেপ্টেম্বৰ মাহত ছিংগাপুৰত অতি ৰহস্যজনকভাৱে মৃত্যু হোৱা জুবিন গাৰ্গৰ ঘটনাই সমগ্ৰ অসমক স্তব্ধ কৰি তুলিছে। অসমৰ সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ সংগীতে ধৰ্ম-জাতিৰ সীমা অতিক্ৰম কৰি সকলোকে একত্ৰিত কৰিছিল। তেওঁৰ অকাল মৃত্যুৱে কেৱল সাংস্কৃতিক ক্ষেত্ৰখনতে নহয়, ৰাজনৈতিক আৰু সামাজিক জীৱনতো গভীৰ প্ৰভাৱ পেলাইছে। তেওঁৰ মৃত্যুৰ ৰহস্যৰ তদন্ত আৰু জনতাৰ প্ৰতিবাদ বৰ্ষটোৰ উল্লেখযোগ্য ঘটনা আছিল। জুবিনৰ গীতে অসমৰ আৱেগক প্ৰকাশ কৰিছিল আৰু তেওঁৰ অনুপস্থিতিয়ে এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিছে।

নৱেম্বৰ মাহত অসমৰ আন এক সাংস্কৃতিক ৰত্ন, প্ৰখ্যাত বাঁহীবাদক দীপক শৰ্মাৰ মৃত্যুৱে ৰাজ্যখনক আৰু শোকাচ্ছন্ন কৰি তুলিছে। দীপক শৰ্মাৰ বাঁহীৰ সুৰে অসমৰ লোকসংগীতক আন্তৰ্জাতিক মঞ্চত প্ৰতিষ্ঠা কৰিছিল।

ডিচেম্বৰ মাহত অসম ট্ৰিবিউনৰ সম্পাদক আৰু পদ্মশ্ৰী বঁটা প্ৰাপক প্ৰফুল গোবিন্দ বৰুৱাৰ মৃত্যুৱে সাংবাদিকতাৰ জগতখনত গভীৰ শোকৰ সৃষ্টি কৰিছে। প্ৰফুল গোবিন্দ বৰুৱাই দশকৰ পিছত দশক ধৰি অসমৰ সাংবাদিকতাক নীতি আৰু সততাৰে পৰিচালিত কৰিছিল। তেওঁৰ নেতৃত্বত অসম ট্ৰিবিউনে উত্তৰ-পূবৰ সৰ্ববৃহৎ আৰু বিশ্বাসযোগ্য কাকত হিচাপে স্থান লাভ কৰিছিল। সাহিত্য, শিক্ষা আৰু সমাজসেৱাতো তেওঁৰ অৱদান অপৰিসীম আছিল।

তদুপৰি ৰাজীৱ শদিয়া, গায়ত্ৰী হাজৰিকা, অনুভৱ তুলসী, জ্ঞানদা কাকতি তথা চৈয়দ চাদুল্লাৰ দৰে ব্যক্তিৰ মৃত্যুৱে অসমৰ সাংস্কৃতিক আৰু বৌদ্ধিক জগতখনত গভীৰ শূন্যতাৰ সৃষ্টি কৰিছে। তেওঁলোকৰ অনুপস্থিতিয়ে ৰাজ্যখনক শোকাচ্ছন্ন কৰিলেও তেওঁলোকৰ অৱদান চিৰকাল জীৱন্ত হৈ ৰ'ব। এই শোকৰ মাজতো অসমে তেওঁলোকৰ পৰা পোৱা প্ৰেৰণাৰে আগবাঢ়ি যাব।

২০২৫ চনটো আছিল বিভিন্ন ক্ষেত্ৰত অগ্ৰগতি আৰু শোকৰ মিশ্ৰণ। অন্তৰ্ভুক্তিমূলক বিকাশ, পৰিৱেশ সংৰক্ষণ আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি সজাগতাৰে ৰাজ্যখনে নতুন দিগন্তৰ ফালে আগবাঢ়িছে। অসম এতিয়া কেৱল উত্তৰ-পূবৰে নহয় সমগ্ৰ ভাৰতৰ বিকাশৰ গুৰুত্বপূৰ্ণ অংশীদাৰ হৈ উঠিছে। অসমৰ ভৱিষ্যত উজ্জ্বল আৰু সম্ভাৱনাপূৰ্ণ।

# নৱবৰ্ষৰ বনভোজ আনন্দময় হওক

### খগেশ্বৰ দাস

ইংৰাজী নৱবৰ্ষ বুলি ক'লেই প্ৰতিজন মানুহৰ মনলৈ আহে এক নতুন আশা, নতুন উদ্দীপনা, নতুন সম্ভাৱনাময় আনন্দৰ বতৰা। বছৰজোৰা প্ৰতীক্ষাৰ অন্তত, পুৰণি বছৰক বিদায় দি আনন্দময় পৰিৱেশে বিৰাজ কৰে জীৱকুলৰ প্ৰতিজন মানুহৰ মনলৈ। পুৰণি বছৰ বিচাপে থাকি যায় কাৰোবাৰ বাবে বিষাদৰ বছৰ' আন কাৰোবাৰ বাবে হৈ পৰে প্ৰাপ্তিৰ বছৰ। দুখ বেদনা পৰিহাৰ কৰি সমাজৰ প্ৰতিজন মানুহ নৱবৰ্ষক আদৰণি জনাবলৈ ব্যস্ত হৈ থাকে হেতা-ওপৰা। ইপিনে, নৱবৰ্ষ অহাঁৰ লগে লগেই অসমীয়া সমাজত আহি পৰে হেঁপাহৰ ভোগালী বিহু। অন্যহাতে এই বতৰত সকলোৱে মাজত বনভোজ অথবা পিকনিক খোৱাৰ উঠে জোৱাৰ।

আমি এটা কথা সকলোৱে জানো যে সমাজৰ প্ৰতিজন ব্যস্ততাপূৰ্ণ মানুহে একত্ৰিত হৈ নিজ নিজ কৰ্মস্থলিৰ সহকৰ্মী, সহপাঠী, পৰিয়াল বা বন্ধু-বান্ধৱৰ সৈতে লগ হৈ ব্যস্ত একঘেয়ামী জীৱনৰ কোলাহল পৰিহাৰ কৰি শান্তিময় স্থান বিচাৰি প্ৰাকৃতিক পৰিৱেশৰ কোনো এখন বিশেষ ঠাইত এটা দিন নিৰ্দিষ্ট কৰি আনন্দ ফুৰ্তিৰ মন লৈ হেঁপাহৰে উপভোগ কৰিব খোজা নৱবৰ্ষৰ বনভোজ। দৰাচলতে, এনে বনভোজৰ ঠাই বা 'পিকনিক স্পট'বোৰ কোনো নৈ বা পাহাৰীয়া জান-জুৰিৰ আশে পাশে, প্ৰকৃতিৰ বুকুত থকা দেখা যায়। প্ৰতিবছৰে ডিচেম্বৰৰ শেষৰফালে আৰম্ভ হৈ জানুৱাৰীৰ প্ৰথম দিনতেই প্ৰায় সমগ্ৰ মাহটো ভিন্ন ঠাই উপলব্ধ হৈ পৰে বনভোজৰ ক্ষেত্ৰস্থল হিচাপে। একো একোটা বনভোজস্থলীত অসংখ্য দলেৰে উপচি থাকে চৌদিশে কেৱল মানুহ আৰু মানুহ। এক কথাত বনভোজৰ ইংৰাজী প্ৰতিশব্দ (Picnic)। বনভোজ বা পিকনিক মানে প্ৰাকৃতিক পৰিৱেশত থকা যেনে পৰ্যটনস্থলি হিচাপে নানা ধৰণৰ উদ্যান, নদীৰ পাৰ বা পাহাৰৰ দাঁতিত বা কাষত থকা, নিজৰ মনৰ মানুহ, বন্ধু-বান্ধৱ বা, ডেকা গাভৰু, যুৱক - যুৱতী আদি পৰিয়ালৰ সৈতে মিলিজুলি খোৱা-বোৱা কৰা নানা ব্যঞ্জনৰ এক আনন্দময় পৰিৱেশৰ সম্প্ৰীতিৰভোজৰ আনুষ্ঠানিক অনুষ্ঠান। বনভোজ ব্যস্ত জীৱনৰ পৰা অলপ আঁতৰি প্ৰকৃতিৰ সৈতে বিলীন হৈ কাণে কাণে মনৰ কথা পাতি স্ফূৰ্তি লোৱাৰ এক অনন্য সুযোগ। য'ত, নেকি সাধাৰণতে ঘৰৰ পৰা লৈ যোৱা হয় বিভিন্ন ধৰণৰ সু-স্বাদৰ খাদ্য আদি তৈয়াৰ কৰি এজনে আনজনৰ মুখলৈ চাই খোৱা হয় বনভোজ। এই বনভোজক বিশেষকৈ ডিচেম্বৰ-জানুৱাৰী মাহত হোৱাৰ বাবে ইয়াক "বালিভাত" বুলিও কোৱা হয় আমি এই কথা সকলোৱে জানো।

বনভোজৰ প্ৰধান উদ্দেশ্যই হৈছে প্ৰাকৃতিক পৰিৱেশৰ সৌন্দৰ্য উপভোগ কৰা। প্ৰকৃতিৰ বুকুত বিলীন হৈ মনোমোহা দৃশ্যৰ কাষত থিয় দি প্ৰকৃতিৰ নানন্দনিক দৃশ্য উপভোগ কৰা। এই বনভোজে মানৱ সমাজত সামাজিক সম্পৰ্ক দৃঢ় কৰাত যথেষ্ট সহায় কৰে। যেনে একো একোটা পৰিয়াল, সহপাঠী বন্ধু-বান্ধৱ অথবা সহকৰ্মীৰ সৈতে একলগ হৈ সম্পৰ্ক গঢ়ি তোলা আৰু সৌহাৰ্দ্য স্থাপন কৰি পৃথিৱীত জীয়াই থকা। বনভোজস্থলিৰ নিৰ্দিষ্ট স্থান সমূহত দেখা যায় নানা ৰঙীন মনোৰঞ্জন খেলা-ধুলা, গীত-মাত, নৃত্য - কৃষ্টি সংস্কৃতি, আদিৰ আনন্দ উপভোগ কৰা। ইপিনে বনভোজ আহিল বুলি ক'লেই বনভোজ যাত্ৰীয়ে নিৰ্ণয় কৰে প্ৰস্তুতিৰ ক্ষেত্ৰত নিৰ্বাচন কৰে ঠাই। দৰাচলতে, দেখা পোৱা ভিন্ন উদ্যান, নদীৰ পাৰ, পাহাৰীয়া অঞ্চল বা কোনো আকৰ্ষণীয় স্থান বাছনি কৰি তাতেই উপভোগ কৰা হয় নৱবৰ্ষৰ বনভোজ। নিজ ঘৰতেই বনোৱা বিভিন্ন ব্যঞ্জন, ফল-মূল, আমিষ- নিৰামিষ আদি ভিন্ন বস্তু লৈ যোৱা হয় বনভোজস্থলিলৈ।

বনভোজৰ শেষত বনভোজস্থলি পৰিষ্কাৰ পৰিছন্নতাৰে কৰি অহাটো প্ৰত্যেকৰে কৰ্তব্য। যেনে প্লাষ্টিক মুক্ত, প্ৰদূষণ মুক্ত, প্লাষ্টিকৰ বটল, গিলাচ আদিৰ ব্যৱহাৰ কমাই পৰিৱেশ সুৰক্ষিত কৰি শান্তিৰ বাতাবৰণ সৃষ্টি কৰা। আমাৰ অসমীয়া সমাজ সংস্কৃতিত বনভোজ হৈছে এক জনপ্ৰিয় সামাজিক পৰম্পৰা। যি নেকি নৱবৰ্ষ বা ভোগালী বিহুৰ সময়ত বেছিকৈ অনুষ্ঠিত হয়। অন্যহাতে, বৰ্তমানৰ সময়ত বনভোজ বুলি ক'লে সকলোৱে আত্মাহাৰা হৈ পৰে। এতেকে, নৱবৰ্ষৰ বনভোজ প্ৰত্যেকৰে হৈ পৰক সুখৰ, আনন্দময় আৰু প্ৰাপ্তিৰ যুগ। প্ৰতি গৰাকী বনভোজ প্ৰেমী জনগণে শান্তি, সম্প্ৰতি, নিৰৱতা অৱলম্বন কৰি সমাজৰ সু-নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰাৰ নিমিত্তে মোৰ তৰফৰ পৰা সকলোকে নৱবৰ্ষৰ প্ৰীতিভৰা শুভেচ্ছাৰে জনাও মই নৱবৰ্ষৰ বনভোজ আনন্দময় হওক সকলোৱে।

# পুৰণিগুদাম কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী উৎসৱৰ উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ৩০ ডিচেম্বৰ ঃ** একবিংশ শতিকাৰ প্ৰথম পুৱা অৰ্থাৎ ২০০০ চনৰ পহিলা জানুৱাৰীত নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামত জন্মলাভ কৰা কলং কলা কেন্দ্ৰই ২০২৫ বৰ্ষত ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিছে। পুৰণিগুদাম মিকিৰহাট আলিছিগাত জন্ম লাভ কৰা কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তী বৰ্ষ উৎসৱটি অহা এক আৰু দুই জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলিছে। পুৰণিগুদাম কলং কলা কেন্দ্ৰ প্ৰাঙ্গণত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি এক জানুৱাৰী পুৱা ৯-৩০ বজাত বিভিন্ন দিশৰ ২৬ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ২৬ খনি পতাকা উত্তোলন। পুৱা ১০-৩০ বজাত স্মৃতি তৰ্পণ। পুৱা এঘাৰ বজাত কলা-কৰ্মশালাৰ শুভাৰম্ভণি অনুষ্ঠান। দিনৰ ১১-২০ বজাত প্ৰদৰ্শনী দ্বাৰ উদ্‌ঘাটন কৰিব বিশিষ্ট সাহিত্যিক তথা সমাজকৰ্মী ফণীন্দ্ৰ নাথ গায়নে। দিনৰ ১১-৩০ বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত সভাপতিত্ব কৰিব উদ্‌যাপন সমিতিৰ সভাপতি কৃষ্ণ গোস্বামীয়ে। সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব বিশিষ্ট গৱেষক, কলা-সমালোচক ড° নৰেন কলিতাই। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বড়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামী, চামগুৰি বিধানসভা সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সংস্কৃতি অধ্যয়ন বিভাগৰ অধ্যাপিকা ড° মৌচুমী কন্দলি। লগতে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী তথা অৱসৰপ্ৰাপ্ত অধ্যাপক গিৰীন্দ্ৰ কুমাৰ বৰুৱা। বিয়লি তিনি বজাত বিভিন্নজন শিল্পীৰ সৈতে ভাৱ-বিনিময় অনুষ্ঠান। সন্ধ্যা ছয় বজাত পুৰণিগুদাম শঙ্খধ্বনি শিল্পী সমাজে শ্ৰীমন্ত শংকৰদেৱ বিৰচিত অংকীয়া নাট "পাৰিজাত হৰণ" প্ৰদৰ্শন কৰিব। উক্ত অংকীয়া নাটখনি শুভ উদ্বোধন কৰিব পুৰণিগুদাম শ্ৰীশ্ৰী লাইআটি সত্ৰৰ সত্ৰাধিকাৰ যুগলচন্দ্ৰ দেৱ গোস্বামীয়ে। ২ জানুৱাৰীৰ পুৱা এঘাৰ বজাত "অসমৰ বিশেষ উল্লেখেৰে লোককলাৰ অতীত আৰু বৰ্তমান" বিষয়ত আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। উক্ত আলোচনা চক্ৰখনি সঞ্চালনা কৰিব বিশিষ্ট সমাজকৰ্মী পুলিন হাজৰিকাই। আলোচক হিচাপে উপস্থিত থাকিব কামৰূপ মিৰ্জাৰ নেমকেয়াৰ গ্ৰুপ অফ ইনষ্টিটিউট অধ্যাপক জ্যোতিষ বৰুৱা, নেমকেয়াৰ গ্ৰুপ অফ ইনষ্টিটিউটৰ ডিন ড° ভাৰ্গৱ জ্যোতি চহৰীয়া, বিশিষ্ট কলা সমালোচক জ্যোতি খাটনিয়াৰ, নগাঁৱৰ "লোক-সংস্কৃতি" আলোচনীৰ সম্পাদক হেমন্ত কুমাৰ শইকীয়া আৰু বিশেষ নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব শস্য উন্নয়ন আৰু বৃক্ষৰোপণ নিগমৰ অধ্যক্ষ মণিমাধৱ মহন্ত। বিয়লি ১-৪০ বজাত প্ৰাক্তন প্ৰশিক্ষাৰ্থী, শিল্পী তথা শিল্পপ্ৰেমীৰ মাজত অন্তৰংগ আলাপ অনুষ্ঠান অনুষ্ঠিত হ'ব। নিশা ছয় বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট সাংস্কৃতিক কৰ্মী মহেন্দ্ৰ বৰাই। কলং কলা কেন্দ্ৰৰ ৰূপালী জয়ন্তীৰ উৎসৱটি পৰিচালনা কৰিবলৈ কেইবাখনো উপ-সমিতি গঠন কৰা হৈছে বুলি ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি কৃষ্ণ গোস্বামী, কাৰ্যকৰী সভাপতি গকুল ছেত্ৰী আৰু সম্পাদক চিত্তৰঞ্জন বৰাই জানিবলৈ দিছে। লগতে উদ্‌যাপন সমিতিয়ে জানিবলৈ দিছে যে অনুষ্ঠানৰ কাম-কাজ আগুৱাই নিয়াৰ ক্ষেত্ৰত উদ্‌যাপন সমিতি তীব্ৰ আৰ্থিক সংকটত পৰিছে। ৰাইজক উদাৰভাৱে আৰ্থিক সহায়-সাহায্য কৰিবৰ বাবে সমিতিয়ে মুকলি আহ্বান জনাইছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত "গ্ৰিফট এ চাইল্ডহুড"ৰ শুভাৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ ডিচেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অতিথিশালাৰ সন্মিলন কক্ষত "গিফ্‌ট এ চাইল্ড হুড" শীৰ্ষক এক সমাজমুখী উদ্যোগ আনুষ্ঠানিকভাৱে আজি মুকলি কৰে। এই উদ্যোগৰ লক্ষ্য হৈছে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ দুৰ্বল আৰু অৱহেলিত সমাজৰ শিশুসকলক হাঁহিৰ খোৰাক, সৃষ্টিশীলতা আৰু শিকাৰ সুযোগ বৃদ্ধি কৰা। ইয়াৰ জৰিয়তে নতুন অথবা পূৰ্বে ব্যৱহৃত খেলনা, শিশুগ্ৰন্থ, শিল্প সামগ্ৰী, খেলাধুলাৰ সামগ্ৰী আৰু বাদ্যযন্ত্ৰ আদিবোৰ সংগ্ৰহ কৰি সুন্দৰকৈ বিতৰণ কৰা হ'ব। কাৰ্যসূচীৰ আৰম্ভণিতে ড° অনচাই বাথৌ বসুমতাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰে আৰু ড° মনোজ দত্তই এই পদক্ষেপৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। অৱহেলিত শিশুসকলক অৰ্থপূৰ্ণ শৈশৱ এটা জীৱন-যাপন কৰাৰ সুযোগ বৃদ্ধি কৰিব পাৰে সেই বিষয়ে আলোকপাত কৰাৰ লগতে উদ্যোগটোৰ মূল আধাৰ হিচাপে পুনঃব্যৱহাৰ আৰু পুনঃচক্ৰায়নৰ গুৰুত্বৰ ওপৰত বক্তব্য ৰাখে। অনুষ্ঠানত উদ্বোধনী ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰক শিশুৰ বিকাশ আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি বিশ্ববিদ্যালয়ৰ উদ্দেশ্যৰ সৈতে সংগতি ৰাখি এনে এক সমাজমুখী উদ্যোগ গ্ৰহণ কৰাৰ বাবে অভিনন্দন জনোৱাৰ লগতে বিশ্ববিদ্যালয়ৰ প্ৰশাসনৰ তৰফৰ পৰা প্ৰয়োজন সাপেক্ষে সকলোধৰণৰ সুবিধা তথা সহযোগিতা প্ৰদানৰ আশ্বাস প্ৰদান কৰে। তদুপৰি, বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে কেন্দ্ৰটোক ধন্যবাদ জ্ঞাপন কৰি প্ৰতিষ্ঠানিক সমৰ্থনৰ



লগতে ব্যক্তিগতভাৱে দান আগবঢ়োৱাৰ আগ্ৰহ প্ৰকাশ কৰে। প্ৰাক্তন অধ্যাপক জয়ন্ত বৰবৰাই উদ্যোগটোক প্ৰশংসা কৰি এখন দোলনা দান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বিশ্ববিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা জ্যেষ্ঠজনৰ সক্ৰিয় অংশগ্ৰহণে ছাত্ৰ-ছাত্ৰী সকলক বিশেষভাৱে উৎসাহিত কৰে আৰু ইয়াৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ তৰফৰ পৰা বিভিন্ন সামগ্ৰী আগবঢ়োৱাৰ লগতে পৰৱৰ্তী সময়তো সক্ৰিয় অংশগ্ৰহণৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই উদ্যোগৰ জৰিয়তে অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়াল, চাহ-বাগিচা আৰু জনজাতীয় সম্প্ৰদায়, দুৰ্যোগপ্ৰৱণ অঞ্চল আৰু নগৰীয়া বসতিৰ শিশুসকললৈ সহায় আগবঢ়োৱা হ'ব। লগতেই সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থীসকলক সমাজমুখী কাম-কাজ আৰু কাৰ্যসূচী পৰিচালনাৰ ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান কৰিব। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ এই পদক্ষেপৰ প্ৰতি আৰ্থিক বা যিকোনো ধৰণৰ সহায় সহযোগিতা আগবঢ়াব বিচৰা ব্যক্তি বা প্ৰতিষ্ঠানসমূহক ৯১০১৩৬৮৮২১ বা ৬০০১২২৩২৫৯ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনায়। দান হিচাপে লাভ কৰা সামগ্ৰীৰ সংগ্ৰহ, বাছনি আৰু বিতৰণ সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ শিক্ষাৰ্থী আৰু স্বেচ্ছাসেৱকসকলৰ দ্বাৰা সম্পন্ন কৰা হ'ব, যাতে স্বচ্ছতা আৰু ন্যায়সংগত বিতৰণ নিশ্চিত হয়। এই পদক্ষেপৰ বিস্তৃত দৃষ্টিভংগীৰ বিষয়ে মত প্ৰকাশ কৰি সমাজ কৰ্ম অধ্যয়ন কেন্দ্ৰৰ তৰফৰ পৰা জনোৱা হৈছে যে "গিফ্‌ট এ চাইল্ডহুড" কেৱল এটা দান অভিযান নহয়-ই হৈছে সহানুভূতি, সমজুৱা দায়িত্বৰ জৰিয়তে শিশুসকলৰ শৈশৱৰ আনন্দ পুনৰুদ্ধাৰ কৰাৰ এক অভিনৱ আন্দোলন।

# নৃত্যলোক অফিচিয়েল ট্ৰাষ্টৰ সহযোগত প্ৰদৰ্শন 'ৱৰ্ল্ড হেৰিতেজ ফেষ্টিভেল ২০২৫'



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩০ ডিচেম্বৰ ঃ** নৃত্যলোক অফিচিয়েল ট্ৰাষ্টৰ সহযোগত ৰবিবাৰে শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটীৰ মাধৱদেৱ প্ৰেক্ষাগৃহত প্ৰদৰ্শন ৱৰ্ল্ড হেৰিতেজ ফেষ্টিভেল ২০২৫ অনুষ্ঠিত হৈ যায়। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গাৰ্গ আৰু ভূপেন হাজৰিকা দেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যপ্ৰ্যান কৰা হয়। ইয়াৰ পিছতে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। উক্ত অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে লোকেন দাস, দেৱ কুমাৰ মিশ্ৰ, অৰূপ মিশ্ৰ, সুকুমাৰ বৰঠাকুৰ, গোপাল জালান, সৌমেন ভাৰতীয়, জানেশ সকুজা, বিনা কুমাৰ, বিদ্যুৎ মিশ্ৰ, অশোক গেল, হৰি সিং আৰু গুৰু বিপুল দাস। প্ৰতিগৰাকী আমন্ত্ৰিত অতিথিক একোখনকৈ ফুলাম গামোচা, মুগাৰ চেলেং, ফুলৰ থোপা আৰু মানপত্ৰৰে সাদৰ সম্ভাষণ জনোৱা হয়। উক্ত অনুষ্ঠানটোত কেইবাগৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ ভিতৰত অন্যতম হৈছে ৰবি শংকৰ ৰবি, সুব্ৰত চক্ৰৱৰ্তী, গীতাঞ্জলি দত্ত, গুৰু বিদ্যুৎ মিশ্ৰ, হৰি সিংহ, গুৰু গোবিন্দ গঙ্গানি, সুদৰ্শন ঠাকুৰ, অশোক গেল, ৰ'জী কলিতা আৰু ময়ূৰী ডেকা। অনুষ্ঠানত কেইবাটাও নৃত্য দলে কথক নৃত্য প্ৰদৰ্শন কৰে। ইয়াৰ উপৰিও অনুষ্ঠানটোৰ মুখ্য আকৰ্ষণ আছিল মুম্বাইৰ প্ৰখ্যাত কথক শিল্পী দেৱেশ মিৰ্চান্দানী। এই অনুষ্ঠানত শিমন্তিনী চক্ৰৱৰ্তীয়ে সুন্দৰ নৃত্য প্ৰদৰ্শন কৰে। উক্ত অনুষ্ঠানৰ উদ্দেশ্যে হৈছে শাস্ত্ৰীয় আৰু লোক পৰিৱেশনৰ জৰিয়তে বিশ্ব ঐতিহ্যক প্ৰদৰ্শন আৰু সংৰক্ষণ কৰা। অনুষ্ঠানটোত আমাৰ সমৃদ্ধ পৰম্পৰা আৰু উৎকৃষ্ট কলাত্মক ঐতিহ্য প্ৰতিফলিত কৰা ৰঙীন সাংস্কৃতিক পৰিৱেশন উপস্থাপন কৰা হৈছিল বুলি জানিব পৰা গৈছে।

**ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ**

# এক বিৰল কৃতিত্ব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩০ ডিচেম্বৰ ঃ** অসম অলিম্পিক সন্থাৰ স্বীকৃতিপ্ৰাপ্ত, সদৌ অসম কাৰাটে সন্থাৰ সৌজন্যত ২৭ আৰু ২৮ ডিচেম্বৰ, ২০২৫ তাৰিখে আয়োজিত সদৌ অসম কাৰাটে, জুনিয়ৰ আৰু চিনিয়ৰ ৰাজ্যিক কাৰাটে প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ দলটিয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান আঁজুৰি আনিবলৈ সক্ষম হয়। গুৱাহাটীত অনুষ্ঠিত এই প্ৰতিযোগিতাত অসমৰ ৩৪খন জিলাৰ দুহেজাৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। এই প্ৰতিযোগিতাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কাৰাটে প্ৰশিক্ষণ কেন্দ্ৰৰ মাত্ৰ ৬জন খেলুৱৈয়ে অংশগ্ৰহণ কৰি ৬টা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জৰ পদকেৰে এই বিৰল সন্মান আজুৰি আনে। এই প্ৰতিযোগিতাত বিশ্ববিদ্যালয়ৰ প্ৰয়াসী চেতিয়া, প্ৰাঞ্জল দেউৰী, অনন্ত তাঁতী, ননী গোপাল দত্ত, ৰাহুল দত্ত আৰু জিতু ভূএগ্ৰাই অংশগ্ৰহণ কৰিছিল। দলটিৰ নেতৃত্বত আছিল মুখ্য প্ৰশিক্ষক অঞ্জন চেতিয়া। বছৰৰ শেষত এই বিৰল সফলতাৰ বাবে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল, ক্ৰীড়া বিষয়া দ্বীপজ্যোতি গগৈ, সদৌ অসম কাৰাটে সন্থাৰ সাধাৰণ সম্পাদক আদৰ্শ চৌধুৰী আৰু ডিব্ৰুগড় জিলাৰ কাৰাটে সন্থাৰ সভাপতি নিৰেণ ফুকনৰ লগতে বিশ্ববিদ্যালয়ৰ পৰিয়ালে গৌৰৱ অনুভৱ কৰি অভিনন্দন আৰু শুভেচ্ছা জনাইছে। এইখিনিতে উল্লেখ কৰিব লাগিব এইবাৰ সৰ্বভাৰতীয় আন্তঃবিশ্ববিদ্যালয় কাৰাটে প্ৰতিযোগিতা ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত ভাৰতবৰ্ষৰ ২০০খন বিশ্ববিদ্যালয়ে অংশগ্ৰহণ কৰিব।

**শিবিৰত ৰাজ্যৰ ভিতৰত প্ৰথম স্থান; সমবেত সংগীতত ৰাজ্যৰ ভিতৰত প্ৰথম স্থান দখল; আলোচনীত দ্বিতীয় স্থান**

# সদৌ অসম মইনা পাৰিজাতৰ ৰাজ্যিক শিশু সমাৰোহত মাজুলী জিলাৰ কৃতিত্ব



**অসম বাৰ্তা, উজনী মাজুলী, ৩০ ডিচেম্বৰ ঃ** সদৌ অসম মইনা পাৰিজাতৰ অষ্টাদশ দ্বি বাৰ্ষিক ৰাজ্যিক অধিৱেশন আৰু মহাৰজত জয়ন্তীৰ সামৰণী অনুষ্ঠানত মাজুলী জিলা মইনা পাৰিজাতে বিশেষ কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। গোলাঘাট জিলাৰ মইনা পাৰিজাতৰ আতিথ্যত যোৱা ২৬ ডিচেম্বৰৰ পৰা আজিলৈকে মৰঙিৰ পোৱাবঙলাত অনুষ্ঠিত হোৱা উক্ত ৰাজ্যিক শিশু সমাৰোহত মাজুলী জিলা মইনা পাৰিজাতৰ মইনা সকলে অসমৰ সকলো জিলাৰ শিবিৰৰ ভিতৰত শ্ৰেষ্ঠ শিবিৰৰ বঁটা লাভ কৰিছে।তদুপৰি সমবেত সঙ্গীত প্ৰতিযোগিতাত মাজুলী জিলাই-প্ৰথম স্থান লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। তদুপৰি মাজুলীৰ মইনা সকলে আকস্মিক বাক প্ৰতিযোগিতাত তিনিটা স্থান ক্ৰমে চতুৰ্থ, পঞ্চম আৰু সপ্তম স্থান লাভ কৰিছে। তদুপৰি সংগীত চকী প্ৰতিযোগিতাত- সপ্তম আৰু নৱম স্থান, এশ মিটাৰ দৌৰত পঞ্চম, ষষ্ঠ আৰু দশম স্থান লাভ কৰিছে। মাজুলী জিলা দলটোৱে কালি অনুষ্ঠিত হোৱা শোভাযাত্ৰা প্ৰতিযোগিতাত-ষষ্ঠ স্থান দখল কৰিছে। তদুপৰি মাজুলী জিলা মইনা পাৰিজাতৰ মুখপত্ৰ ভৱানন্দ হাজৰিকা সম্পাদিত "পুষ্প পাৰিজাতে" লাভ কৰিছে ৰাজ্যৰ ভিতৰত দ্বিতীয় শ্ৰেষ্ঠ আলোচনীৰ পুৰস্কাৰ। মাজুলী জিলা মইনা পাৰিজাতৰ মইনা সকলে লাভ কৰা এই সফলতাৰ বাবে জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা আৰু সম্পাদক শশীধৰ বৰুৱাই অভিনন্দন জ্ঞাপন কৰিছে।

# বঙাইগাঁও জিলা শাখাৰ কাৰ্য্যনিৰ্বাহক আৰু নৱনিৰ্মিত ভোজনালয় গৃহৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৩০ ডিচেম্বৰ ঃ** উত্তৰ পূৰ্বাঞ্চলৰ সাহিত্য-সংস্কৃতি, শিক্ষা আদিকে ধৰি অন্যতম ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বঙাইগাঁও জিলা শাখাৰ জিলা নামঘৰ প্ৰাঙ্গণৰ চহদত স্থায়ী ভোজনালয় গৃহৰ লাইখুঁটা তথা আধাৰশিলা স্থাপন কৰে বঙাইগাঁও নগৰ প্ৰাথমিক শাখাৰ সংগী আৰু দাতা সুন্দৰ দাস আইগৰাকীয়ে। মূলতঃ আজি বঙাইগাঁও জিলা শাখাৰ চলিত বৰ্ষৰ শেষৰখন কাৰ্য্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। ইয়াৰ লগত সংগতি ৰাখি উক্ত ভোজনালয় গৃহৰ আধাৰশিলা স্থাপনত জিলা সভাপতি -সম্পাদক, শৰণ সদস্য কেন্দ্ৰীয় সদস্য তথা মূলৰ সদস্যকে ধৰি কেইবাজনো আমন্ত্ৰিত অতিথি বাপ-বান্ধৱ আৰু আই সকলে সহযোগ কৰি আধাৰশিলা স্থাপন কৰে আৰু দাতাআইগৰাকীলৈ জিলাশাখাৰ ভকত-বৈষ্ণৱসকলে ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পিছতে জিলা সভাপতি অনিল কুমাৰ ৰায়ৰ সঞ্চালনাত অনুষ্ঠিত হোৱা জিলা সমিতিৰ কাৰ্য্যনিৰ্বাহক সভাত উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক নমল শৰণীয়াই। আৰু পৰৱৰ্তী সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে জিলা সম্পাদকে। উক্ত সভাত মূলৰ সদস্য অজিত চৌধুৰী, শৰণ সদস্য ভৱেশ্বৰ ৰায়, জিলাখনৰ জ্যেষ্ঠ সংগী ডাঃ প্ৰতাপ চন্দ্ৰ মেধীৰ লগতে বিষয়ববীয়াসকল উপস্থিত থাকে। উক্ত সভাতেই সৃজনগ্ৰাম আঞ্চলিক শাখাৰ আতিথ্যত অহা ১৬, ১৭ আৰু ১৮ জানুৱাৰীত সৃজনগ্ৰাম আঞ্চলিকৰ আতিথ্যত অনুষ্ঠিত হ'বলগীয়া বঙাইগাঁও জিলাশাখাৰ আগন্তুক ৪১ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আমন্ত্ৰণ শৰাই আগবঢ়াই আদৰণী সমিতিয়ে। আনহাতে উক্ত সভাৰ মাজতেই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ এগৰাকী একনিষ্ঠ শুভাকাংক্ষী বঙাইগাঁও সমষ্টিৰ বিধায়িকা দিপ্তীময়ী চৌধুৰীয়ে উপস্থিত হৈ কেতবোৰ উন্নয়ন মূলক কাৰ্য্যত সহযোগিতা আৰু পৰামৰ্শ দিয়ে। বঙাইগাঁও সমষ্টিৰ বিধায়িকা দিপ্তীময়ী চৌধুৰীয়ে ইতিমধ্যে আগতে আগবঢ়োৱা ৬.৫০ লাখ টকাৰ জিলা নামঘৰৰ আন্তঃগাঁথনিৰ কাম কৰাৰ বাবে বিধায়িকা গৰাকীয়ে জিলা সমিতিলৈ ধন্যবাদ জনায়। সদৌ শেষত সমূহীয়া গুৰুবন্দনাৰে সভাৰ সামৰণি পৰে।

# সদৌ অসম ভিত্তিত চুটিগল্প প্ৰতিযোগিতাৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ ডিচেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতি, তিনিচুকীয়া জিলাৰ চতুৰ্থ দ্বি-বাৰ্ষিক অধিৱেশনখনি অহা ৭ আৰু ৮ ফেব্ৰুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অধিৱেশনৰ লগত সংগতি ৰাখি তিনিচুকীয়া জিলা লেখিকা সমাৰোহ সমিতিৰ সাহিত্য বিভাগৰ উদ্যোগত সদৌ অসম ভিত্তিত ২৫ বছৰ উৰ্ধৰ লেখিকাসকলৰ মাজত চুটিগল্প প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত স্থান প্ৰাপ্ত বিজয়ী প্ৰতিযোগীসকলক ক্ৰম অনুসৰি ৫০০০, ৩০০০, আৰু ২০০০ টকাকৈ পুৰস্কাৰ আগবঢ়োৱা হব। চুটিগল্পসমূহ ৩০০০ শব্দৰ ভিতৰত হ'ব লাগিব। ইছুক প্ৰতিযোগীসকলে চুটিগল্পসমূহ ডিটিপি কৰি অহা ২০ জানুৱাৰীৰ ভিতৰত পোৱাকৈ ডাকযোগে অথবা হোৱাতএপত পি ডিএফ কৰি অথবা ই - মেইল যোগে প্ৰেৰণ কৰিবলৈ জিলা সমিতিৰ সাহিত্য বিভাগৰ সম্পাদিকা দীপা দত্ত ভাজনীয়ে আহ্বান জনাইছে। চুটিগল্প সমূহ প্ৰেৰণৰ ঠিকনা: মীৰা শইকীয়া, বিষ্ণু নগৰ, ৰূপাই, ডাক- ৰূপাই চাইডিং - ৭৮৬১৫৩, জিলা - তিনিচুকীয়া (দূৰভাষ - ৯৭০৭৭৪৩১০৪) অথবা ই-মেইল ঃ dipadutta80@gmail.com ।

**বজাৰত পান বিক্ৰী কৰিবলৈ অহা যুৱকক প্ৰহাৰ, থানাত গোচৰ**

# মেৰাপানীৰ সাপ্তাহিক গমাৰি বজাৰত মাছুল সংগ্ৰহক লৈ লেচীৰ গুণ্ডাগিৰি

**অসম বাৰ্তা, মেৰাপানী, ৩০ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ ইতিহাস প্ৰসিদ্ধ মঙ্গলবৰীয়া সাপ্তাহিক বজাৰত আজি লেচীয়ে চলোৱা গুণ্ডাগিৰি কাম্যক লৈ সৰত্ৰে প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। আজি মঙ্গলবৰীয়া সাপ্তাহিক বজাৰত বেকাজানৰ সূৰ্য মেধি নামৰ এজন যুৱকে বজাৰত পান বিক্ৰী কৰিবলৈ আহি লেচীৰ প্ৰহাৰত প্ৰহৃত হ'বলগীয়া হৈছে। তথ্য মতে বেকাজানৰ মেধি উপাধিধাৰী যুৱকজনে আজি পুৱা বজাৰত পান বিক্ৰী কৰিবলৈ আহে আৰু পান বিক্ৰী কৰাৰ পিছত যুৱকজনক লেচীৰ নাম লৈ মাছুল সংগ্ৰহ কৰি থকা গমাৰি গুৰিৰ দাদুল আলিয়ে মাছুল বিচাৰে। মেধিয়ে দাদুলক মাছুল আদায় দিয়াৰ পিছত বজাৰৰ ৰিছিভ বিচাৰে দাদুলৰ পৰা। ৰিছিভ বিচৰাত লেচী ৰূপী দাদুল আলিয়ে মেধি নামৰ পান বিক্ৰেতা যুৱক জনক কিয় ৰিছিভ লাগে বুলি ধমক দিয়ে। তেতিয়া মেধিয়ে ৰিচিভ দিয়াতো নিয়ম বুলি কোৱাত দাদুলে কোনো কথা নকৈ প্ৰহাৰ কৰিবলৈ ধৰে। উপায়ন্তৰ হৈ যুৱক জনে মেৰাপানী আৰক্ষী থানাত উপস্থিত হৈ দাদুলৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। উল্লেখ্য যে গমাৰি গুৰি মঙ্গলবৰীয়া সাপ্তাহিক বজাৰখন আজি বহু বছৰ ধৰি প্ৰায় ১২ বছৰ কাল দাদুল আলি আৰু তেওঁৰ জেষ্ঠ ভাতৃৰ ছত্ৰ ছায়াত বন বিভাগৰ লগত গোপন বুজাবুজিৰে চৰকাৰক ৰাজহ ফাঁকিৰে চলাই অহা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। বন বিভাগৰ অধীনত থকা উক্ত সাপ্তাহিক বজাৰখন কি কাৰণে বহু বছৰ ধৰি নিবিদা নকৰাকৈ দালালৰ জৰিয়তে চলাই আহিছে তাক লৈ ৰহস্য সৃষ্টি হৈছে। আনহাতে দীৰ্ঘদিন ধৰি বজাৰৰ অধিক হাৰত লেচীয়ে মাছুল সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে। বজাৰৰ একাংশ ব্যৱসায়ীয়ে অসম বাৰ্তাক জানিবলৈ দিয়ে যে বস্তু কিনা বেচা কৰাৰ বাবে অধিক মাছুল দিব লাগে লেচীক। লেচীয়ে মনোৰলী ভাৱে ব্যৱসায়ীৰ পৰা মাছুল সংগ্ৰহ কৰি আহিছে বুলিয়ো জানিবলৈ দিয়ে। বন বিভাগৰ অধীনত থকা উক্ত সাপ্তাহিক বজাৰ খনত বন বিভাগৰ লোক সকলে নিজে লেচী কাম্য নকৰি আজি দীৰ্ঘ কাল একে কেইজন লোকক লেচী হিচাপে মাছুল সংগ্ৰহ কৰিবলৈ কিয় দি আহিছে তাক লৈয়ো সৰত্ৰে চৰ্চিত হৈছে। মঙ্গলবৰীয়া সাপ্তাহিক বজাৰ খনৰ চৰকাৰী ৰাজহ হেৰুৱাই গোলাঘাট জিলাৰ বন প্ৰাধিকাৰী বিষয়া তথা বন বিভাগে কিয় বহু বছৰ ধৰি একেটা পৰিয়ালক চমজাই দি থৈছে সেইয়া এক কোটিটকীয়া প্ৰশ্ন। আনহাতে উক্ত পৰিয়ালটোৰ প্ৰতি বন বিভাগ কিয় ইমান দৰদ তাক লৈ দৈয়াঙৰ সচেতন ৰাইজৰ চকু কপালত উঠিছে। সেইয়েহে বিছিংখলাময় মঙ্গলবৰীয়া সাপ্তাহিক বজাৰখন শৃংখলিত কৰিবৰ বাবে নিবিদা গ্ৰহণৰ প্ৰদক্ষেপ গ্ৰহণ কৰিবলৈ স্থানীয় মন্ত্ৰী অজন্তা নেওগক ৰাইজে আহ্বান জনাইছে।

# মাজুলীত 'ধান ক্ৰয় কেন্দ্ৰ' মুকলি

**অসম বাৰ্তা, মাজুলী, ৩০ ডিচেম্বৰ ঃ** মাজুলী জিলাৰ পকাজৰাত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক ডাঙৰীয়াই আজি 'ধান ক্ৰয় কেন্দ্ৰ, মাজুলী' আনুষ্ঠানিকভাৱে মুকলি কৰে। এই উপলক্ষে আয়োজিত সভাখনত মাজুলী জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত শুভ্ৰম আদিত্য বৰা আৰু জিলা কৃষি বিষয়া নাচিৰ ইকবাল ৰেজা উপস্থিত থাকে। মাজুলী জিলাৰ কৃষক বন্ধুসকলৰ লগতে মিলৰ (Millers) সকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই সভাখনত জিলা আয়ুক্ত মহোদয়ৰ মত-বিনিময় অনুষ্ঠানটো আছিল উল্লেখনীয়। আজিৰ পৰা এই ধান ক্ৰয় কেন্দ্ৰত কৃষকসকলে তেওঁলোকৰ উৎপাদিত ধান প্ৰতি কুইণ্টলত ২৩৬৯ টকা ন্যূনতম সমৰ্থন মূল্যত বিক্ৰী কৰিব পাৰিব। ইয়াৰ লগতে অসম চৰকাৰৰ ফালৰ পৰা প্ৰতি কুইণ্টল ধানত ২০০ টকাৰ এক বিশেষ ভাট্টা প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে। ফলত কৃষকসকলে এতিয়া এই ধান ক্ৰয় কেন্দ্ৰত ধান বিক্ৰী কৰিলে প্ৰতি কুইণ্টলত মুঠ ২৫৬৯ টকা লাভ কৰিব। সভাখন সুকলমে পৰিচালনা কৰে মাজুলী জিলাৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ ভাৰপ্ৰাপ্ত সহ-সঞ্চালক সুনীল দাসে। তেওঁক সহযোগ কৰে পৰিদৰ্শকদ্বয় ক্ৰমে অৰুণাভ সাউড আৰু অমল গগৈৰ লগতে ধান ক্ৰয় কেন্দ্ৰৰ পৰিচালক শ্যাম কুটুমে। আজিৰ এই বিশেষ দিনটোতে মাজুলী জিলাৰ ৪ গৰাকী কৃষকে তেওঁলোকৰ উৎপাদিত ধান বিক্ৰী কৰে। জিলা আয়ুক্ত মহোদয়ে আজি ধান বিক্ৰী কৰা সন্মানীয় কৃষক ক্ৰমে- ৰুবুল বৰা, পংকজ গগৈ, মনোজ হাজৰিকা আৰু তিলক দত্তক সভাখনতে সম্বৰ্ধনা জনায়।

# ডুমডুমা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৩০ ডিচেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ ডুমডুমা শাখাৰ ৩৩সংখ্যক প্ৰতিষ্ঠা দিৱসটি যোৱা ২৫ ডিচেম্বৰত শাখাৰ নিজা ভৱনত অনুষ্ঠিত হৈ যায়। শাখাৰ জ্যেষ্ঠা সদস্যা তথা 'সদস্যা ৰত্ন' মঞ্জুল শৰ্মাই বন্তি প্ৰজ্বলন কৰাৰ পাছতে কাকলি বৰুৱাই পৰিৱেশন কৰা এটা স্বৰস্বতী বন্দনাৰে অনুষ্ঠানটি আৰম্ভ হয়। শাখাৰ সভানেত্ৰী দিব্যলতা ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনৰ আঁত ধৰে সম্পাদিকা ৰঞ্জিতা গগৈ বৰুৱাই। সভাত সাহিত্য সমল পাঠ কৰে ক্ৰমে জ্যেষ্ঠা সদস্যা তথা 'সদস্যা ৰত্ন' ড° অৰুণা গগৈ বৰুৱা, 'সদস্যা ৰত্ন' মঞ্জুল শৰ্মা, 'সদস্যা ৰত্ন' শ্বৰিফা খাতুন চৌধুৰী, 'সদস্যা ৰত্ন' প্ৰণিতা সন্দিকৈ আৰু তিনিচুকীয়া জিলা সমিতিৰ সম্পাদিকা মীৰা শইকীয়াই। সদস্যা ৰেখা গগৈ, বৰ্ণালী শ্যাম, নিৰুপমা শইকীয়াই একোটিকৈ সুন্দৰ কবিতা পাঠ কৰে। সদস্যা কাকলি দেৱী বৰুৱা, জ্যোৎস্না বুঢ়াগোঁহাইৰ, জিনু গোহাঁই এ একোটিকৈ গীত পৰিৱেশন কৰে। সুন্দৰ অনুষ্ঠানটিত উপস্থিত থাকে কেন্দ্ৰীয় সমিতিৰ উপ সভানেত্ৰী কিৰণময়ী হাজৰিকা বৰুৱা, তিনিচুকীয়া জিলা সমিতিৰ সভানেত্ৰী ড° মীনা দেৱী বৰুৱা, সম্পাদিকা মীৰা শইকীয়া। জ্যেষ্ঠ সদস্যা ৰুণুমনি দত্ত ভুএগ্ৰাৰ মন পৰশা এটি গীত 'সদস্যা ৰত্ন' প্ৰণিতা সন্দিকৈয়ে উন্মোচন কৰে। পূৰবী তালুকদাৰৰ সম্পাদনাত প্ৰকাশিত সমিতিৰ মুখপত্ৰ 'জ্যোতিস্নাতা' উন্মোচন কৰে শাখাৰ জ্যেষ্ঠা সদস্যা গীতা গোস্বামীয়ে। সদৌ অসম ভিত্তিত জয়মতী কোঁৱৰৰ সোঁৱৰণত শাখাই আয়োজন কৰা গল্প প্ৰতিযোগিতাৰ বিজয়ীসকলক উক্ত সভাতে পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰা পম্পী ভুঁএগ্ৰাৰ অনুপস্থিতিত মাতৃয়ে বঁটাটি গ্ৰহণ কৰে। দ্বিতীয় প্ৰিয়মডি জ্যোৎস্না আৰু তৃতীয় মৃণালী নাথৰ অনুপস্থিতিত তেওঁলোকৰ বঁটাসমূহ ডাক যোগে দিয়াৰ সিদ্ধান্ত সভাত গ্ৰহণ কৰা হয়। এই বঁটা বিতৰণী অনুষ্ঠানৰ আঁত ধৰে শাখাৰ সাহিত্য বিভাগৰ সম্পাদিকা সংগীতা বৰুৱা ডেকাই। সাহিত্য বিভাগৰ সম্পাদিকাই গল্প প্ৰতিযোগিতাৰ বিচাৰক ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা প্ৰণিতা সন্দিকৈ আৰু দাতা ডুমডুমা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা অঞ্জু কোঁৱৰক একোখনকৈ ফুলাম গামোচা আৰু একোটিকৈ স্মাৰক আগবঢ়ায়। সভাত কেন্দ্ৰীয় সমিতিৰ উপ-সভানেত্ৰী কিৰণময়ী হাজৰিকা বৰুৱা, তিনিচুকীয়া জিলা সমিতিৰ সভানেত্ৰী ড° মীনা দেৱী বৰুৱা, শাখাৰ উপ সভানেত্ৰী জুনু বৰাই গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়াই। অনুষ্ঠানৰ আন এক আকৰ্ষণ আছিল শাখাৰ সদস্যাসকলৰ মাজত পুষ্প সজ্জা প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত মৃণালিনী বড়াই প্ৰথম, কাকলি দেৱী বৰুৱা দ্বিতীয় আৰু জ্যোৎস্না বুঢ়াগোহাঁই তৃতীয় নিৰ্বাচিত হয়। উক্ত সভাত শাখাৰ কেইবাগৰাকীও সদস্যাক কেন্দ্ৰীয় সমিতিৰ উপসভানেত্ৰীয়ে আজীৱন সদস্যাৰ প্ৰমাণ পত্ৰ প্ৰদান কৰে। সংগীতা বৰুৱা ডেকাৰ মনোমোহা নৃত্যৰ পাছতেই অসম সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

## হিন্দু পৰিয়ালক অধিক

হিন্দু পৰিয়ালসমূহে এটাৰ পৰিৱৰ্তে কমেও দুটাকৈ আৰু যিসকলে সামৰ্থ্য্য ৰাখে তেওঁলোকে তিনিটাকৈ সন্তান জন্ম দিয়া উচিত। লগতে মুছলিম সম্প্ৰদায়ক সাত-আঠটা সন্তান জন্ম দিয়াৰ পৰিৱৰ্তে কমকৈ জন্ম দিয়াৰ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয়, "সংখ্যালঘু অধ্যুষিত অঞ্চলত সন্তান জন্মৰ হাৰ বেছি। হিন্দুসকলৰ ক্ষেত্ৰত এই হাৰ কমি আহিছে। সেয়ে হিন্দু মানুহে এজনত নাথাকি কমেও দুজন সন্তান জন্ম দিব লাগে। যিসকলে পাৰে তেওঁলোকে তিনিজনো জন্ম দিব পাৰে। মুছলিম মানুহক আমি কওঁ আঠটা-সাতটা জন্ম নিদিব, কমকৈ দিয়ক। হিন্দু মানুহক কওঁ অলপ বেছিকৈ সন্তান জন্ম দিয়ক, নহ'লে ঘৰখন চাবলৈ কোনো নোহোৱা হ'ব।" এই মন্তব্যই ৰাজ্যত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে, কিয়নো ই ধৰ্মভিত্তিক জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰসংগ উত্থাপন কৰিছে। এই মন্তব্য কৰা হৈছে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ (মুখ্যমন্ত্ৰী মহিলা উদ্যোগিতা অভিযান) অধীনত চেক বিতৰণ অনুষ্ঠানৰ পিছত সাংবাদিকৰ সৈতে মত বিনিময়ৰ সময়ত। বৰপেটাৰোড ষ্টেডিয়ামত আয়োজিত এই বৃহৎ সভাত মুখ্যমন্ত্ৰীয়ে প্ৰতীকীভাৱে কেইবাগৰাকী মহিলাৰ হাতত ১০ হাজাৰ টকাৰ চেক তুলি দি আঁচনিখন উদ্বোধন কৰে। এই আঁচনিৰ জৰিয়তে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ ২৫, ১৫৭ গৰাকী আত্মসহায়ক গোটৰ মহিলা সদস্যক সামৰি লোৱা হৈছে। অনুষ্ঠানত অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আদৰণী ভাষণ প্ৰদান কৰে। বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝা আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল। মুখ্যমন্ত্ৰীয়ে মহিলাসকলক সম্বোধি কয় যে, এই আঁচনিৰ উদ্দেশ্য অসমৰ মহিলাসকলক স্বাৱলম্বী কৰা। প্ৰথম পৰ্যায়ত ১০ হাজাৰ টকা আগবঢ়োৱা হৈছে। এই ধনৰ সদ্ব্যৱহাৰ কৰাসকলক দ্বিতীয় পৰ্যায়ত ২৫ হাজাৰ টকা আৰু তাৰ পিছত সফলতাৰে ব্যৱহাৰ কৰাসকলক ৫০ হাজাৰ টকা দিয়া হ'ব। এনেদৰে মহিলাসকলক লাখপতি কৰাৰ লক্ষ্য ৰখা হৈছে। একে অনুষ্ঠানতে সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত জেহাদী কাৰ্যকলাপৰ প্ৰসংগত কয়, "অসমত মৌলবাদী নিশ্চিতভাৱে সক্ৰিয় হৈ আছে। বাংলাদেশ অসমৰ চুবুৰীয়া ৰাষ্ট্ৰ হোৱাৰ কাৰণে এই সমস্যা দীৰ্ঘদিনীয়া। আজি এঘাৰজন ধৰা পৰিছে, এটা ডাঙৰ অপাৰেচন চলি আছে।" আন এটা প্ৰসংগত বটদ্ৰৱা প্ৰকল্পক লৈ মুখ্যমন্ত্ৰীয়ে কয়, "বটদ্ৰৱা প্ৰকল্প অসমৰ স্বাভিমানৰ প্ৰকল্প। যিসকলে অসম আৰু অসমীয়াক ভাল নাপায় কেৱল তেওঁলোকেহে ইয়াৰ সমালোচনা কৰিব। আন কোনেও নকৰে।" লগতে বিশিষ্ট লেখক হীৰেন গোহাঁইৰ শংকৰদেৱ আৰু আজান পীৰৰ সম্পৰ্কীয় মন্তব্যৰ প্ৰতিক্ৰিয়াত তেওঁ কয়, "এইটো টুলুঙা মনৰ পৰিচয় নহয়। এইটো ইতিহাসৰ কথা। পঞ্চম শ্ৰেণীৰ ছাত্ৰয়ো জানে যে শংকৰদেৱ আৰু মাধৱদেৱ একেলগে আছিল। হীৰেন গোহাঁয়ে কিয় নাজানে মই বুজি পোৱা নাই। শংকৰদেৱ আৰু মাধৱদেৱৰ পৰলোকপ্ৰাপ্তিৰ দুশ বছৰ পিছত আজান পীৰ ইয়াকৰ পৰা আহিছিল। তেওঁৰ লগত শংকৰদেৱৰ কেনেকৈ মিল হ'ব পাৰে।" এই অনুষ্ঠানে ৰাজ্য চৰকাৰৰ মহিলা সৱলীকৰণৰ প্ৰতিশ্ৰুতিৰ লগতে বিভিন্ন সামাজিক আৰু সাংস্কৃতিক বিষয়ত মুখ্যমন্ত্ৰীৰ দৃষ্টিভংগী প্ৰতিফলিত কৰিছে।

## জুবিন গাৰ্গক সংগীত জগতৰ

আদালতত দাখিল হোৱা অভিযোগপত্ৰ (চাৰ্জশ্বীট)ক লৈ ৰাজ্যজুৰি মিশ্ৰিত প্ৰতিক্ৰিয়া অব্যাহত আছে। শাসক-বিৰোধী দলৰ লগতে মুখ্যমন্ত্ৰী আৰু সাধাৰণ ৰাইজেও এই ঘটনাক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰি আহিছে। এনে পৰিস্থিতিত মঙলবাৰে জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমত এটা দীঘলীয়া পোষ্টৰ জৰিয়তে নিজৰ মনৰ কথা ৰাজহুৱা কৰিছে। সংশ্লিষ্ট বিভাগৰ পৰা আবেদন কৰি চাৰ্জশ্বীটৰ কপি লাভ কৰাৰ পিছত তেওঁ ইয়াক পঢ়ি কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। গৰিমাই কয় যে, জুবিনৰ অবৰ্তমানত তেওঁলোক এতিয়াও স্বীকাৰ কৰিব পৰা নাই আৰু এই ঘটনাই কেৱল তেওঁলোকৰ পৰিয়ালেই নহয়, গোটেই অসমকে স্তব্ধ কৰি তুলিছে। গৰিমাৰ পোষ্টত মুখ্যকৈ উল্লেখ কৰা কেইটামান বিষয় হ'ল: চাৰ্জশ্বীটত পোৱা তথ্য অনুসৰি ছিংগাপুৰত জুবিনৰ থকাৰ ব্যৱস্থা লৈ আয়োজক শ্যামকানু মহন্ত আৰু মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ মাজত কেইবাদিন ধৰি খেলিমেলি চলিছিল। প্ৰথমে অনুজ বৰুৱাৰ সৈতে এটা কোঠা বুক কৰা হৈছিল, পিছত শ্যামকানুৰ কাষৰ কোঠাত আৰু তাৰ পিছত তিনিটা কোঠা। গৰিমাই প্ৰশ্ন কৰিছে যে, এজন ব্ৰেণ্ড এম্বেছাদৰক নিমন্ত্ৰণ কৰি ভাবুকি দিয়াৰ পিছতো থকাৰ ব্যৱস্থা লৈ ইমান অভিসন্ধি কিয়? জুবিনে কেতিয়াও নিজে হোটেলৰ ৰেজিষ্টাৰ চেক নকৰে বুলি গৰিমাই স্পষ্ট কৰিছে। এই কাম সদায় মেনেজাৰ বা আয়োজকে কৰে। তেওঁৰ মতে, এইবোৰত কু-অভিসন্ধি আছিল আৰু আদালতত ইয়াৰ প্ৰমাণসহ প্ৰতিষ্ঠা হ'ব লাগে। শ্যামকানুৰ মতে জুবিন নিজেই গৈছিল, কিন্তু আগতে পোষ্টাৰ বনাই প্ৰচাৰ কৰি ভাবুকি দিয়া হৈছিল। লিখিত চুক্তি নোহোৱাৰ কাৰণ কি? সুৰক্ষা আৰু চিকিৎসাৰ ব্যৱস্থা কিয় নিশ্চিত কৰা নহ'ল? চাৰ্জশ্বীটত উল্লিখিত 'One Last Tour'ৰ কথা পৰিয়ালে কেতিয়াও শুনা নাছিল। সিদ্ধাৰ্থে এই কথা কৈ মাননী বঢ়াইছিল বুলি দাবী। ঘটনাৰ দিনা ৭৫ মিনিটলৈকে চিকিৎসা নিদিয়াকৈ পেলাই ৰখা হৈছিল, যদিও ওচৰতে সুবিধা আছিল। য়টত কোনো সুৰক্ষা ব্যৱস্থা নাছিল। ভিডিঅ'ত দেখা পোৱা অৱহেলাৰ দৃশ্যসমূহ অসহনীয় বুলি গৰিমাই কয়। য়টত থকা সকলোকে দোষী বুলি মত প্ৰকাশ কৰিছে। গৰিমাই ন্যায় ব্যৱস্থাৰ ওপৰত আস্থা ৰাখি ফাষ্ট ট্ৰেক কোৰ্ট, বিশেষ বেঞ্চ আৰু শক্তিশালী পাব্লিক প্ৰ'চিকিউটাৰ টীম গঠনৰ আহ্বান জনাইছে। তেওঁ কয় যে, দোষীসকলে কঠোৰতম শাস্তি পাওক আৰু ন্যায় পলম নহওক। এই পোষ্টই ৰাজ্যজুৰি পুনৰ চৰ্চাৰ সৃষ্টি কৰিছে আৰু জুবিনৰ ভক্তসকলে গৰিমাৰ সৈতে একাত্মতা প্ৰকাশ কৰিছে।

## ৪,৬৬৬ কোটি টকাৰ যুদ্ধ

পদক্ষেপ হিচাপে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে মঙলবাৰে দুখন ডাঙৰ চুক্তি স্বাক্ষৰ কৰিছে, যাৰ মুঠ মূল্য প্ৰায় ৪, ৬৬৬ কোটি টকা। এই চুক্তিৰ জৰিয়তে ভাৰতীয় স্থল সেনা আৰু নৌ সেনাৰ বাবে অত্যাধুনিক ক্ল'জ কোৱাৰ্টাৰ বেটল (চি কিউ বি) কাৰ্বাইন আৰু নৌ সেনাৰ কলভাৰী শ্ৰেণীৰ ছাবমেৰিনৰ বাবে হেভিওৱেট টৰ্পিড' সংগ্ৰহ কৰা হ'ব। এই অধিগ্ৰহণে দেশৰ প্ৰতিৰক্ষা ক্ষমতা উল্লেখযোগ্যভাৱে বৃদ্ধি কৰিব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। চুক্তি স্বাক্ষৰ অনুষ্ঠানত প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙৰ উপস্থিতিত নতুন দিল্লীৰ চাউথ ব্লকত এই কাৰ্য্য সম্পন্ন হয়। প্ৰথম চুক্তিখন মূল্য প্ৰায় ২, ৭৭০ কোটি টকাৰ, যাৰ অধীনত ৪.২৫ লাখৰো অধিক চি কিউ বি কাৰ্বাইন তথা ইয়াৰ সহায়ক সামগ্ৰী ক্ৰয় কৰা হ'ব। এই সামগ্ৰী ভাৰত ফৰ্জ লিমিটেড আৰু পি এল আৰ চিষ্টেমছ প্ৰাইভেট লিমিটেডৰ পৰা সৰবৰাহ কৰা হ'ব। এই কাৰ্বাইনসমূহে সেনাৰ পুৰণি অস্ত্ৰশস্ত্ৰৰ সলনি লৈ নিকট যুদ্ধত অধিক কাৰ্যকৰীতা প্ৰদান কৰিব, যিয়ে 'আত্মনিৰ্ভৰ ভাৰত' অভিযানৰ অধীনত দেশীয় উৎপাদনক উৎসাহিত কৰিব। দ্বিতীয় চুক্তিখন প্ৰায় ১, ৮৯৬ কোটি টকাৰ, যাৰ জৰিয়তে ইটালীৰ ডব্লিউ এ এছ এছ ছাবমেৰিন চিষ্টেমছ এছ আৰ এলৰ পৰা ৪৮খন হেভিওৱেট টৰ্পিড' তথা সম্পৰ্কীয় সঁজুলি ক্ৰয় কৰা হ'ব। এই টৰ্পিড'সমূহ কলভাৰী শ্ৰেণীৰ (প্ৰকল্প-৭৫) ছাবমেৰিনত সংযোজন কৰা হ'ব, যিয়ে নৌ সেনাৰ জলান্তৰ যুদ্ধ ক্ষমতা বৃদ্ধি কৰিব। এই অত্যাধুনিক টৰ্পিড'সমূহত উন্নত প্ৰযুক্তি আৰু শক্তিশালী কাৰ্যক্ষমতা আছে বুলি প্ৰতিৰক্ষা মন্ত্ৰণালয়ে জানিবলৈ দিছে। টৰ্পিড'ৰ সৰবৰাহ ২০২৮ চনৰ এপ্ৰিলৰ পৰা আৰম্ভ হৈ ২০৩০ চনৰ আৰম্ভণিলৈকে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। এই চুক্তিসমূহে ভাৰতীয় নৌ সেনাৰ শক্তি উল্লেখযোগ্যভাৱে বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে, বিশেষকৈ জলান্তৰ যুদ্ধত। লগতে, চি কিউ বি কাৰ্বাইনৰ যোগেৰে স্থল সেনাৰ সৈনিকসকলে নিকট যুদ্ধত অধিক সুবিধা লাভ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ মতে, এই অধিগ্ৰহণে পুৰণি ব্যৱস্থাৰ সলনি লৈ দেশীয় প্ৰযুক্তিৰে সশস্ত্ৰ বাহিনীক শক্তিশালী কৰাৰ লক্ষ্য পূৰণ কৰিব। উল্লেখযোগ্য যে, ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰতিৰক্ষা মন্ত্ৰণালয়ে সশস্ত্ৰ বাহিনীৰ আধুনিকীকৰণৰ বাবে এতিয়ালৈকে মুঠ ১, ৮২, ৪৯২ কোটি টকাৰ মূলধনী চুক্তি স্বাক্ষৰ কৰিছে। এই পদক্ষেপসমূহে দেশৰ প্ৰতিৰক্ষা উৎপাদনক স্বাৱলম্বী কৰাৰ লগতে ৰাষ্ট্ৰীয় নিৰাপত্তা শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি বিশ্বাস কৰা হৈছে।

## ১০ ফেব্ৰুৱাৰীত প্ৰকাশ পাব

প্ৰকাশ কৰা হৈছে আৰু চূড়ান্ত তালিকা ২০২৬ চনৰ ১০ ফেব্ৰুৱাৰীত প্ৰকাশ পাব। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয়, "ৰাজ্যৰ সকলো বিধানসভা সমষ্টিৰ বাবে ২০২৫ চনৰ ২৭ ডিচেম্বৰত বিশেষ সংশোধনীৰ সংহত খচৰা নিৰ্বাচনী তালিকা প্ৰকাশ কৰা হৈছে। ইয়াৰ পূৰ্বে ২২ নৱেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ ৰাজ্যজুৰি ঘৰে ঘৰে পুনৰীক্ষণ অভিযান সফলতাৰে সম্পন্ন কৰা হৈছিল। এই অভিযানত বুথ পৰ্যায়ৰ বিষয়াসকলে (বিএলঅ') ৬১, ০৩, ১০৩টা পৰিয়ালৰ গৃহ পৰিদৰ্শন কৰি ১০০ শতাংশ ভোটাৰক সামৰি লৈছে।" খচৰা তালিকাৰ তথ্য প্ৰকাশ কৰি গোৱেলে জনায় যে, মুঠ ভোটাৰৰ সংখ্যা ২, ৫২, ০১, ৬২৪ গৰাকী। ই ২০২৫ চনৰ ৬ জানুৱাৰীত প্ৰকাশিত পূৰ্বৰ চূড়ান্ত তালিকাৰ তুলনাত ১.৩৫ শতাংশ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত পুৰুষ ভোটাৰ ১, ২৫, ৭২, ৫৮৩ জন, মহিলা ভোটাৰ ১, ২৬, ২৮, ৬৬২ গৰাকী আৰু তৃতীয় লিংগৰ ভোটাৰ ৩৭৯ গৰাকী। জনসংখ্যাৰ এহাজাৰৰ বিপৰীতে ভোটাৰৰ অনুপাত ৬৪৩ জন। ৰাজ্যত মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৩১, ৪৮৬টা। সৰ্বাধিক ভোটাৰ থকা বিধানসভা সমষ্টি দলগাঁও (৫১ নং), য'ত ভোটাৰৰ সংখ্যা ৩, ১৮, ৩২৬ গৰাকী। আনহাতে সৰ্বনিম্ন ভোটাৰ থকা সমষ্টি আমৰি (১১২ নং, এছটি), য'ত ভোটাৰ ১, ০০, ৩১৯ গৰাকী। সৰ্বাধিক ভোটগ্ৰহণ কেন্দ্ৰ থকা সমষ্টি মানকাচৰ (১১ নং), য'ত কেন্দ্ৰৰ সংখ্যা ৪০২টা। সৰ্বনিম্ন কেন্দ্ৰ থকা সমষ্টি দতমা (২ নং), য'ত কেন্দ্ৰ ১৪৬টা। আন তথ্য অনুসৰি, সেৱা ভোটাৰ ৬৩, ৩১৪ গৰাকী, দিব্যাংগ ভোটাৰ ২, ০২, ৪৩৩ গৰাকী, ১৮-১৯ বছৰীয়া যুৱ ভোটাৰ ২, ৪৫, ০৮৪ গৰাকী আৰু ৮৫ বছৰৰ ওপৰৰ জ্যেষ্ঠ নাগৰিক ভোটাৰ ১, ৩৬, ৫৪৬ গৰাকী। ৬ জানুৱাৰী ২০২৫ৰ পৰা ২৭ ডিচেম্বৰ ২০২৫লৈ মুঠ ৭, ৮৬, ৮৪১ গৰাকী নতুন ভোটাৰৰ নাম সংযোজন কৰা হৈছে আৰু ৪, ৪৭, ১৯৬ গৰাকীৰ নাম কৰ্তন কৰা হৈছে। পুনৰীক্ষণ অভিযানত মৃত ভোটাৰ ৪, ৭৮, ৯৯২ গৰাকী, স্থানান্তৰিত ভোটাৰ ৫, ২৩, ৬৮০ গৰাকী আৰু একেধৰণৰ একাধিক নাম ৫৩, ৬১৯টা চিনাক্ত কৰা হৈছে। কিন্তু জনপ্ৰতিনিধিত্ব আইন, ১৯৫০ অনুসৰি এই নামসমূহ এতিয়াও তালিকাৰ পৰা কৰ্তন কৰা হোৱা নাই। দাবী আৰু আপত্তিৰ সময়ছোৱাত আনুষ্ঠানিক আবেদনৰ ভিত্তিতহে এই প্ৰক্ৰিয়া সম্পন্ন কৰা হ'ব। ত্ৰুটিমুক্ত তালিকা নিশ্চিত কৰিবলৈ নাগৰিকসকলে ফৰ্ম ৬ (নতুন নাম সংযোজন), ফৰ্ম ৭ (আপত্তি বা কৰ্তন) আৰু ফৰ্ম ৮ (সংশোধন, স্থানান্তৰ, দিব্যাংগ চিহ্নিতকৰণ বা পৰিচয়পত্ৰ সলনি)ৰ জৰিয়তে অনলাইন বা অফলাইনত আবেদন কৰিব পাৰে। বিগত তিনিদিনত নতুন নাম সংযোজনৰ বাবে এক লাখৰো অধিক আবেদন লাভ হৈছে। দাবী আৰু আপত্তি দাখিলৰ অন্তিম তাৰিখ ২২ জানুৱাৰী ২০২৬। নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ সিদ্ধান্তত অসন্তুষ্ট হ'লে ১৫ দিনৰ ভিতৰত জিলা দণ্ডাধীশৰ ওচৰত আৰু প্ৰয়োজন হ'লে ৩০ দিনৰ ভিতৰত মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত আপীল কৰিব পাৰিব। প্ৰথমবাৰৰ বাবে খচৰা তালিকাৰ বিষয়ে গাঁওসভাত ৰাইজৰ সন্মুখত পাঠ কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে এই প্ৰক্ৰিয়া সম্পন্ন কৰিব আৰু জিলা আয়ুক্তসকলৰ সুবিধা অনুসৰি ৩-৪ বা ১০-১১ জানুৱাৰীত এই সভা অনুষ্ঠিত হ'ব। নগৰ অঞ্চলত পৌৰসভা বা পৌৰ নিগমত এই কাৰ্যসূচী হ'ব। সভাত ৰাজনৈতিক দলৰ প্ৰতিনিধি, গাঁওপ্ৰধান আৰু পঞ্চায়ত প্ৰতিনিধিসকল উপস্থিত থাকিব। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে জনায় যে, নিৰ্বাচনৰ দিন ঘোষণা জানুৱাৰীৰ দ্বিতীয় সপ্তাহ বা ফেব্ৰুৱাৰীৰ শেষৰ ফালে হ'ব পাৰে। এই প্ৰক্ৰিয়াই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ বাবে স্বচ্ছ আৰু নিৰ্ভুল ভোটাৰ তালিকা নিশ্চিত কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

## বিজনীত হ'ব তিনিদিনীয়া

বৰ্ষৰ দ্বিতীয় সপ্তাহত অনুষ্ঠিত হ'ব। ২০২৬ চনৰ ৯, ১০ আৰু ১১ জানুৱাৰীত চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত বৰলাওগাঁৱৰ থেংফাখ্ৰি পথাৰত এই তিনিদিনীয়া অধিৱেশনৰ আয়োজন কৰা হৈছে। এই অধিৱেশনত প্ৰতিনিধি সভাৰ জৰিয়তে সংগঠনটোৰ নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হ'ব বুলি প্ৰাপ্ত তথ্যই প্ৰকাশ কৰিছে। বড়ো সাহিত্য সভাৰ এই অধিৱেশনক লৈ চিৰাং জিলাত ইতিমধ্যে উৎসাহৰ সঞ্চাৰ হৈছে। শেহতীয়াকৈ থেংফাখ্ৰি পথাৰত থেংফাখ্ৰিৰ মূৰ্তিৰ ভিত্তি প্ৰস্তৰ স্থাপনৰ লগতে অধিৱেশনৰ প্ৰস্তুতিৰ কাম তীব্ৰতৰ হৈ উঠিছে। সভাৰ আদৰণি সমিতিৰ অন্তিম কাৰ্যনিৰ্বাহক বৈঠকতো এই অধিৱেশনক সফল কৰি তোলাৰ বাবে বিভিন্ন সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বৰ্তমানৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ নেতৃত্বত এই প্ৰস্তুতি চলি আছে। অধিৱেশনৰ লগতে সভাপতি পদৰ নিৰ্বাচনক লৈও বড়ো সাহিত্যিক মহলত যথেষ্ট চৰ্চা চলিছে। প্ৰাপ্ত খবৰ অনুসৰি, কোকৰাঝাৰ আৰু গোসাঁইগাঁৱৰ জিলা সমিতিৰ পৰা গোপীনাথ বৰগয়াৰী, চিৰাং আৰু বিজনী জিলা সমিতিৰ পৰা ড০ দীননাথ বসুমতাৰী আৰু গুৱাহাটী জিলা সমিতিৰ পৰা কমলাকান্ত মুছাহাৰী আৰু ড০ অনিল বড়োৰ নাম সভাপতি পদৰ দৌৰত প্ৰবলভাৱে উঠি আহিছে। গোপীনাথ বৰগয়াৰী বড়ো সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক আৰু সংগঠনটোৰ সৈতে দীৰ্ঘদিনীয়া গভীৰ সম্পৰ্ক ৰখা এগৰাকী প্ৰবীণ নেতা। তেওঁৰ সৈতে সভাৰ প্ৰায় সকলো সদস্যৰে ভাল যোগাযোগ আছে। আনহাতে, কমলাকান্ত মুছাহাৰীয়ো প্ৰাক্তন সাধাৰণ সম্পাদক তথা উপ-সভাপতি হিচাপে সভাৰ কাৰ্যকলাপত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁৰো সংগঠনটোত বহুল জনপ্ৰিয়তা আছে। ড° দীননাথ বসুমতাৰী বড়ো সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতিৰ লগতে বড়ো লিখক সংস্থাৰো প্ৰাক্তন সভাপতি। তেওঁৰ বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীৰ সৈতে মধুৰ সম্পৰ্ক আছে বুলি জনা যায়। সাহিত্যিক মহলত চৰ্চা অনুসৰি, আগন্তুক সভাপতি পদৰ বাবে কমলাকান্ত মুছাহাৰী আৰু ড০ দীননাথ বসুমতাৰীৰ মাজতেই মূল প্ৰতিদ্বন্দ্বিতা হ'ব পাৰে।

## বিদেশীমুক্ত অসমৰ বাবে

মেলত অখিল গগৈয়ে কয় যে, বিজেপিয়ে বিদেশীমুক্ত অসম গঢ়িবলৈ পুনৰ ৫ বছৰ সময় বিচৰাৰ কথা মিছা প্ৰতিশ্ৰুতি মাত্ৰ। তেওঁৰ হিচাপ অনুসৰি, বিজেপি চৰকাৰৰ বৰ্তমানৰ গতি অনুসৰি ৪০ লাখ বিদেশীক বহিষ্কাৰ কৰিবলৈ লাগিব প্ৰায় ২২, ৫৭৫ বছৰ! অখিল গগৈয়ে উল্লেখ কৰে যে, বিজেপিৰ প্ৰথম মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত (২০১৬-২০২০) অসমৰ পৰা মুঠ ২৬০জন বিদেশীক বহিষ্কাৰ কৰা হৈছিল। তাৰ পিছত হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত (২০২১-২০২৫ৰ ৩০ অ'ক্টোবৰলৈ) ১, ৪১৬ জনক বহিষ্কাৰ কৰা হৈছে। এইদৰে ১০ বছৰত বিজেপিয়ে মুঠ ১, ৬৭৬জন বিদেশীক খেদিছে, যিটো প্ৰতি ২.০৬ দিনত এজন আৰু প্ৰতিদিনে ০.৪৮ জনৰ সমান। এই হিচাপত ৪০ লাখ বিদেশীক বহিষ্কাৰ কৰিবলৈ লাগিব ৮২ লাখ ৪০ হাজাৰ দিন, অৰ্থাৎ প্ৰায় ২২, ৫৭৫.৩৪ বছৰ। গতিকে, বিজেপিয়ে দাবী কৰাৰ দৰে ৫ বছৰত নহয়, ইয়াক সম্পূৰ্ণ কৰিবলৈ লাগিব বহু শতিকা। তেওঁ লগতে কয় যে, বিজেপিয়ে ২০১৪ চনত নৰেন্দ্ৰ মোদীয়ে দিয়া প্ৰতিশ্ৰুতি যে '১৬ মে'ৰ পৰা বিদেশীয়ে টালি-টোপোলা বান্ধি পলাব' সেয়া মিছা প্ৰমাণিত হৈছে। বৰং, ২০১৯ চনত নাগৰিকত্ব সংশোধনী আইন (চিএএ) আনি ধৰ্মৰ ভিত্তিত বিদেশীক নাগৰিকত্ব দিয়াৰ পথ প্ৰশস্ত কৰা হৈছে। ২০১৬ নিৰ্বাচনত দিয়া 'বিদেশীমুক্ত, বানপানীমুক্ত, দুৰ্নীতিমুক্ত আৰু নিবনুৱামুক্ত' অসমৰ প্ৰতিশ্ৰুতি কেৱল কাগজতহে ৰৈ গৈছে। নিৰ্বাচন অহাৰ লগে লগে দিল্লীৰ পৰা অমিত শাহৰ দৰে নেতাসকল অহি পুনৰ মিছা প্ৰতিশ্ৰুতি দিবলৈ আহিছে, কিন্তু অসমবাসীয়ে এইবাৰ ভোল নাযায় বুলি অখিল গগৈয়ে সতৰ্ক কৰি দিয়ে। অখিল গগৈয়ে তুলনামূলকভাৱে উল্লেখ কৰে যে, তৰুণ গগৈৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালত (২০০১-২০১৬) অসমৰ পৰা বিদেশী বহিষ্কাৰৰ সংখ্যা যথেষ্ট অধিক আছিল, যিটো বিজেপিৰ কাৰ্যকালতকৈ বহুত বেছি। তেওঁ এই সংখ্যাসমূহৰ তুলনা কৰি বিজেপিৰ ব্যৰ্থতা পোহৰলৈ আনিছে। অখিল গগৈৰ এই মন্তব্যই অসমৰ ৰাজনৈতিক পৰিবেশত নতুন চৰ্চাৰ সৃষ্টি কৰিছে আৰু বিজেপিৰ নেতৃত্বক প্ৰত্যাহ্বান জনাইছে। তেওঁৰ মতে, বিজেপিয়ে পুনৰ 'টেঙা আম বেচিব'লৈ অহিছে আৰু অসমবাসীয়ে এইবাৰ সচেতন হৈ উঠিব লাগিব।

## ৰীমা দাসৰ 'ভিলেজ

সাম্প্ৰতিক ছবি 'ভিলেজ ৰকষ্টাৰ্ছ ২'ৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিষ্ঠিত সংস্থা নিউয়ৰ্ক উইমেন ইন ফিল্ম এণ্ড টেলিভিছন (NYWIFT)ৰ পৰা 'এক্সিলেঞ্চ ইন ডাইৰেক্টিং' বঁটা লাভ কৰিছে। এই সন্মান ২০২৫ বৰ্ষৰ বাবে প্ৰদান কৰা হৈছে আৰু বিশ্বৰ বিভিন্ন দেশৰ পৰা নিৰ্বাচিত ১১ গৰাকী মহিলা চলচ্চিত্ৰ নিৰ্মাতাৰ ভিতৰত ৰীমা দাস অন্যতম। NYWIFT এখন আমেৰিকাৰ বিনোদন উদ্যোগৰ অন্যতম সন্মানীয় অলাভজনক সংস্থা, যিয়ে চলচ্চিত্ৰ, টেলিভিছন আৰু ডিজিটেল মাধ্যমত কাম কৰা মহিলাসকলক সমৰ্থন, প্ৰচাৰ আৰু উদযাপন কৰে। এই বঁটাৰ জৰিয়তে সংস্থাই মহিলা নিৰ্মাতাসকলৰ সৃষ্টিশীল কণ্ঠস্বৰক বিশ্বমঞ্চত উজ্জ্বল কৰি তোলাৰ প্ৰয়াস কৰে। এই সফলতাৰ পিছতে ৰীমা দাসে সামাজিক মাধ্যমত আনন্দ প্ৰকাশ কৰি কয় যে, "এই সন্মান মোৰ বাবে গভীৰ অৰ্থপূৰ্ণ। ই কেৱল মোৰ ব্যক্তিগত সাফল্য নহয়, বৰঞ্চ ভাৰতীয় জীৱনৰ বাস্তৱ অভিজ্ঞতাৰে গঢ়ি তোলা কাহিনীসমূহে সীমা অতিক্ৰম কৰি বিশ্ব দৰ্শকৰ ওচৰ পোৱাৰ এক স্বীকৃতি। এই সমৰ্থনে মোক অধিক অন্তৰ্ভুক্তিমূলক বিশ্ব চলচ্চিত্ৰ জগত গঢ়ি তোলাৰ বিশ্বাস আৰু দৃঢ় কৰিছে।" তেওঁ লগতে এই যাত্ৰাত জড়িত সকলোকে ধন্যবাদ জনায়। 'ভিলেজ ৰকষ্টাৰ্ছ ২' ছবিখনে ২০২৪ চনৰ বুচান আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত বিশ্ব প্ৰিমিয়াৰ লাভ কৰি 'কিম জিচক বঁটা' লাভ কৰিছিল। ইয়াৰ উপৰি ২০২৫ চনত বাৰ্লিন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ইউৰোপীয় প্ৰিমিয়াৰ হোৱাৰ লগতে অন্যান্য আন্তঃৰাষ্ট্ৰীয় মঞ্চতো প্ৰশংসা লাভ কৰিছে। এই ছবিখন ৰীমা দাসৰ পূৰ্বৰ ছবি 'ভিলেজ ৰকষ্টাৰ্ছ'ৰ ছিকুৱেল, যিয়ে ৰাষ্ট্ৰীয় বঁটাৰ লগতে ২০১৯ চনত অস্কাৰৰ বাবে ভাৰতৰ আধিকাৰিক প্ৰৱেশ হিচাপে নিৰ্বাচিত হৈছিল। এই নতুন আন্তঃৰাষ্ট্ৰীয় সন্মানে অসমীয়া চলচ্চিত্ৰৰ বিশ্ব মানচিত্ৰত এক নতুন মাইলৰ খুঁটি স্থাপন কৰিছে আৰু অসমৰ স্থানীয় কাহিনীসমূহে বিশ্ব দৰ্শকক স্পৰ্শ কৰিব পৰাৰ সম্ভাৱনা পুনৰ প্ৰমাণ কৰিছে।

## কেএলঅ'ৰ আলোচনাপন্থী

কৰা হৈছে। কে এল অ'ৰ এই গোটটোৱে অসম, পশ্চিমবংগ আৰু বিহাৰৰ কোঁচ-ৰাজবংশী সম্প্ৰদায়ৰ লোকসকলক জনজাতিৰ মৰ্যাদা প্ৰদানৰ প্ৰস্তাৱৰ লগতে ৰাজবংশী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ দাবীও আলোচনাত উত্থাপন কৰিছে। এই দাবীসমূহ কোঁচ-ৰাজবংশী সম্প্ৰদায়ৰ সাংস্কৃতিক, ভাষিক আৰু অৰ্থনৈতিক উন্নয়নৰ সৈতে জড়িত বুলি সংগঠনটোৱে দীৰ্ঘদিনৰ পৰা দাবী কৰি আহিছে। উল্লেখ্য যে, কে এল অ'ৰ সৈতে কেন্দ্ৰ চৰকাৰৰ শান্তি আলোচনাৰ প্ৰক্ৰিয়া কেইবছৰমানৰ পৰা চলি আহিছে আৰু জীৱন সিংহ কোঁচৰ নেতৃত্বত সংগঠনটোৰ এটা অংশই হিংসা ত্যাগ কৰি মূলসুঁতিত যোগদান কৰাৰ পিছত এই প্ৰক্ৰিয়াই নতুন গতি লাভ কৰিছে। এই আলোচনাই উত্তৰ-পূব আৰু উত্তৰ বংগৰ শান্তি-শৃংখলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। আলোচনাৰ ফলাফল কি হ'ব সেয়া এতিয়াও স্পষ্ট হোৱা নাই যদিও কোঁচ-ৰাজবংশী সম্প্ৰদায়ৰ মাজত এই পদক্ষেপক লৈ আশাৰ সঞ্চাৰ হৈছে। চৰকাৰী সূত্ৰই জনোৱা মতে, এই দাবীসমূহৰ বিষয়ে বিস্তৃত আলোচনা অব্যাহত আছে আৰু সকলো পক্ষৰ স্বাৰ্থ সুৰক্ষিত কৰি এক সমাধান বিচাৰি উলিওৱাৰ প্ৰয়াস চলোৱা হৈছে।

## ২০২৬ৰ বিধানসভা

(বিজেপি)ই ইতিমধ্যে সম্পূৰ্ণ প্ৰস্তুতি গ্ৰহণ কৰিছে বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ পিছতে এই মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, দলটোৰ প্ৰাৰ্থী তালিকা আগন্তুক ফেব্ৰুৱাৰী মাহৰ প্ৰথম বা দ্বিতীয় সপ্তাহত ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী শৰ্মাই ব'ত এখন কাৰ্যসূচীত অংশগ্ৰহণ কৰি সাংবাদিকৰ আগত কয়, "বিজেপি ২০২৬ৰ নিৰ্বাচনৰ বাবে একেবাৰে সাজু হৈ আছে। আমি আমাৰ মিত্ৰজোঁটৰ সৈতে মিলি শক্তিশালীভাৱে প্ৰতিদ্বন্দ্বিতা কৰিম আৰু জয়লাভ কৰিম।" তেওঁ লগতে উল্লেখ কৰে যে, অসম গণ পৰিষদ (অগপ)ৰ সৈতে মিত্ৰতাৰ ক্ষেত্ৰত কোনো ধৰণৰ সমস্যা নাই। দুয়োটা দলে একেলগে কাম কৰি ৰাজ্যৰ উন্নয়নৰ ধাৰা অব্যাহত ৰাখিব বুলি তেওঁ আশ্বাস দিয়ে। বড়োলেণ্ড টেৰিট'ৰিয়েল ৰিজিয়ন (বিটিআৰ)ৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে, বিজেপিয়ে সেই অঞ্চলৰ ৫ৰ পৰা ৬খন বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব। "আমাৰ সাংগঠনিক শক্তিৰ ওপৰত ভিত্তি কৰি আমি বিটিচিত ৫-৬খন আসনত নিজাববীয়াকৈ প্ৰতিদ্বন্দ্বিতা কৰিব পাৰোঁ। মিত্ৰতা বা জোঁট গঠন হ'লে পৰিস্থিতি সলনি হ'ব পাৰে, কিন্তু আলোচনা এতিয়াও বাকী আছে, "বুলি তেওঁ মন্তব্য কৰে। ২০২১ চনৰ নিৰ্বাচনত বিজেপি নেতৃত্বাধীন এনডিএ জোঁটে শক্তিশালী ফলাফল লাভ কৰিছিল আৰু ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰ গঠন কৰিছিল। এইবাৰো দলটোৱে একে ধাৰা অব্যাহত ৰাখি অধিক আসন লাভ কৰাৰ লক্ষ্য লৈ আগবাঢ়িছে। ৰাজ্যত উন্নয়নমূলক কাম-কাজ, সাংস্কৃতিক সংৰক্ষণ আৰু জনকল্যাণমূলক আঁচনিবোৰক প্ৰচাৰৰ মুখ্য অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব বুলি বিজেপিৰ নেতৃত্বই ইংগিত দিছে। নিৰ্বাচনী প্ৰস্তুতিৰ এই ঘোষণাই ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে। বিৰোধী দলসমূহেও নিজৰ প্ৰস্তুতি তীব্ৰতৰ কৰিছে যদিও বিজেপিৰ আত্মবিশ্বাসী ভংগিমাই জোঁটটোৰ শক্তিৰ ইংগিত দিছে। ২০২৬ৰ নিৰ্বাচন অসমৰ ভৱিষ্যতৰ বাবে এক গুৰুত্বপূৰ্ণ হ'ব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত পোষণ কৰিছে।

## চিবিএছইৰ দশম-দ্বাদশ

পৰীক্ষাৰ সময়সূচী পূৰ্বতে ঘোষণা কৰা হৈছিল যদিও সম্প্ৰতি দুয়োটা শ্ৰেণীৰ মাদাৰ লেঙ্গুৱেজ/মডাৰ্ণ ইণ্ডিয়ান লেঙ্গুৱেজ (এম আই এল) বিষয়ৰ পৰীক্ষা স্থগিত কৰি নতুন তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। পৰীক্ষা নিয়ন্ত্ৰক ড° সনয়ম ভৰদ্বাজে জনোৱা অনুসৰি, প্ৰশাসনিক কাৰণতহে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে আৰু বাকী সকলো বিষয়ৰ পৰীক্ষা পূৰ্বৰ সময়সূচী অনুসৰিয়েই অনুষ্ঠিত হ'ব। পূৰ্বৰ সময়সূচী অনুসৰি দশম আৰু দ্বাদশ শ্ৰেণীৰ এম আই এল বিষয়ৰ পৰীক্ষা ৩ মাৰ্চত একেলগে অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু এতিয়া এই পৰীক্ষাসমূহ পৃথক দিনত অনুষ্ঠিত হ'ব। নতুন ঘোষণা অনুসৰি, দশম শ্ৰেণীৰ এম আই এল বিষয়ৰ পৰীক্ষা ৩ মাৰ্চৰ পৰিৱৰ্তে ১১ মাৰ্চত অনুষ্ঠিত হ'ব। একেদৰে দ্বাদশ শ্ৰেণীৰ এই বিষয়ৰ পৰীক্ষা ৩ মাৰ্চৰ সলনি ১০ এপ্ৰিলত অনুষ্ঠিত হ'ব। চি বি এছ ইৰ এই সিদ্ধান্তই ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলৰ মাজত সকাহৰ সৃষ্টি কৰিছে যদিও পৰীক্ষাৰ প্ৰস্তুতিৰ ক্ষেত্ৰত নতুন সময়সূচী অনুসৰি পৰিকল্পনা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। পৰীক্ষা নিয়ন্ত্ৰকে স্পষ্ট কৰিছে যে, এই সালসলনি কেৱল এম আই এল বিষয়ৰ বাবেহে প্ৰযোজ্য আৰু অন্য সকলো বিষয়ৰ পৰীক্ষা পূৰ্ব নিৰ্ধাৰিত তাৰিখতে অনুষ্ঠিত হ'ব। ছাত্ৰ-ছাত্ৰীসকলে চি বি এছ ইৰ অফিচিয়েল ৱেবচাইট cbse.gov.inত উপলব্ধ নতুন সময়সূচী পৰীক্ষা কৰি ল'ব পাৰে। লগতে বিদ্যালয়সমূহকো এই তথ্য ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকললৈ তৎকালীনভাৱে প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। এই সালসলনিয়ে পৰীক্ষাৰ্থীসকলক অধিক প্ৰস্তুতিৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

## বাংলাদেশী জেহাদীৰ ঘাটিলৈ পৰিণত

কৰি উত্তৰ-পূব ভাৰতক অশান্ত কৰাৰ পৰিকল্পনা কৰিছিল। বাংলাদেশত ২০২৪ চনৰ আগষ্ট মাহত চৰকাৰী পৰিৱৰ্তনৰ পিছত JMB, আনছাৰুল্লাহ বাংলা টিম (ABT) আৰু আল-কায়দা ইন দ্য ইণ্ডিয়ান ছাবকণ্টিনেণ্ট (AQIS)ৰ জ্যেষ্ঠ নেতাসকলে IMKক সক্ৰিয় কৰি ভাৰতীয় মডিউলসমূহ বিস্তাৰ কৰাৰ নিৰ্দেশ দিছিল বুলি গোয়েন্দা তথ্যত প্ৰকাশ পাইছে। গ্ৰেপ্তাৰকৃতসকলৰ নামসমূহ হ'ল- নাছিম উদ্দিন ওৰফে নাজিমুদ্দিন ওৰফে টামিম ইছলাম (২৪), জুনাব আলি (৩৮), আফ্ৰাহিম হুচেইন (২৪), মিজানুৰ ৰহমান (৪৬), চুলতান মাহমুদ (৪০), মহম্মদ ছিদ্দিক আলি (৪৬), ৰাছিদুল আলম (২৮), মাহিবুল খান (২৫), শ্বাৰুক হুচেইন (২২), মহম্মদ দিলবৰ ৰাজাক (২৬) আৰু ত্ৰিপুৰাৰ জাগিৰ মিয়া (৩৩)। অসম মডিউলটোৰ মূল ব্যক্তি আছিল বৰপেটাৰ নাছিম উদ্দিন ওৰফে টামিম। তদন্তত প্ৰকাশ পোৱা অনুসৰি, এই সংগঠনে 'ডিজিটেল জেহাদ'ৰ জৰিয়তে যুৱকসকলক মগজু ধোৱাৰ কাম কৰিছিল। এনক্ৰিপ্টেড ছ'চিয়েল মিডিয়া প্লেটফৰ্ম আৰু 'পূৰ্ব আকাশ' নামৰ হোৱাটছএপ গ্ৰুপ ব্যৱহাৰ কৰি সদস্য নিয়োগ, ধন সংগ্ৰহ আৰু সমন্বয় সাধন কৰা হৈছিল। অসম, পশ্চিমবংগ আৰু ত্ৰিপুৰাৰ পৰা সংগ্ৰহ কৰা ধন হাওৱালাৰ জৰিয়তে বাংলাদেশলৈ প্ৰেৰণ কৰা হৈছিল, যিয়ে প্ৰশিক্ষণ আৰু লজিষ্টিৰ বাবে ব্যৱহাৰ হৈছিল। কেইজনমান সদস্যে বৈধ পাছপৰ্ট আৰু ভিছাৰে বাংলাদেশ ভ্ৰমণ কৰি প্ৰশিক্ষণ লৈছিল বুলিও তথ্য পোৱা গৈছে। এই অভিযানে উত্তৰ-পূবৰ শান্তি-শৃংখলাৰ বাবে এক বৃহৎ ভাবুকি নিষ্ক্ৰিয় কৰিছে বুলি আৰক্ষীয়ে দাবী কৰিছে। তদন্ত অব্যাহত আছে আৰু অধিক গ্ৰেপ্তাৰৰ সম্ভাৱনা আছে।

## শীতৰ প্ৰকোপৰ বাবে কামৰূপ মেট্ৰ'ৰ বিদ্যালয়

বিভিন্ন প্ৰান্তত জীৱনযাত্ৰা প্ৰভাৱিত হৈছে। বিশেষকৈ কামৰূপ মেট্ৰ' জিলাত শীতৰ তীব্ৰতা অধিক অনুভৱ হোৱাৰ প্ৰেক্ষিতত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্যৰ কথা বিবেচনা কৰি গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। কামৰূপ (মেট্ৰ') জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ৰ জাৰি কৰা এক নিৰ্দেশনা অনুসৰি, জিলাৰ অন্তৰ্গত সকলো চৰকাৰী আৰু প্ৰাদেশীকৃত বিদ্যালয় ৩১ ডিচেম্বৰৰ পৰা ৬ জানুৱাৰীলৈকে মুঠ এসপ্তাহৰ বাবে বন্ধ থাকিব। এই বন্ধৰ উদ্দেশ্য হৈছে প্ৰচণ্ড শীত আৰু ঘন কুঁৱলীৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্যৰ সম্ভাব্য ক্ষতিৰ পৰা সুৰক্ষা প্ৰদান কৰা। পৰিদৰ্শকৰ কাৰ্যালয়ে বিদ্যালয়সমূহৰ মুৰব্বীসকলক এই সন্দৰ্ভত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। ইয়াৰ উপৰি ব্যক্তিগত বা বেচৰকাৰী বিদ্যালয়সমূহকো পৰিস্থিতি অনুসৰি নিজাববীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। উল্লেখ্য যে, শীতকালত অসমত সাধাৰণতে কুঁৱলীৰ প্ৰভাৱ বৃদ্ধি পায় আৰু উষ্ণতা হ্ৰাস পোৱাৰ ফলত যাতায়াতকে ধৰি দৈনন্দিন কাম-কাজত অসুবিধাৰ সৃষ্টি হয়। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষাৰ বাবে এনে পদক্ষেপ গ্ৰহণ কৰাটো প্ৰশংসনীয় বুলি অভিভাৱক মহলে মত প্ৰকাশ কৰিছে। এই বন্ধৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে নৱবৰ্ষৰ আৰম্ভণিতে অতিৰিক্ত বিশ্ৰাম লাভ কৰিব পাৰিব যদিও শৈক্ষিক কাৰ্যসূচীত কিছু প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে। বিদ্যালয়সমূহ পুনৰ ৭ জানুৱাৰীৰ পৰা খোলা হ'ব বুলি জানিব পৰা গৈছে।

### সাহিত্য সাধনা কৰা সকলে সমাজৰ প্ৰতি দ্বায়িত্বশীল হোৱা উচিত ঃ নীলিম কুমাৰ

# সাহিত্য-সংস্কৃতিৰ মঞ্চ, অসমৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠান

**আমবাৰী সাহিত্য সভা ভৱনৰ পৰা অৰূপ বড়ো, ৩০ ডিচেম্বৰ ঃ** প্ৰচাৰ প্ৰসাৰ কাৰণে সাহিত্য নহয়, সাহিত্য জাতিৰ মেৰুদণ্ড স্বৰূপ, সাহিত্যক শ্ৰদ্ধা ভক্তি কৰিব জানিলেই এজন ব্যক্তিক সফল বুলি কব পাৰি এই কথা ব্যক্ত কৰে বিশিষ্ট কবি নীলিম কুমাৰে। তেওঁ আৰু কয় সাহিত্য সাধনা কৰা সকলে সমাজৰ প্ৰতি দ্বায়িত্বশীল হোৱা উচিত বুলি। উল্লেযোগ্য যে সাহিত্য- সংস্কৃতিৰ মঞ্চ অসমৰ সপ্তম বৰ্ষপূৰ্তি অনুষ্ঠানটি যোৱা ২৮ ডিচেম্বৰ তাৰিখে গুৱাহাটী আমবাৰীস্থিত জয়ন্ত বৰুৱা-লখিমী বৰুৱা সদন(সাহিত্য সভা ভৱন) ত সফলতাৰে সমাপ্ত হয়। উক্ত দিনটোৰ কাৰ্যসূচী অনুসৰি, পুৱা ৯: ৩০ বজাত মঞ্চৰ পতাকা উত্তোলন কৰে গোটৰ সভাপতি ড° ৰমেশ কুমাৰ কাকতিয়ে, তাৰ পিছতে বজাত বন্তিপ্ৰজ্জ্বলন কৰে অনুষ্ঠানৰ কাৰ্যকৰী সভাপতি শংকৰ দেৱ লগতে জাতীয় জীৱনৰ স্বাভিমান অমৰ শিল্পী ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে কবি দীপশিখা বৰগোহাঁই দাসৰ লগতে মঞ্চৰ কাৰ্যকৰী বিষয়ববীয়া সকলে। মুকলি সভাত সভাপতিৰ আসন অলংকৃত কৰে ড ৰমেশ কুমাৰ কাকতিয়ে। সভাৰ আগমুহূৰ্তত মঞ্চৰ সদস্য সকলে মঞ্চ সংগীতটো পৰিৱেশন কৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ তথা প্ৰত্যাহ্বান আলোচনীৰ মুখ্য সম্পাদক জয়ন্ত মাধৱ বৰাই। তেওঁ সৃজনীশীল সাহিত্য সম্পৰ্কে কেবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক ড° ইকবাল হোচেইন খানেও তেখেতৰ সাৰুৱা বক্তব্য ডাঙি ধৰে। অসমৰ বিশিষ্ট সাহিত্যিক ড° নীলিমা গোস্বামীয়ে মঞ্চৰ বাৰ্ষিক কাব্য সংকলন "কাব্যকুঞ্জ" উন্মোচন কৰি মঞ্চৰ এই আগ্ৰহক ভূয়সী প্ৰশংসা কৰে। লগতে জুবিন গাৰ্গৰ স্মৃতিত প্ৰকাশিত মঞ্চৰ স্মৃতিগ্ৰন্থ "মায়াবিনী ৰাতিৰ বুকুত" উন্মোচন কৰে বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ জয়ন্ত মাধৱ বৰাই। পাঠশালাৰ তৃতীয় বসন্ত প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা যুৱ কবি সমীৰনয়ন কীৰ্তিকাৰ "ৰ'দৈ খোৱা জোন আৰু কিছু চিনেমেটিক দৃশ্যপট" শীৰ্ষক কাব্যগ্ৰন্থখন উন্মোচন কৰি কয় যে অসমীয়া কবিতা বৌদ্ধিক মহলৰ খোৱাকৰ পৰা নামি আহি সাধাৰণ মানুহৰ মনত বাস কৰিব লাগিব। তেতিয়াহে কবিতাই আচল পাঠক পাব। এই অনুষ্ঠানতে দীপ্তি প্ৰকাশে জুবিন গাৰ্গৰ স্মৃতিত কবি ঔপন্যাসিক অলকা বুজৰ বৰুৱাৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা "মায়াবিনী" উন্মোচন কৰে অসমৰ এজন বিশিষ্ট কবি শান্তনু শৰ্মাই। সভাত কবি ৰুদ্ৰ সিংহ মটক আৰু মহেন্দ্ৰ বড়া দেৱক "জীৱন-জোৰা সাধনা বঁটা"ৰে সন্মানিত কৰা হয়। আনহাতে, ক্ৰমে দ্বীপেন হাজৰিকা, মৌচুমী হাতী বৰুৱা আৰু মামণি কলিতাক "কাব্যকুঞ্জ" বঁটাৰে সন্মানিত কৰা হয়। "প্ৰেৰণা বঁটা"ৰে সন্মানিত কৰা হয় ক্ৰমে নিকুঞ্জ শৰ্মা, মৃদুস্মিতা শৰ্মা, চম্পাৰাণী হালৈ, নিজৰা ডেকা, অলকা বুজৰ বৰুৱা, নৱনীতা গগৈ শইকীয়া, নৱনীতা ডেকা, কবীন্দ্ৰ কুমাৰ ডেকা, ৰীমা মণি শৰ্মা, দীপশিখা বৰুৱা, কৈলাস চন্দ্ৰ দাস আৰু সান্ত্বনা মেধিক। লগতে প্ৰশাসকৰ বিশেষ সন্মান প্ৰদান কৰা হয় দিলীপ কুমাৰ ভট্টাচাৰ্যক। উক্ত সভাতে "সাহিত্য-সংস্কৃতিৰ মঞ্চ: অসম"ৰ মজিয়াত পূৰ্বতে অনুষ্ঠিত হৈ যোৱা সাহিত্য-সংস্কৃতিৰ- মঞ্চ ঃ অসম সপ্তম বৰ্ষপূৰ্তি উপলক্ষ্যে "স্বাধীনতা" বিষয়ক কবিতা প্ৰতিযোগিতাৰ ফলাফল ২০২৪ চনৰ মধুস্মিতা শৰ্মা (প্ৰথম), বনজুৰী বৰুৱা (দ্বিতীয়), হিমাদ্ৰী দাস আৰু ৰঞ্জন বৰ্মন (তৃতীয়) স্থান প্ৰাপক আৰু "স্বাধীনতা" বিষয়ক কবিতা প্ৰতিযোগিতাৰ ফলাফল ২০২৫ চনৰ কবিন কাকতি (প্ৰথম), পৰী প্ৰিয়া হাজৰিকা (দ্বিতীয়), সত্যজিত চৌধুৰী (তৃতীয়) স্থান প্ৰাপক আৰু "স্বাধীনতা" বিষয়ক অণুগল্প প্ৰতিযোগিতাৰ ফলাফল ২০২৫ চনৰ মধুস্মিতা শৰ্মা আৰু মোজাহিদুল ইছলামক লগতে "শিক্ষক দিৱস" বিষয়ক কবিতা প্ৰতিযোগিতাত জয়ন্ত দাস (প্ৰথম), দিগন্ত নিবিড় (দ্বিতীয়), জুৰি ৰাজখোৱা গগৈ আৰু সত্যজিত চৌধুৰী (তৃতীয়) স্থান প্ৰাপক সকলক উক্ত অনুষ্ঠানতে বটা প্ৰদান কৰা হয়। অসমৰ ভিন্ন ঠাইৰ পৰা অহা প্ৰায় ভালেসংখ্যক কবিৰ কবিতা পাঠেৰে আৰু গীত নৃত্যৰে বৰ্ষপূৰ্তি অনুষ্ঠানৰ সৌষ্ঠৱ যেন দুগুণে বৃদ্ধি কৰি তোলে। শেষত অসম সংগীতটো পৰিৱেশন কৰি সভা ভংগ হয়। অনুষ্ঠান সফল হোৱাৰ আঁৰত থকা সকলো কৰ্ম কৰ্তাক মুখ্য সম্পাদক পাপৰি দেৱীয়ে ধন্যবাদ জনায়।

### অগপ, কংগ্ৰেছ এআইইউডিএফৰে তিনিকোণীয়া হ'ব নিৰ্বাচনী যুঁজ

# ক্ৰমাৎ গৰম হৈ পৰিছে সৃজনগ্ৰাম সমষ্টিৰ নিৰ্বাচনী বতাহ

**অসম বাৰ্তা, কোকিলা, ৩০ ডিচেম্বৰ ঃ** আৰু মাত্ৰ কিছুদিন পিছতেই অনুষ্ঠিত হব ২০২৬ চনৰ বিধান সভা নিৰ্বাচন। ইতিমধ্য প্ৰতিটো ৰাজনৈতিক দল তথা দলীয় কৰ্মী সকলে ব্যপকভাৱে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। বঙাইগাঁও জিলাৰ পূৰ্বৰ ৩৪ নং অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিখন বৰ্তমান কিছু কৰ্তন আৰু কিছু ৰাখি নতুনকৈ ১৭ নং সৃজনগ্ৰাম নামেৰে নামকৰণ কৰা হৈছে। বঙাইগাঁও, জনীয়া আৰু দক্ষিণ অভয়াপুৰী সমষ্টিৰ পৰা পূৰ্বৰ ৩৪ নং অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টিৰ কিছু অংশ লৈ নতুনকৈ সৃজনগ্ৰাম সমষ্টিখন গঠন কৰা হৈছে। বৰ্তমান সমষ্টি খনত মুঠ ২৩টা পঞ্চায়তৰ ভোটাৰৰ সংখ্যা ২ লাখ ১৬ হাজাৰ ১২৬ গৰাকী। পূৰ্বৰ দক্ষিণ অভয়াপুৰী সমষ্টি খনৰ ১৩খন মান পঞ্চায়ত সৃজনগ্ৰাম সমষ্টিত অন্তৰ্ভুক্ত হৈছে বুলি জানিব পৰা গৈছে। এনেদৰে দুটা জিলা আৰু তিনিটা সমষ্টিৰ পৰা কিছু লৈ আৰু কিছু এৰি ১৭নং সৃজনগ্ৰাম সমষ্টি গঠন হয়। সমষ্টি খনত দেখা গৈছে যে সংখ্যালঘু প্ৰধান সমষ্টি হৈ পৰিছে। যাৰ বাবে অনাগত বিধান সভা নিৰ্বাচনৰ বাবে বিভিন্ন দলৰ পৰা কেইবাজনও প্ৰাৰ্থীয়ে প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ মানসেৰে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। জানিব পৰা মতে কংগ্ৰেছৰ বৰ্তমান বিধায়ক আব্দুল বাতিন খন্দকাৰ পুনৰ প্ৰতিদন্দিতাৰ বাবে নিজৰ কাৰ্যকালত কৰা কাম কাজৰ খতিয়ান লৈ ৰাইজৰ মাজত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে যদিও যোৱা পঞ্চায়ত নিৰ্বাচনৰে পৰাই সমষ্টিটোত কংগ্ৰছৰ একাংশ পুৰণি কৰ্মীয়ে বিধায়ক তথা কংগ্ৰেছৰ পৰা ফালৰি কাটি গৈ নিৰ্দ্দলীয় প্ৰাৰ্থী হিচাপে এগৰাকী পূৰ্বৰ যুৱ কংগ্ৰেছৰ নেতাক থিয় কৰায় আৰু জয়ী হয়। এনেদৰে সমষ্টি খনত বিধায়ক বিৰোধী এটা দল গঠন হয় আৰু সমষ্ট খনৰ চাৰিটা জিলা পৰিষদ সমষ্টিৰ মাত্ৰ এটাতহে কংগ্ৰেছে জয় লাভ কৰিবলৈ সক্ষম হয়। তাৰ পৰাই দেখা যায় সমষ্টি খনত শীতলভাৱে এটা বিধায়ক বিৰোধী দলৰ সৃষ্টি হৈছে যদিও বিধায়ক আব্দুল বাতিন খন্দকাৰে নিষ্ঠাৰে দলৰ হৈ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ঠিক একেদৰে পূৰ্বৰ ৩৪ নং অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ পৰা দুবাৰ কৈ বিধায়ক হিচাপে নিৰ্বাচিত হোৱা প্ৰাক্তন বিধায়ক আব্দুল হাই নাগৰীয়ে এইবাৰো প্ৰতিদন্দিতাৰ বাবে প্ৰচাৰ অভিযান চলাই আছে। নাগৰীয়ে নিজৰ দুটা কাৰ্যকালৰ কামৰ খতিয়ান লৈ ৰাইজৰ দুৱাৰে দুৱাৰে ভোট বিচাৰি অভিযান অব্যাহত ৰাখিছে। নাগৰীৰ দুটা কাৰ্যকালত সমষ্টি খনত যথেষ্ট পৰিমাণে উন্নয়ন কৰা হৈছে বুলি জাহিৰ কৰি ফুৰিছে। ইফালে প্ৰদেশ কংগ্ৰেছৰ সম্পাদক নুৰুল ইছলামেও যোৱা বিধানসভা নিৰ্বাচনতো কংগ্ৰেছৰ টিকটৰ প্ৰবল দাবীদাৰ আছিল যদিওঁ কংগ্ৰেছৰ উৰ্ধতম কৰ্তৃপক্ষই টিকট প্ৰদান কৰা নাছিল। ২০২৬ চনৰ বিধান সভা নিৰ্বাচনত কংগ্ৰেছৰ পৰা প্ৰবল দাবীদাৰ হিচাপে থিয় দি সমষ্টিখনৰ চুকে-কোণে সভা-সমিতি অনুষ্ঠিত কৰি তীব্ৰ প্ৰচাৰ চলাই আছে। ঠিক একেদৰে এসময়ৰ সমষ্টি খনত একমাত্ৰ ৰাজনৈতিক দল হিচাপে প্ৰতিফলিত হোৱা অসম গণ পৰিষদ দলৰ পৰা ছাহিদুল হকে দেখা গৈছে সমষ্টিৰ চুকে কোণে ৰাইজৰ সৈতে মতবিনিময় কৰি চলাইছে প্ৰচাৰ অভিযান। সমষ্টি খনৰ পৰা চাৰিবাকৈ বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল ভূপেন ৰায়। সেই দিনৰ কথা মনত পেলাই অসম গণ পৰিষদ দলে সমষ্টিটোত জোৰদাৰ প্ৰচাৰ অভিযান চলাই আছে। এইবাৰ পুনৰ অসম গণ পৰিষদ দল ন-ৰূপত ৰাইজৰ মাজত আহিব বুলি বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে। সমষ্টিখন ৰাস্তা-ঘাট, বাট-পথ, গৰাখহনীয়া, নিৰনুৱা সমস্যা, নাৰী শিক্ষাৰ অভাৱ আদি কৰি বিভিন্ন সমস্যাৰে জৰ্জড়িত। সমষ্টি খনৰ পৰা চাৰিবাৰকৈ বিধায়ক হিচাপে নিৰ্বাচিত হোৱা বিধায়ক ভূপেন ৰায়ে কৰি যোৱা উন্নয়নমূলক কামৰ পিছতো সমষ্টিখন যথেষ্ট পিছ পৰি আছিল। পৰৱৰ্তী সময়ত কংগ্ৰেছ দলৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হয় আব্দুল হাই নাগৰী। সমষ্টি খনৰ পৰা দুবাৰকৈ নিৰ্বাচিত হোৱা কংগ্ৰেছৰ বিধায়ক আব্দুল হাই নাগৰীয়ে সমষ্টি খনৰ যি সমূহ উন্নয়নমূলক কাম কৰিছিল তাৰ পিছতো বহু বাকী আছিল সমষ্টি খনৰ উন্নয়নমূলক কাম কাজ। এইবেলি নিজৰ দুটা কাৰ্যকালৰ কামৰ খতিয়ান লৈ ৰাইজৰ দুৱাৰে দুৱাৰে পুনৰ ব্যপক হাৰত প্ৰচাৰ অব্যাহত ৰাখিছে। জানিব পৰা মতে বৰ্তমানৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে বিগত দিনকেইটাত সমষ্টি খনৰ হৈ কৰা উন্নয়নমূলক কামৰ তালিকা লৈ প্ৰচাৰ চলাই আছে। বিশেষ সূত্ৰত প্ৰকাশ পোৱা অনুসৰি বিধায়ক আব্দুল বাতিন খন্দকাৰে আই আৰু মানাহ নৈৰ খহনীয়া ৰোধৰ বাবে চৰকাৰৰ পৰা বিশেষ পেকেজ পোৱাৰ দাবী জনাইছিল কিন্তু এতিয়া লৈকে বিশেষ কোনো পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই বাবে ৰাইজ ক্ষোভিত হৈছে। সমষ্টিটোৰ সোমাজেৰে পাৰ হৈ যোৱা আই আৰু মানাহ নৈয়ে প্ৰতি বছৰে ত্ৰাসৰ সৃষ্টি কৰে। কিন্তু আজিলৈকে স্থায়ী সমাধানৰ বাবে কোনে জনপ্ৰতিনিধিয়ে ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। সমষ্টি খনৰ অধিকাংশ লোক কৃষিজীৱি। সেইবাবে সমষ্টি খনত শীত তাপ নিয়ন্ত্ৰিত গৃহ বা শীতল গৃহৰ দাবী ৰাইজে জনাই আহিছিল যদিও চৰকাৰ বা জনপ্ৰতিনিধিয়ে আগভাগ লোৱা পৰিলক্ষিত নোহোৱাত ৰাইজৰ মোহ ভংগ হৈছে। অনাগত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত কোনে কংগ্ৰেছ, এআইইউডিএফ আৰু অসম গণ পৰিষদ দলৰ পৰা প্ৰতিদন্দিতা কৰিব সেয়া নিশ্চিত হোৱাৰ পিছত সমষ্টি খনৰ ৰাজনৈতিক বতাহ অধিক গৰম হৈ পৰিব। সৃজনগ্ৰাম সমষ্টিত অনুষ্ঠিত হ'ব তিনিকোণীয়া নিৰ্বাচনী যুঁজ। শেষত মন কৰিবলগীয়া কথা হ'ল যে সংখ্যালঘু প্ৰধান সমষ্টিটোত কংগ্ৰেছে আৰু এআইইউডিএফে যদি কোৱা কামোৱা কৰি টিকট প্ৰদান কৰে তেনেহ'লে নিশ্চিত ভাৱেই লাভান্বিত হ'ব অগপ।

# দুধনৈস্থিত কৃষি বিজ্ঞান কেন্দ্ৰত "থলুৱা মীন পালন" শীৰ্ষক পাঁচদিনীয়া প্ৰশিক্ষণৰ সামৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৩০ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ দুধনৈস্থিত গোৱালপাৰা কৃষি বিজ্ঞান কেন্দ্ৰত শেহতীয়াকৈ "থলুৱা মীন পালন" বিষয়ক দুটাকৈ পাঁচদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ ২৯ তাৰিখে সফলতাৰে সামৰণি পৰে। আজি সামৰণি পৰা এই প্ৰশিক্ষণ কাৰ্যসূচী কৃষি বিজ্ঞান কেন্দ্ৰ, গোৱালপাৰাৰ মুৰব্বী তথা প্ৰধান বিজ্ঞানী ড° সন্তোষ কুমাৰ বৈশ্যৰ নেতৃত্ব আৰু মীন বিশেষজ্ঞ শিৱ ৰজকৰ সমন্বয়ত পৰিচালিত হয়। এই প্ৰশিক্ষণত জিলাখনৰ মুঠ ৪০ গৰাকী মীন পালকে অংশগ্ৰহণ কৰি মাগুৰ, কাৱৈ, পাভ আৰু শ'ল আদি থলুৱা প্ৰজাতিৰ মাছ পালনৰ বিষয়ে গভীৰ জ্ঞান লাভ কৰে। প্ৰশিক্ষণৰ বিভিন্ন সময়ত মীন বিশেষজ্ঞ হিচাপে উপস্থিত থাকি গোৱালপাৰা জিলা মীন বিভাগৰ মীন উন্নয়ন বিষয়া চয়নিকা দাস আৰু স্নেহা কে কলিতাই পুখুৰী প্ৰস্তুত কৰা, খাদ্য যোগানৰ কৌশল আৰু স্বাস্থ্য ব্যৱস্থাপনাৰ বিষয়ে কাৰিকৰী পৰামৰ্শ আগবঢ়ায়। আনহাতে, মীন উন্নয়ন বিষয়া হাবিবা জাহানে বিজ্ঞানসন্মত মীন পালনৰ ওপৰত আলোকপাত কৰে। ড° হিতু চৌধুৰীয়ে গাহৰি আৰু মীনৰ সমন্বিত পালন পদ্ধতি আৰু ড° মৌচুমী ভূঞাই প্ৰাকৃতিক কৃষি তথা উদ্যান শস্যৰ সংলগ্নকৰণৰ বিষয়ে বিশেষজ্ঞই মতামত প্ৰদান কৰে। ইয়াৰ উপৰিও বঙাইগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী ড° পৰাগ শইকীয়াই মীনৰ পোনা উৎপাদন আৰু প্ৰতিপালনৰ বিষয়ে আৰু মীনাক্ষী বৰা কামানে মীনৰ মূল্য সংযোজন তথা বজাৰৰ সুযোগৰ বিষয়ে আলোচনা কৰে। কাৰ্যসূচীটোত এগ্ৰিকালচাৰ ইনচুৰেঞ্চ কোম্পানী অফ ইণ্ডিয়া (AICIL)-ৰ বিষয়া ইডল চাকমাই মীন খণ্ডৰ বীমা আৰু ড° সন্তোষ কুমাৰ বৈশ্যই জলবায়ু সৰ্বস্ব কৃষিৰ গুৰুত্বৰ বিষয়েও প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষাৰ্থী মীন পালকসকলে তেওঁলোকৰ মতামতত প্ৰকাশ কৰে যে এই প্ৰশিক্ষণ অত্যন্ত প্ৰয়োজনীয় আৰু তথ্যসমৃদ্ধ আছিল, যাৰ ফলত তেওঁলোকে পৰম্পৰাগত পদ্ধতিৰ সলনি বিজ্ঞানসন্মত পদ্ধতিৰে মীন পালন কৰিবলৈ সক্ষম হ'ব। ২৯ ডিচেম্বৰত অনুষ্ঠিত সামৰণি অনুষ্ঠানত গোৱালপাৰাৰ জিলা মীন বিষয়া(DFDO) ত্ৰৈলোক্য শালৈ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। নিজৰ ভাষণত শালৈ ডাঙৰীয়াই মীন চিকাৰ নিষিদ্ধ সময়ছোৱা মানি চলাৰ গুৰুত্বৰ বিষয়ে কয়। তেওঁ উল্লেখ কৰে যে এই সময়ছোৱাত মীন ধৰিলে লাখ লাখ কণী থকা প্ৰজননক্ষম মাছ সমূহ (Brood fish) ধ্বংস হয়, যাৰ ফলত আমাৰ থলুৱা মীনৰ সংখ্যা হ্ৰাস পাইছে। লগতে তেওঁ ইলেকট্ৰিক ফিছিং বা বিদ্যুৎ ব্যৱহাৰ কৰি মীন ধৰা দৰে ধ্বংসাত্মক পদ্ধতিৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। ভাষণৰ শেষত মুখ্য অতিথি গৰাকীয়ে কৃতী প্ৰশিক্ষাৰ্থী সকলক প্ৰমাণ পত্ৰ বিতৰণ কৰে। অনুষ্ঠানৰ শেষত কৃষি অভিযন্তা বেঞ্জামিন কামানে শলাগৰ শৰাই আগবঢ়ায় আৰু থলুৱা মীনৰ বিজ্ঞানসন্মত সংৰক্ষণৰ জৰিয়তে মীন পালকসকলৰ লাভ বৃদ্ধি কৰাৰ বাবে কেন্দ্ৰটোৰ প্ৰতিশ্ৰুতি দোহাৰে।

### চমকপ্ৰদ জয়ৰে ফাইনেলত ডিবিআই, কামৰূপ

# মতিৰাম বৰা সোঁৱৰণী সোণালী জয়ন্তী ফুটবল

**ষ্টাফ ৰিপ'ৰ্টাৰ মৰিগাও, ৩০ ডিচেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু ফুটবল উপশমিতিৰ তত্বাৱধানত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত বিপুল সংখ্যক ফুটবল প্ৰেমী ৰাইজৰ ব্যাপক উৎসাহ উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হৈ থকা ৫০ সংখ্যক ঐতিহ্যমণ্ডিত মতিৰাম বৰা সোঁৱৰণী প্ৰাইজমাণী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তীব্ৰ প্ৰতিদণ্ডিতামূলক দ্বিতীয়খন ছেমি ফাইনেল খেলত ডিবিআই, কামৰূপে ৩-২ গ'লৰ ব্যৱধানত নৰ্থ ইষ্ট ইউনাইটেড এফচি ক পৰাভূত কৰি ফাইনেলত প্ৰবেশ কৰিছে। খেলৰ পূৰ্বে নিমন্ত্ৰিত অতিথি আৰু বিশিষ্ট ক্ৰীড়া সংগঠক সকলৰ উপস্থিতিত তিৱা স্বায়ত্ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোৱঁৰে শুভ উদ্বোধন কৰা আজিৰ খেলত দুয়ো দলৰ খেলুৱৈ সকলে প্ৰথমাৰ্ধত শক্তিশালী খেল প্ৰদৰ্শন কৰে যদিও খেলৰ ৩২ মিনিটত ডিবিয়াঙৰ এক সুন্দৰ গ'লৰে ডিবিআই, কামৰূপে ১-০ গ'লৰ অগ্ৰগতি লাভ কৰে। দ্বিতীয়াৰ্থত ডিবিআই, কামৰূপৰ খেলুৱৈ সকলে অধিক পৰিপক্ক আৰু সংঘবদ্ধ হৈ আক্ৰমণাত্মক খেল প্ৰদৰ্শন কৰি ৫৮ মিনিটত ফৰৱাৰ্ড ব্ৰাইটৰ আকৰ্ষণীয় গ'লৰ পাছত ৭৪ মিনিটত লাবানে আন এটি দৃষ্টিনন্দন গ'লৰে ডিবিআইক ৩-০ গ'লৰ অপ্ৰতিৰোধ্য অগ্ৰগতি প্ৰদান কৰে। খেলৰ শেষৰ ফালে নৰ্থ ইষ্ট ইউনাইটেডৰ হৈ ফেলাই আৰু ছুইখম সিঙে ২টা গ'ল পৰিশোধ কৰে যদিও শেষ ৰক্ষা কৰিবলৈ সক্ষম নহ'ল। মৰিগাঁও জিলা পৰিষদৰ সভানেত্ৰী প্ৰণীতা কলিতা ডেকাৰ উপস্থিতিত মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ তৰফৰ আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ লাবানক মৰিগাঁও জিলা বিজেপিৰ সভাপতি ৰামপ্ৰসাদ চৰকাৰে বঁটা প্ৰদান কৰে। আজিৰ খেলখন পবিত্ৰ বৰা, ৰূপম বৰদলৈ, অপূৰ্ব বৰা আৰু দ্বীপেন হুকাইয়ে পৰিচালনা কৰে। অহা ২ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া ফাইনেল খেলত অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ বিপক্ষে ডিবিআই, কামৰূপে প্ৰতিদণ্ডিতা কৰিব।

# আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱত সন্মানিত হ'ল বিশিষ্ট অসমীয়া কবি জোনালী ডেকা

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩০ ডিচেম্বৰ ঃ** পশ্চিম বংগৰ ইছলামপুৰত অনুষ্ঠিত অতি সন্মানীয় দ্বাদশ আন্তঃৰাষ্ট্ৰীয় কবি সমাৰোহত ২৭ ডিচেম্বৰৰ দ্বিতীয় সত্ৰত বিশিষ্ট অসমীয়া কবি তথা অসমৰ তিনিচুকীয়া জিলাৰ ডুমডুমা নগৰৰ আজাদ ৰোডৰ বাসিন্দা প্ৰয়াত তপন ডেকাৰ পত্নী তথা অভিনেত্ৰী আৰু আবৃত্তিকাৰ জোনালী ডেকাক 'অমিয়া ৰাণী স্মৃতি সন্মান'ৰে সন্মানিত কৰা হয়। উল্লেখযোগ্য যে "Exploring World through Poetry" শীৰ্ষক বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ আগশাৰীৰ কবিসকলৰ কবিতা সন্নিৱিষ্ট গ্ৰন্থখনিও এই অনুষ্ঠানত উন্মোচন কৰা হয়। উক্ত গ্ৰন্থত জোনালী ডেকাৰ "Life itself is a Poem" শীৰ্ষক ইংৰাজী কবিতাটো সন্নিবিষ্ট হৈছে। জোনালী ডেকাৰ বুঢ়ী আইৰ সাধুৰ আধাৰত ৰচিত কবিতাৰ সংকলন, ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতিসকল, ৰুদ্ৰগিৰীৰ অশ্ৰুপ্ৰপাত, শ্বিলং পিকৰ গধূলি, শ্বেদজলৰ ছন্দ, আদি কেইবাখনো গ্ৰন্থ ইতিমধ্যে প্ৰকাশ পাইছে। তেখেতে আবৃত্তিৰ ক্ষেত্ৰখনতো সুনাম অৰ্জন কৰিছে। ডুমডুমা শাখা সাহিত্য সভাৰ সহকাৰী সম্পাদক জোনালী ডেকাৰ সফলতাত ডুমডুমা শাখা সাহিত্য সভাৰ লগতে তিনিচুকীয়া জিলাৰ বিভিন্ন সংগঠন আৰু অনুষ্ঠান প্ৰতিষ্ঠানে তেওঁক অভিনন্দন জনাইছে।




# চুৰৰ তাণ্ডৱ দিনক দিনে বৃদ্ধি পাইছে মাৰ্ঘেৰিটাত

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৩০ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত যোৱা নিশা ৪নং মাকুম পথাৰৰ সৰ্বজনীন শ্ৰীশ্ৰী শিৱ মন্দিৰত চুৰে ভেণ্টিলিটাৰ ভাঙি মন্দিৰত প্ৰৱেশ কৰে। দান পাত্ৰ ভাঙি টকা পইছা লুটপাট কৰাৰ লগতে আলমিৰা ভাঙি মূল্যৱান কিছু সামগ্ৰী লৈ যায়। মাৰ্ঘেৰিটা অঞ্চলত চুৰৰ উপদ্ৰৱ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে যাৰ ফলত অঞ্চলবাসী আতংকিত হৈ পৰিছে। এনে চুৰি কাৰ্য এয়াই প্ৰথম নহয়। আৰক্ষী প্ৰশাসনক ভেঙুচালি মাৰি ধাৰাবাহিক ভাৱে মাৰ্ঘেৰিটাত চুৰে সংঘটিত কৰি আহিছে চুৰি কাণ্ড। মন্দিৰত চুৰি কাৰ্য সংঘটিত হোৱাৰ খবৰ পোৱাৰ পিছত স্থানীয় লোকৰ মাজত ভয় আৰু উদ্বেগৰ পৰিবেশ সৃষ্টি হৈছে। লগতে এই কাৰ্যক গৰিহণা দিয়াৰ উপৰিও ধৰ্মীয় অনুষ্ঠানটোৰ চুৰি কাৰ্যত জড়িত থকা দুষ্কৃতিকাৰী কেইটাক শীঘ্ৰে আটক কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰাৰ দাবী জনাই মাৰ্ঘেৰিটা আৰক্ষী থানাত এখ এজাহাৰ দাখিল কৰে। মাৰ্ঘেৰিটা আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰি দিছে।

### সুৰাসক্ত বাহন চালকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব ঃ ভাৰ্গৱ মুণি দাস

# ইংৰাজী নৱবৰ্ষৰ প্ৰাকক্ষণত ঢেকীয়াজুলিত সুৰাসক্ত বাহন চালকৰ বিৰুদ্ধে আৰক্ষীৰ কঠোৰ অভিযান

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৩০ ডিচেম্বৰ ঃ** সমাগত ইংৰাজী নৱবৰ্ষ ২০২৬ৰ প্ৰাকক্ষণত জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে ঢেকীয়াজুলিত সুৰাসক্ত যান-বাহন চালকৰ বিৰুদ্ধে কঠোৰ হৈছে ঢেকীয়াজুলি সম-জিলা আৰক্ষী প্ৰশাসন। আজি নিশা ঢেকীয়াজুলি নগৰ আৰু তাৰ আশে-পাশে এলেকাত চলোৱা হয় আৰক্ষীৰ এক তীব্ৰ আৰু ব্যাপক অভিযান। উল্লেখযোগ্য যে শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ স্পষ্ট নিৰ্দেশ অনুসৰি ঢেকীয়াজুলি সম-জিলা আৰক্ষী অধীক্ষক ভাৰ্গৱ মুণি দাসৰ নেতৃত্বত এই অভিযান ৰূপায়ণ কৰা হয়। নৱবৰ্ষ উপলক্ষে সুৰাসক্ত অৱস্থাত বাহন চলাই সম্ভাব্য দুৰ্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে আৰক্ষীয়ে বিভিন্ন স্থানত নাকা চেকিং আৰু পৰীক্ষা অভিযান চলায়। অভিযানকালত সুৰাসক্ত অৱস্থাত বাহন চলোৱা কেইবাজনো চালকৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হয়। আৰক্ষীয়ে স্পষ্ট কৰি দিয়ে যে জনসাধাৰণৰ জীৱন সুৰক্ষিত ৰখাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ নকৰা হ'ব আৰু নিয়ম ভংগকাৰীৰ বিৰুদ্ধে আগলৈও এনে অভিযান অব্যাহত থাকিব। আজিৰ এই অভিযানত ঢেকীয়াজুলি সম-জিলা আৰক্ষী অধীক্ষক ভাৰ্গৱ মুণি দাসৰ লগতে ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাস আৰু যান-বাহন আৰক্ষী বিষয়া চণ্ডিৰাম নাথ উপস্থিত থাকি অভিযান পৰিচালনা কৰে। ইফালে ঢেকীয়াজুলি সম-জিলাৰ আৰক্ষী অধীক্ষক ভাৰ্গৱমুণি দাসে নৱবৰ্ষ উদ্যাপন কৰাৰ সময়ত সুৰাসক্ত অৱস্থাত বাহন নচলাবলৈ, নিয়ম মানি চলিবলৈ আৰু আৰক্ষীক সহযোগিতা কৰিবলৈ ৰাইজক আহ্বান জনাইছে।

# ইংৰাজী নৱবৰ্ষতে উদ্বোধন কৰা হ'ব তিনিচুকীয়া জিলাৰ এক মাত্ৰ কেন্সাৰ হস্পিটেলখন

**অসম বাৰ্তা, মাকুম, ৩০ ডিচেম্বৰ ঃ** মানৱদৰদী, স্বপ্নদ্ৰষ্টা তথা উদ্যোগপতি প্ৰয়াত ৰতন টাটাৰ লগতে তিনিচুকীয়া জিলাবাসী ৰাইজৰ এক সপোন পূৰণ হ'বলৈ গৈ আছে। উদ্যোগপতি ৰতন টাটাই ২০২২ চনত ৰাজ্য বাসীক দি যোৱা কেইবাখনো কেন্সাৰ হস্পিটেলৰ ভিতৰত মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাংগণৰ কেন্সাৰ হস্পিটেলখন হৈছে অন্যতম। প্ৰায় ২০০ কোটি টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ হৈ থকা কেন্সাৰ হস্পিটেলখন নিৰ্মাণ কাৰ্য প্ৰায় ৭০ শতাংশ হৈ উঠিছে। নিৰ্মাণ কাৰ্য চলি থকাৰ মাজতে আজি হস্পিটেলখন পৰিদৰ্শন কৰে তিনিচুকীয়া বিধানসভা সভা সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে। বিধায়ক গৰাকী উপস্থিত হোৱাৰ লগে লগে হস্পিটেল খনৰ নিৰ্মাণ কাৰ্যত জড়িত থকা লোক সকলৰ সৈতে আলোচনাত মিলিত হৈ চৌপাশ পৰিভ্ৰমণ কৰে। কেন্সাৰ হস্পিটেলখন মুকলি কৰাৰ সন্দৰ্ভত ইংৰাজী নৱবৰ্ষতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰিব বুলি জানিবলৈ দিয়ে বিধায়ক সঞ্জয় কিষাণে। তদুপৰি তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত চিকিৎসক আৰু যন্ত্ৰপাতিৰ অভাৱত ৰোগী সকলে অন্য চিকিৎসালয়লৈ যাবলগীয়া হোৱা বিষয়টোৰ ওপৰত কয় যে, ইতিমধ্যে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসকৰ শিক্ষা গ্ৰহণ কৰি আছে, খুব কম সময়ৰ ভিতৰতে তিনিচুকীয়াৰ লগতে ৰাজ্যৰ কেইবাখনো চিকিৎসা মহাবিদ্যালয়ত সকলো ধৰণৰ চিকিৎসক উপলব্ধ হ'ব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে।

# আইদেউ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত মেচ

**অসম বাৰ্তা, গেলেকী, ৩০ ডিচেম্বৰ ঃ** নাজিৰা সম-জিলাৰ অন্তৰ্গত আইদেউবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হৈ থকা সদৌ অসম প্ৰাইজমানি আইদেউ কাপ ফুটবল প্ৰতিযোগিতা ২০২৫ৰ চূড়ান্ত খেলখন অনুষ্ঠিত হৈ যায়। চূড়ান্ত মেচত নাজিৰা কলেজ ফুটবল একাদশ দলে নেঘেৰিটিং ফুটবল একাদশক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ী খিতাপ অৰ্জন কৰে। চূড়ান্ত খেলত দুটাকৈ গ'ল স্ক'ৰাৰ কৃষণানু মেচ মেন অব্ দ্যা মেচ আৰু সমগ্ৰ প্ৰতিযোগিতাত দৰ্শনীয় প্ৰদৰ্শন দাঙি ধৰা প্ৰজ্ঞান সুন্দৰ গগৈয়ে প্লেয়াৰ অব দ্যা টুৰ্নামেণ্ট বঁটা, শ্ৰেষ্ঠ প্ৰতিৰক্ষক, সৰ্বোচ্ছ গলদাতা, প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গলৰ বঁটা লাভ কৰে ক্ৰমে নাজিৰা কলেজৰ ৰিকি ভুমিজ, কৃষাণু মেছ আৰু সমীৰন বৰুৱাই। শ্ৰেষ্ঠ গ'লৰক্ষকৰ বঁটা লাভ কৰে নেঘেৰেটিংৰ সুমন গঞ্জুৱে। বিজয়ী দল নাজিৰা কলেজে নগদ ১ লাখ টকা আৰু ট্ৰফী লাভ কৰে আৰু বিজিত দল নেঘেৰেটিং ফুটবল একাদশ গোলাঘাট দলে লাভ কৰে ট্ৰ'ফী সহ নগদ ৫০,০০০ হাজাৰ টকা। প্ৰতিযোগিতাৰ শৃংখলাবদ্ধ দলৰ বঁটা লাভ কৰে চৰাইদেউ ফুটবল দলে ট্ৰফী সহ নগদ পাঁচ হাজাৰ টকা। চূড়ান্ত ফুটবল খেলখনৰ শুভাৰম্ভ কৰে টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোঁহায়ে। অসম ফুটবল সংস্থাৰ কোষাধ্যক্ষ তথা অসম অলিম্পিক সংস্থাৰ যুটীয়া সম্পাদক হীৰেন গগৈৰ লগতে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে চূড়ান্ত প্ৰতিযোগিতাত।

### বিশিষ্ট শিক্ষাবিদ নৰেন চুতীয়ালৈ "সাহিত্য সংস্কৃতি বটবৃক্ষ বঁটা" আৰু অৱসৰপ্ৰাপ্ত শিক্ষক সিদ্ধেশ্বৰ শইকীয়ালৈ "সাহিত্য সংস্কৃতি জীৱন ধাৰা বঁটা"

# বৈকুণ্ঠ পুৰীলৈ পৰিণত হৈছে বাৰেখেলীয়া বৰনামঘৰৰ পৰিৱেশ

**অসম বাৰ্তা, ধনশিৰি, ৩০ ডিচেম্বৰ ঃ** শিশু ভাওনাৰ জৰিয়তে বৈকুণ্ঠ পুৰীলৈ পৰিণত হৈছে সৰুপথাৰ সমজিলাৰ শ্ৰীশ্ৰী বাৰেখেলিয়া বৰনামঘৰৰ পৰিৱেশ। বিগত ২৫ডিচেম্বৰ তাৰিখৰ পৰা আগন্তুক ২জানুৱাৰী তাৰিখলৈকে সৰুপথাৰ সমজিলাৰ শ্ৰীশ্ৰী বাৰেখেলীয়া বৰনামঘৰ প্ৰাঙ্গনত বাৰেখেলীয়া শ্ৰীমন্ত শংকৰদেৱ সাংস্কৃতিক কেন্দ্ৰৰ সৌজন্যত আৰু সমন্বয় শিশু শিল্পী সমাজ সৰুপথাৰৰ উদ্যোগত আৰম্ভ হোৱা সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাই প্ৰযুক্তি আৰু বিশ্বায়নৰ যুগতো নিজৰ স্থিতি অটুট ৰখাৰ লগতে উঠি অহা প্ৰজন্মক আধ্যাত্মিক, সাংস্কৃতিক দিশ সমূহত পৰিপক্ক কৰি তোলাৰ বাবে এখন উপযুক্ত মঞ্চ প্ৰদান কৰিছে। ইতিমধ্যে শিশু ভাওনা প্ৰতিযোগিতাখনৰ পাঁচটা দিন অতিক্ৰম কৰিছে যদিও ভাওনা প্ৰেমী ৰাইজৰ মাজত উৎসাহ উদ্দীপনা হ্ৰাস পোৱা নাই। পুহ মাহৰ হাৰ কপোৱা ঠাণ্ডাকো নেওচি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কণকণ শিশুসকলৰ দ্বাৰা মঞ্চস্থ হোৱা প্ৰত্যেকখন ভাওনা উপভোগ কৰিছে স্থানীয় ৰাইজে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ১৬টিকৈ শিশু শিল্পীৰ ভাওনাৰ দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনৰ পঞ্চম দিনৰ অন্তত দহখনকৈ ভাওনাৰ মঞ্চস্থ সম্পুৰ্ণ হৈছে। আনহাতে ভাওনা থলীৰ পবিত্ৰ মজিয়াত আগন্তুক ১জানুৱাৰী তাৰিখে সমন্বয় শিশু শিল্পী সমাজৰ তৰফৰ পৰা "সাহিত্য সংস্কৃতি বটবৃক্ষ বঁটা", "সাহিত্য সংস্কৃতিৰ জীৱন ধাৰা বঁটা" আৰু "যুৱ উদ্যমিতা বঁটা" প্ৰদান কৰিব বুলি জানিবলৈ দিছে। ইতিমধ্যে সৰুপথাৰ সমজিলাৰ বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী নৰেন চুতীয়াক "সাহিত্য সংস্কৃতি বটবৃক্ষ বঁটা" আৰু অৱসৰপ্ৰাপ্ত শিক্ষক সিদ্ধেশ্বৰ শইকীয়াক "সাহিত্য সংস্কৃতিৰ জীৱন ধাৰা বঁটা" প্ৰদান কৰিবৰ বাবে সমন্বয় শিশু শিল্পী সমাজ সৰুপথাৰে নিৰ্বাচিত কৰিছে আৰু "যুৱ উদ্যমিতা বঁটা"ৰ বাবে নিৰ্বাচন প্ৰক্ৰিয়া অব্যাহত আছে বুলি জনাইছে।

# অৱসৰী কৃতী শিক্ষক কণ্ঠিৰাম বৰুৱাৰ বিয়োগত দৰং-ওদালগুৰিত শোকৰ ছাঁ

**অসম বাৰ্তা, খৈৰাবাৰী, ৩০ ডিচেম্বৰ ঃ** ওদালগুৰি জিলা খৈৰাবাৰী অঞ্চলৰ ঝাৰগাঁও নিৱাসী অৱসৰী কৃতী শিক্ষক, অভিনেতা, খেলুৱৈ, সমাজ সংগঠক কণ্ঠিৰাম বৰুৱাৰ মৃত্যু হয়। কণ্ঠিৰাম বৰুৱা হাস্যৰসিক স্বভাৱৰ ব্যক্তি হোৱা হেতুকে সকলোৰে মন জয় কৰিবলৈ সক্ষম হৈছিল। মৃত্যুৰ আগ মুহূৰ্তলৈকে তেখেতে সমাজৰ হৈ বহু কাম কৰি থৈ গৈছে। ঝাৰগাঁও মজলীয়া বিদ্যালয় প্ৰতিষ্ঠা কৰি নিজে শিক্ষা দান কৰি সেই বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। তেখেতে শিক্ষকৰ সমান্তৰাল ভাৱে অভিনয়, ফুটবল খেল আৰু নাগাৰা নামৰ পাঠক হিচাপেও পৰিচিত আছিল। দৰং জিলাত অনুষ্ঠিত হোৱা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ২০০৪ চনৰ মুল অধিৱেশনৰ খাদ্য উপশমিতিৰ সভাপতিও আছিল। ৯১ বছৰ বয়সত নিজা বাসগৃহত বাৰ্ধক্যজনিত কাৰণত তেখেত স্বৰ্গগামী হয়। নিজ গৃহত এক শোকাকুল পৰিৱেশত ৰাইজৰ উপস্থিতিত তেওঁৰ নশ্বৰ দেহত শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। তেখেতৰ বিয়োগত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দৰং জিলা শাখা, ওদালগুৰি জিলা শাখা, ঝাৰগাঁও মজলীয়া বিদ্যালয় শিক্ষক কৰ্মচাৰী বৃন্দ, ৰামধেনু সাহিত্য চক্ৰ, নামখলা জ্যেষ্ঠ নাগৰিক, নামখলা প্ৰেছ ক্লাব আৰু বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। কণ্ঠিৰাম বৰুৱাই মৃত্যু সময়ত পুত্ৰ-বোৱাৰী, নাতি-নাতিনীৰ লগতে বহুতো আত্মীয় স্বজন এৰি থৈ যায়।

“ইতিহাস প্ৰসিদ্ধ বগে খাচৰ লোক-সংস্কৃতিৰ লেছেৰী” শীৰ্ষক গ্ৰন্থ উন্মোচন

# বকোৰ একক অনন্য বগেজাৰী লোক সাহিত্য-সংস্কৃতিৰ চৰ্চা কেন্দ্ৰৰ গ্ৰন্থ উন্মোচনী সভা



**অসম বাৰ্তা, বকো, ৩০ ডিচেম্বৰ** ঃ ইতিহাস প্ৰসিদ্ধ বগে ৰাজ্যৰ কিংবদন্তি মহিলা বগেজাৰীৰ নামেৰে প্ৰতিষ্ঠা হোৱা বৌদ্ধিক-সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান একক অনন্য বগেজাৰী লোক সাহিত্য-সংস্কৃতিৰ চৰ্চা কেন্দ্ৰৰ উদ্যোগত আজি আয়োজন কৰা হয় গ্ৰন্থ উন্মোচনী সভা। কামৰূপ জিলাৰ বকো লামপাৰা আঞ্চলিক হাইস্কুলৰ সভা কক্ষত এক মনোজ্ঞ পৰিৱেশত আয়োজন কৰা হয় গ্ৰন্থ উন্মোচনী সভা আৰু বৰ্ণিল বৌদ্ধিক কাৰ্য্যসুচী। উদ্যোক্তা অনুষ্ঠানটোৰ সভাপতি ধীৰেন চন্দ্ৰ ৰাভা আৰু সম্পাদক উৎপল ৰাভাই জনোৱা অনুসৰি- আজি দিনযোৰা বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে কেন্দ্ৰৰ গ্ৰন্থ উন্মোচনী সভা আৰু বৰ্ণিল বৌদ্ধিক কাৰ্য্যসুচী। কাৰ্য্যসূচী অনুসৰি একক অনন্য বগেজাৰী লোক সাহিত্য-সংস্কৃতিৰ চৰ্চা কেন্দ্ৰৰ সঞ্চালক তথা বিশিষ্ট লেখক হিতেশ ৰাভাই পতাকা উত্তোলন কৰে। ইয়াৰ পিছতে কেন্দ্ৰৰ সভাপতি ধীৰেন চন্দ্ৰ ৰাভাইপ্ৰভু লাঙাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। উপ সভাপতি তথা বিশিষ্ট চিত্ৰশিল্পী মঞ্জয় কুমাৰ ৰাজবংশীয়ে গছ পুলি ৰোপণ কৰে। অনুষ্ঠানত প্ৰয়াত প্ৰাণৰ শিল্পী তথা হামিং সম্ৰাট জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে কবি উমেশ চন্দ্ৰ বড়ো আৰু মাটিৰ কণ্ঠ খ্যাত জনপ্ৰিয় শিল্পী ফণীন্দ্ৰ ৰাভাই। ইফালে দিনৰ ভাগত গ্ৰন্থ উন্মোচনী আৰু মুকলি সভা উদ্বোধন কৰে বিশিষ্ট নাট্যকাৰ তথা নিভাঁজ লোক সংস্কৃতিৰ সাধক সভাপতি ধীৰেন চন্দ্ৰ ৰাভাই। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক, সমালোচক তথা লোক সংস্কৃতিৰ গবেষক হিতেশ ৰাভাই সম্পাদনা কৰা গ্ৰন্থ “ইতিহাস প্ৰসিদ্ধ বগে খাচৰ লোক-সংস্কৃতিৰ লেছেৰী” শীৰ্ষক তত্ত্বগধুৰ গ্ৰন্থখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰে প্ৰবীণ কবি সাহিত্যিক ধীৰেন্দ্ৰ চন্দ্ৰ ৰাভাই। ইয়াৰ উপৰিও হিতেশ ৰাভাই ৰচনা কৰা আৰু মাটিৰ কণ্ঠ ফণীন্দ্ৰ ৰাভাই সুৰ কৰা “শাওনৰ পথাৰত” শীৰ্ষক গীতটোৰ এলবাম মুকলি কৰে দক্ষিণ বনগাঁও আঞ্চলিক ৰাভা সাহিত্য সভাৰ সভাপতি নবীন চন্দ্ৰ ৰাভাই। বৌদ্ধিক আৰু সাংস্কৃতিক পৰিৱেশত আয়োজন কৰা অনুষ্ঠানত বকো-বনগাঁও আঞ্চলিক ৰভা জাতীয় পৰিষদৰ সভাপতি সোণেশ্বৰ ৰাভাৰ উপৰিও বহু সংখ্যক বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। ইফালে একক অনন্য বগেজাৰী লোক সাহিত্য-সংস্কৃতিৰ চৰ্চা কেন্দ্ৰৰ সাধাৰণ সম্পাদক উৎপল ৰাভাই আত ধৰা অনুষ্ঠানত গীত মাত কথাৰে জিপাল কৰি তোলে।

প্ৰব্ৰজনকাৰীয়েই দেশৰ ৰাজনৈতিক নেতৃত্ব বহন কৰিছে

# স্ব-ভূমিতেই ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন ভূমিপুত্ৰ কোচৰাজবংশীৰ

**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ৩০ ডিচেম্বৰ** ঃ ভোটাৰ তালিকাৰ বিশেষ সংশোধনী চমুকৈ এছ.আই.আৰ বলবৎ কৰি নিৰ্বাচন আয়োগে লাখ-লাখ ভূমিপুত্ৰ কোচ-ৰাজবংশীসকলৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা প্ৰক্ৰিয়াত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আন্তঃৰাষ্ট্ৰীয় কোচ-ৰাজবংশী সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে। বৰ্মনে এক প্ৰেছ বিবৃতিত উল্লেখ কৰে যে, শেহতীয়াভাৱে দেশৰ নিৰ্বাচন আয়োগে বিহাৰত এছ.আই.আৰ প্ৰস্তুত কৰি বিহাৰত থকা কোচ-ৰাজবংশী জনগোষ্ঠীৰ বহু লোকৰ নাম কৰ্তন কৰিছে। শেহতীয়াভাৱে পশ্চিমবংগ আৰু অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ ব্যৱস্থা কৰিছে। কিন্তু সংশোধনীৰ নামত পশ্চিমবংগ আৰু অসমত বহু খিলঞ্জীয়া জনগোষ্ঠী বিশেষকৈ ভূমিপুত্ৰ কোচ-ৰাজবংশী লোকসকলৰ তথ্যপাতি বিসংগতিৰ বাবে ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰাৰ ব্যৱস্থা কৰিছে। বৰ্মনে বিবৃত্তিটোত উল্লেখ কৰে যে, কোচ-ৰাজবংশীসকল দুয়োখন ৰাজ্যৰে ভূমিপুত্ৰ। ভাৰতৰ স্বাধীনতাৰ কেবা শতিকাৰ পূৰ্বেই কোচ-ৰাজবংশীসকল কমতাপুৰত স্ব-শাসিত আছিল। জনজাতীয় লোকৰ সম্পূৰ্ণ বৈশিষ্ট্য থকা কোচ-ৰাজবংশীসকলৰ লগতে আন জনগোষ্ঠীৰ লোককো সম-মৰ্যাদা প্ৰদান কৰিছিল কোচ ৰজাই। বিশেষকৈ পশ্চিমবংগৰ কোচবিহাৰ, দাৰ্জিলিং, জলপাইগুৰিকে ধৰি উত্তৰবংগৰ আটাইকেইখন জিলা, অসমৰ বৰ্তমানৰ বাৰখনকৈ জিলাৰ উপৰিও বাংলাদেশ, নেপাল আৰু ভূটানৰ কিছু অংশলৈ বৃহত্তৰ কমতাপুৰ ৰাজ্যৰ অৱস্থিতি আছিল। উক্ত ভূখণ্ডত কোচ-ৰাজবংশীসকলেই আছিল প্ৰধান জনগোষ্ঠী হোৱাৰ লগতে শাসকীয় জনগোষ্ঠী হিচাপে শিৰ উন্নত হৈ শাসকৰ সমীহ আদায় কৰিব পাৰিছিল। কিন্তু দেশে স্বাধীনতা লাভৰ সময়ত কিছু চতুৰ ৰাজনৈতিক ব্যক্তিয়ে নিজৰ ৰাজনৈতিক স্বাৰ্থত জনগোষ্ঠীটোক ভৌগোলিকভাৱে বিভক্ত কৰাৰ লগতে ৰাজনৈতিকভাৱে ঐতিহাসিক কমতাপুৰক খণ্ড-বিখণ্ড কৰিছিল। মূলতঃ কোচ-ৰাজবংশীসকল অসম আৰু পশ্চিমবংগ দুয়োখন ৰাজ্যৰে মূল খিলঞ্জীয়া আৰু ভূমিপুত্ৰ। এনে স্থলত ভূমিপুত্ৰক নাগৰিকত্বৰ বাবে বা ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিবৰ বাবে নথি-পত্ৰৰ প্ৰয়োজন কিয়? বুলি প্ৰশ্ন উত্থাপন কৰে আন্তঃৰাষ্ট্ৰীয় কোচ-ৰাজবংশী সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে। বৰ্মনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগতে নিৰ্বাচন আয়োগক কোচ-ৰাজবংশীসকলৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন নকৰিবলৈ সকীয়াই দিয়ে। বৰ্মনে উল্লেখ কৰে যে, যি সময়ত দেশৰ বহু জনগোষ্ঠী প্ৰব্ৰজনকাৰী আৰু এই প্ৰব্ৰজনকাৰীয়ে দেশৰ ৰাজনৈতিকভাৱে নেতৃত্ব বহন কৰি আহিছে। আনপিনে ১৯৭১ চনলৈকে প্ৰব্ৰজিত লোকক অসমত নাগৰিকত্ব দিয়াৰ লগতে নাগৰিকত্ব সংশোধনী আইন, ২০১৯ৰ জৰিয়তে ২০২৪ চনৰ ডিচেম্বৰলৈকে বৰ্তমান বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব দিয়াৰ ব্যৱস্থা কৰিছে ঠিক সেই সময়তে ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ জৰিয়তে কোচ-ৰাজবংশীসকলক ভোটাৰ তালিকাৰ পৰা নাম কৰ্তন কৰাটো দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰে সভাপতি বৰ্মনে।

তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালৰ ছাত্ৰ-ছাত্ৰীৰে মত বিনিময়

# ‘আৰোহন’ত নিৰ্বাচিত শিক্ষাৰ্থীলৈ বিশেষ প্ৰেৰণা

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩০ ডিচেম্বৰ** ঃ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ লক্ষ্যৰ বাটত কঠোৰ সাধনাৰে অগ্ৰসৰ হ’বলৈ আহ্বান জনাইছে তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালে। আজি শিক্ষা বিভাগৰ ‘আৰোহণ’কাৰ্যসূচীৰ অধীনত চহৰৰ সন্মিলন কেন্দ্ৰত অনুষ্ঠিত নৱম শ্ৰেণীৰ মেধাৱী শিক্ষাৰ্থী সকলৰ সৈতে ভাব বিনিময় অনুষ্ঠানত ভাষণ দি জিলা আয়ুক্তগৰাকীয়ে জীৱনত সফলতা লাভৰ পথ নিৰ্দেশনা দাঙি ধৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন প্ৰশ্নৰো উত্তৰ দি সৰ্বভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষা বা অন্যান্য আগশাৰীৰ সেৱাৰ বাছনিত কৃতকাৰ্যতা লাভৰ উপায় আৰু কৌশলৰ বিষয়ে উল্লেখ কৰে। ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ কমলেশ্বৰ কলিতা মুখ্য অতিথি হিচাপে উপস্থিত থকা আকৰ্ষণীয় অনুষ্ঠানটোত জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ঙ্ক কুমাৰ, সম্প্ৰতি ইংলেণ্ডৰ অসামৰিক সেৱাৰ বিষয়া হিচাপে কৰ্মৰত তিনিচুকীয়া কলেজৰ প্ৰাক্তন ছাত্ৰ মাকুমৰ পুনীত দ্বিবেদী, জিলা উন্নয়ন আয়ুক্ত জাভেদ আৰমান আৰু অতিৰিক্ত আয়ুক্ত মিৰ্জানা হুছেইনেও ছাত্ৰ -ছাত্ৰীসকলক উদ্দেশ্যি প্ৰেৰণামুলক ভাষণ দিয়াৰ লগতে বিভিন্ন প্ৰশ্নৰো উত্তৰ দিয়ে। চৰকাৰী বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শ্ৰেষ্ঠ ছাত্ৰ বা ছাত্ৰীগৰাকীক অসম চৰকাৰৰ ‘আৰোহন’ নামৰ এই কাৰ্যসূচীৰ অধীনত এনেদৰে বাৰ্তালাপৰ সুযোগ প্ৰদান কৰা হয়। অনুষ্ঠানৰ বাবে নিৰ্বাচিত জিলাখনৰ মুঠ ১২৮জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১২৪জন ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত তিনিচুকীয়া জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিন্তি শৰ্মা, সহকাৰী আয়ুক্ত ৰুণজুন বৰা আৰু মাধুৰিমা দিহিঙীয়া আদিও উপস্থিত থাকে।

# বহুভাষিক কবি সন্মিলন, কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ শুভেচ্ছা

**অসম বাৰ্তা, লীলাবাৰী, ৩০ ডিচেম্বৰ** ঃ ইংৰাজী নৱবৰ্ষ ২০২৬ উপলক্ষে সমগ্ৰ ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জনাইছে অসম বহুভাষিক কবি সন্মিলন-বহুভাষিক কাব্য কানন আৰু কোচ-ৰাজবংশী সংগ্ৰাম সমিতিয়ে। সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বাৰ্তা যোগে অসমৰ শক্তিশালী কাব্য, সাহিত্য, সংস্কৃতিৰ সংগঠন অসম বহুভাষিক কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি, তথা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ শীৰ্ষ নেতা, যুৱ সাহিত্যক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচে আগন্তুক ২০২৬ নৱবৰ্ষই নতুন প্ৰত্যয় জন্মাই জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সমগ্ৰ অসমবাসীলৈ সুখ-সমৃদ্ধ আৰু সাফল্যৰ বতৰা কঢ়িয়াই অনাৰ লগতে অসমৰ জাতীয় জীৱন, ভাষা-সংস্কৃতিলৈ নামি অহা অপায়-অমঙ্গল নাশ কৰি শুভ দিনৰ সূচনা হ’ব বুলি আশা ব্যক্ত কৰিছে। অসমীয়াৰ সাতামপুৰুষীয়া একতাৰ এনাজৰী অধিক কটকটীয়া হৈ উঠিব বুলি কামনা কৰাৰ উপৰি নিপীড়িত ভূমিপুত্ৰ সহজ-সৰল কোচ-ৰাজবংশীসকলক সোনকালেই অনুসূচীকৰণ কৰা হ’ব বুলি আশা ব্যক্ত কৰিছে।

# লেখিকা সমাৰোহ সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ অধিৱেশন; অভ্যৰ্থনা সমিতি গঠন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৩০ ডিচেম্বৰ** ঃ অহা ৭ আৰু ৮ ফেব্ৰুৱাৰীত সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডুমডুমা শাখাৰ আতিথ্যত অনুষ্ঠিত হ’বলগীয়া সদৌ অসম লেখিকা সমাৰোহ সমিতি, তিনিচুকীয়া জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ আদৰণী সমিতি গঠনৰ বাবে ডুমডুমা শাখাৰ সভানেত্ৰী দিব্যলতা ডেকাৰ পৌৰোহিত্যত এখন সভা ২৮ ডিচেম্বৰত ডুমডুমা শাখাৰ নিজা ভৱনত অনুষ্ঠিত হয়। শাখাৰ সম্পাদিকা ৰঞ্জিতা গগৈ বৰুৱাই আঁত ধৰা সভাখনত তিনিচুকীয়া জিলাৰ কেইবাটাও শাখাৰ বিষয়ববীয়া আৰু সদস্যাসকল উপস্থিত থাকে। এই সভাতে দিব্যলতা ডেকাক সভানেত্ৰী, প্ৰণীতা সন্দিকৈক কাৰ্যকৰী সভানেত্ৰী, ৰঞ্জিতা গগৈ বৰুৱাক সাধাৰণ সম্পাদিকা আৰু জুনু বৰাক কোষাধ্যক্ষা ৰূপে লৈ এখন শক্তিশালী আদৰণী সমিতি গঠন কৰা হয়।

# মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান আঁচনিৰ অধীনত ভবাণীপুৰ-সৰভোগ সমষ্টিৰ মহিলা আত্মসহায়ক গোটৰ সদস্যাৰ মাজত চেক বিতাৰণ

**অসম বাৰ্তা, বৰপেটা ৰোড, ৩০ ডিচেম্বৰ** ঃ বৰপেটাৰোড মিনি ষ্টেডিয়ামত আয়োজিত এখন বৃহৎ সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতীকী ৰূপত কেবাগৰাকী মহিলাৰ মাজত দহ হেজাৰ টকাৰ চেক বিতৰণ কৰি সমষ্টিটোত আঁচনিখনৰ পুঁজি বিতৰণ কাৰ্যসূচী মুকলি কৰে। অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰনজিৎ কুমাৰ দাসে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই আত্মসহায়ক গোটৰ মহিলাসকলক সম্বোধন কৰি কয় যে এই আচনিখনৰ জৰিয়তে অসমৰ মহিলাসকলক স্বনিৰ্ভৰশীল কৰিব বিচৰা হৈছে। সেইবাবে প্ৰথমে দহ হাজাৰ টকা আগবঢ়োৱা হৈছে। এই ধনৰ সদব্যৱহাৰ কৰা মহিলাসকলক ২৫ হাজাৰ টকাকৈ আগবঢ়োৱা হব। সেই ধনৰ সফল ব্যৱহাৰ কৰা সকলক ৫০ হাজাৰ টকাকৈ দিয়া হব। এনে ধৰণে অসমৰ মহিলাক লাখপতি কৰা হব। ইতিমধ্যে ৰাজ্যখনৰ কেবাহাজাৰ মহিলা লাখপতি বাইদেউ হোৱা বুলিও মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। আগন্তুক দিনত চৰকাৰে আৰু অধিক সুবিধাদায়ক আচনি প্ৰৱৰ্তন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে ভাষণত আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে আচনিখনৰ জৰিয়তে আজি ভবাণীপুৰ - সৰভোগ সমষ্টিৰ ২৫, ১৫৭ গৰাকী আত্মসহায়ক গোটৰ মহিলা সদস্যাক সামৰি লোৱা হৈছে। অনুষ্ঠানত বৰপেটা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, জিলা আয়ুক্ত ৰোহন কুমাৰ ঝা আদিও উপস্থিত থাকে। ইপিনে ৰাজ্যত জেহাদী সংগঠনৰ কেবাজনো সদস্য গ্ৰেপ্তাৰ হোৱা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত কয় যে অসমত মৌলবাদী সমস্যাটো দীৰ্ঘদিনলৈ থাকিব। বাংলাদেশ অসমৰ চুবুৰীয়া ৰাষ্ট্ৰ হোৱাৰ পৰিপ্ৰেক্ষিততে এই সমস্যাটো থাকিব বুলি তেও কয়। আন এক বিষয়ত মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে কালি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উদ্বোধন কৰা বটদ্ৰৱা প্ৰকল্প অসমৰ স্বাভিমানৰ প্ৰতীক। বৰপেটা ৰোডতে ড০ হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় জনতা পাৰ্টীৰ ভবাণীপুৰ - সৰভোগ সমষ্টিত সূচনা কৰা যুৱ বুথ বাহিনীক পৰিদৰ্শন কৰে।

কৃষক আৰু যুৱ সমাজক উপকৃত কৰাৰ লক্ষ্য

# যোৰহাট এগ্ৰ’ প্ৰাইভেট লিমিটেডৰ বৃহৎ ৰাইচমিলৰ শুভ উদ্বোধন



**অসম বাৰ্তা, আমগুৰি, ৩০ ডিচেম্বৰ** ঃ যোৰহাট জিলাৰ জাঁজী হাঁহচৰাত আজি যোৰহাট এগ্ৰ’প্ৰাইভেট লিমিটেডৰ এটা বৃহৎ ৰাইচমিলৰ দ্বাৰ আনুষ্ঠানিক ভাবে মুকলি কৰা হয়। উল্লেখযোগ্য যে, ৰাজ্য চৰকাৰৰ এপাৰ্টৰ অধীনত এৰিয়া চছাইটি, অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ সহযোগত বিশ্ব বেংকৰ অনুদানেৰে কমন ফেচিলিটি চেণ্টাৰ(চি এফচি) হিচাপে যোৰহাট এগ্ৰ প্ৰাইভেট লিমিটেডে প্ৰায় ৭.৫ কোটি টকাৰে এই প্ৰকল্পটো স্থাপন কৰিছে। আজি দুপৰীয়া যোৰহাট জিলাৰ আয়ুক্ত জয় শিৱানী আই.এ.এছে আনুষ্ঠানিক ভাবে এই প্ৰকল্পটো শুভ উদ্বোধন কৰে। প্ৰকল্পটো উদ্বোধন কৰি প্ৰদান কৰা ভাষণত আয়ুক্ত গৰাকীয়ে এই প্ৰকল্পটো স্থাপনত সন্তুষ্টি প্ৰকাশ কৰে আৰু প্ৰকল্পটোৰ জৰিয়তে কৃষক সকল উপকৃত হোৱাৰ লগতে নিবনুৱা যুৱক যুৱতীৰ কৰ্মসংস্থাপন হব বুলি আশা প্ৰকাশ কৰে। এই উপলক্ষে প্ৰকল্প চৌহদত আয়োজিত উদ্বোধনী অনুষ্ঠানৰ আঁতধৰে যোৰহাট এগ্ৰ প্ৰাঃলিঃৰ বিষয়া প্ৰবীন দত্তই। অনুষ্ঠানত যোৰহাট জিলাৰ অতিৰিক্ত আয়ুক্ত দ্বিগবিজয় ৰাজখোৱা, এৰিয়া চছাইটিৰ বিষয়াদ্বয় ক্ৰমে দেৱাৰুণ সভাপণ্ডিত, প্ৰদ্যুৎ বৰা, যোৰহাট জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ মহা প্ৰবন্ধক গৌতম দেৱ নাথ, এপিডিচিএলৰ টীয়কৰ উপ সংমণ্ডল অভিযন্তা হিমাংশু বৰা, গ্ৰেণ্ড থৰ্ণটনৰ প্ৰবন্ধকদ্বয় ক্ৰমে এহচান খান আৰু মণিষ শ্বাহ, আইচিআইচিআই বেংকৰ বিষয়াদ্বয় দীপক বৰা আৰু ভদ্ৰ চাচা, স্থানীয় বয়োজ্যেষ্ঠ নাগৰিক সমাজকৰ্মী অপূৰ্ব কুমাৰ বৰঠাকুৰৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, সমগ্ৰ যোৰহাট জিলাৰ একুৰিৰো অধিক ক্ষুদ্ৰ উদ্যোগীৰ দ্বাৰা গঠিত যোৰহাট এগ্ৰ প্ৰাইভেট লিমিটেডৰ এই উদ্যোগ টোৱে কৃষিভিত্তিক ঔদ্যোগিক বিকাশৰ প্ৰসাৰ আৰু স্থানীয় জীৱিকাক শক্তিশালী কৰাৰ দিশত এক উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে চিহ্নিত হোৱাৰ আশা ব্যক্ত কৰিছে উদ্যোক্তা সকলে।

# শোণিতপুৰ জিলাৰ ঠেলামৰাত সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ বিশেষ অধিৱেশন; নতুন জিলা সমিতি গঠন

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৩০ ডিচেম্বৰ** ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঠেলামৰাত সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ উদ্যোগত এক বিশেষ অধিৱেশন বৃহৎ উৎসাহ-উদ্দীপনাৰ মাজেৰে অনুষ্ঠিত হয়। অধিৱেশনটোৰ আৰম্ভণিতে সংগঠনৰ পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণৰ জৰিয়তে অনুষ্ঠানটোৰ শুভাৰম্ভ কৰা হয়। উক্ত অধিৱেশনৰ লগত সংগতি ৰাখি অনুষ্ঠিত প্ৰতিনিধি সভাত সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলাৰ পুৰণি সমিতিখন ভংগ কৰি সৰ্বসন্মতিৰ ভিত্তিত এখন নতুন জিলা সমিতি গঠন কৰা হয়। প্ৰতিনিধি সভাত সৰ্বসন্মতিক্ৰমে খোনাৰাম হেমৰমক উপদেষ্টা হিচাপে নিৰ্বাচিত কৰা হয়। লগতে হলেশ্বৰ মূৰ্মুক সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ সভাপতি, ৰাজু হাচদাক উপ-সভাপতি আৰু আকাশ হেমৰমক সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। এইদৰে মুঠ ২১ জনীয়া সদস্যৰে পূৰ্ণাংগ শোণিতপুৰ জিলা সমিতি গঠন কৰা হয়। নতুন সমিতি গঠনৰ পিছতেই এক মুকলি সভা অনুষ্ঠিত হয়। অচুৎ কুমাৰ হেমৰমে সভাপতিত্ব কৰা উক্ত মুকলি সভাত মুখ্য অতিথি হিচাপে সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সভাপতি বিমল কুমাৰ হেমৰমে অংশগ্ৰহণ কৰে। নিৰ্দিষ্ট বক্তা হিচাপে সদৌ চাওঁতাল ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক দীপাংকৰ হেমৰম উপস্থিত থাকে। ইয়াৰ উপৰিও বিশিষ্ট অতিথি হিচাপে ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ



বিধায়ক গণেশ কুমাৰ লিম্বু, চাওঁতালী সাহিত্য পৰিষদৰ সভাপতি ডম্বৰুধৰ চৰেন উপস্থিত থাকে। আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতিৰ উপ-সভাপতি সুৰেশ তাঁতী, বিজেপি নেতা শিৱ চাৰণ গোৱাল, পবিত্ৰ কুমাৰ নাথৰ লগতে বহুতো বিশিষ্ট ব্যক্তি সভাত উপস্থিত থাকে। বক্তাসকলে নিজৰ ভাষণত চাওঁতাল সমাজৰ শিক্ষা, সংস্কৃতি আৰু অধিকাৰ সংৰক্ষণৰ ক্ষেত্ৰত ছাত্ৰ সন্থাৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোচনা কৰে আৰু সংগঠনটোক অধিক শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়। অধিৱেশনটোৱে সংগঠনটোৰ ভৱিষ্যৎ কাৰ্যপথ সুদৃঢ় কৰাৰ লগতে শোণিতপুৰ জিলাত চাওঁতাল ছাত্ৰ সন্থাৰ সংগঠনমূলক শক্তি অধিক দৃঢ় কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

# সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা বিনামূলীয়া পাঠদানৰ সামৰণী

**অসম বাৰ্তা, মাকুম, ৩০ ডিচেম্বৰ** ঃ উত্তৰ পূৰ্বাঞ্চলৰ অন্যতম আদিম জনগোষ্ঠী মৰাণ জনগোষ্ঠীৰ লোক সকল সমাজ জীৱনৰ যিকোনো ক্ষেত্ৰত দিনক দিনে দোপতদোপে আগবাঢ়ি গৈছে। ইয়াৰে ভিতৰত প্ৰধানকৈ শিক্ষাৰ দিশত মৰাণ জনগোষ্ঠীৰ শিক্ষাৰ্থী সকলে পূৰ্বৰ তুলনাত আৰু অধিক আগবাঢ়ি যোৱা পৰিলক্ষিত হৈছে। মৰাণ জনগোষ্ঠীৰ শিক্ষাৰ্থী সকলে যিকোনো ক্ষেত্ৰত যেতিয়া নিজৰ লগতে সমগ্ৰ জনগোষ্ঠীটোলৈ গৌৰৱ কঢ়িয়াই আনে তেতিয়া এই শিক্ষাৰ্থী সকলক অনুপ্ৰেৰণা যোগাবলৈ মৰাণ জনগোষ্ঠীৰ কেওতা সংগঠন একত্ৰিত হৈ পূৰ্বৰ পৰাই বিভিন্ন ধৰণৰ কাৰ্যসূচী হাতত লোৱা পৰিলক্ষিত হৈ আহিছে। ঠিক তেনেদৰে ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ’বলগীয়া মাকুম বাৰেকুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থী সকলক সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ উদ্যোগত যোৱা ইংৰাজী ১ ডিচেম্বৰ তাৰিখৰ পৰা মুঠ তিনিটা অংক, ইংৰাজী আৰু বিজ্ঞান বিষয়ৰ ওপৰত দি থকা বিনামূলীয়া পাঠদানৰ আজি সামৰণি পৰে। শিক্ষাৰ্থী সকলক উক্ত তিনিটা বিষয়ৰ ওপৰত পাঠদান দিবলৈ তিনিজনকৈ শিক্ষক আমন্ত্ৰণ কৰা হৈছিল। শিক্ষাৰ্থী সকলক এমাহ ধৰি পাঠদান প্ৰদান কৰাৰ বাবে তিনিও গৰাকী শিক্ষকক বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হোৱাৰ লগতে অৱতীৰ্ণ হ’বলগীয়া শিক্ষাৰ্থী সকলক অধ্যয়নৰ সামগ্ৰী বিতৰণ কৰা হয়। আজিৰ বিনামূলীয়া পাঠদানৰ সামৰণি অনুষ্ঠানত সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ সভাপতি-সম্পাদক, সদস্য সকল প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি সকল উপস্থিত থাকে।



## মিলেশ্বৰ ডেকাক “অসম লোকশিল্পী বঁটা” প্ৰদান প্ৰগতি ফাউণ্ডেশ্বনৰ

**অসম বাৰ্তা, বেবেজীয়া, ৩০ ডিচেম্বৰ** ঃ স্বেচ্ছাসেৱী অনুষ্ঠান অসম প্ৰগতি ফাউণ্ডেশ্বনৰ তৰফৰ পৰা যোৱা ২৮ ডিচেম্বৰত মিলেশ্বৰ ডেকাক প্ৰদান কৰা হয় “অসম লোকশিল্পী বঁটা”। মৰিগাঁৱৰ চৰাইবাহী শ্বহীদ তিলক ডেকা ৰাজহুৱা ভৱনত অসম প্ৰগতি ফাউণ্ডেশ্বনৰ ত্ৰি-বাৰ্ষিক অধিৱেশনৰ দ্বিতীয় দিনা অনুষ্ঠিত মুকলি অধিৱেশনত এই বঁটা আনুষ্ঠানিক ভাৱে প্ৰদান কৰে শিল্পী মিলেশ্বৰ ডেকাক। এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অসম প্ৰগতি ফাউণ্ডেশ্বনৰ সদস্য সকলৰ উপস্থিতিত তিৱা স্বায়ত্ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে এই বঁটা প্ৰদান কৰে। মৰিগাঁও জিলাৰ পানবাৰী গাঁৱৰ জনস্বাস্থ্য বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী মিলেশ্বৰ ডেকা অকাশবাণী নগাঁও কেন্দ্ৰৰ এগৰাকী শিল্পী। ডেকাক এইবঁটা প্ৰদান কৰাৰ বাবে শোভাকাংশী আৰু বহু গুণমুগ্ধই অভিনন্দন জনাইছে।

# মহৰিপাৰাত শ্বহীদ সাংবাদিক দীপক স্বৰ্গীয়াৰী সোঁৱৰণী ক্ৰিকেট খেল প্ৰতিযোগিতা

**অসম বাৰ্তা, গোৰেশ্বৰ, ৩০ ডিচেম্বৰ** ঃ তামোলপুৰ জিলাৰ অন্তৰ্গত গোৰেশ্বৰৰ মহৰিপাৰা খেলপথাৰত শ্বহীদ সাংবাদিক দীপক স্বৰ্গীয়াৰী সোঁৱৰণী তৃতীয় বাৰ্ষিক প্ৰাইজমানী ক্ৰিকেট খেল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। জানিব পৰা মতে, গোৰেশ্বৰ প্ৰেছ গীল্ডৰ উদ্যোগত অহা ৭, ৮ আৰু ৯ জানুৱাৰীত তিনিদিনীয়াকৈ আয়োজন কৰা হৈছে এই খেল প্ৰতিযোগিতা। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনাখন পুৱা ১০ বজাত পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, শ্বহীদ সাংবাদিক দীপক স্বৰ্গীয়াৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বৃক্ষৰোপণ, ক্ৰিকেট দলৰ পঞ্জীয়ন আৰু চিনাকি পৰ্ব অনুষ্ঠানৰ পিছতে দুপৰীয়া ১২.৩০ বজাত খেলপথাৰ উদ্বোধন আৰু ১ বজাত প্ৰতিযোগিতামূলক খেল অনুষ্ঠিত কৰা হ’ব। একেদৰে দ্বিতীয় দিনাখন ৯.৩০ বজাৰ পৰা পুনৰ প্ৰতিযোগিতামূলক খেল অনুষ্ঠিত কৰা হ’ব। প্ৰতিযোগিতাখনৰ তৃতীয় তথা অন্তিম দিনাখন প্ৰতিযোগিতামূলক খেলৰ অন্ত পৰাৰ লগে-লগে বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ’ব। খেলৰ প্ৰথম পুৰস্কাৰ ট্ৰফীসহ নগদ ২০, ০০০ টকা আৰু দ্বিতীয় পুৰস্কাৰ ট্ৰফী সহ ১০, ০০০ টকা বুলি উদ্যোক্তাই জনোৱাৰ লগতে আগ্ৰহী খেলুৱৈক ৯১০১৪৭৬৪০৮ নম্বৰত যোগাযোগ কৰি ৫৫০ টকাৰে দলৰ নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম’বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ’ব ▸▸

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন